# হেমচন্দ্র দেব গোস্বামী মহাবিদ্যালয়

## • আলোচনী •

[১৯৯৫-৯৬ বর্ষ]




সম্পাদক —
• শ্রীদিজু মণি ভূঞা •

# হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ আলোচনী

## বছেৰেকীয়া প্ৰকাশ

১৯৯৫-৯৬ চন ( একাদশ সংখ্যা )

H.C.D.G. COLLEGE LIBRARY
No.............
Date...........
Nitaipukhuri, Sibsagar, Assam

শুভেচ্ছাৰে—

প্ৰতি, ____________________

____________________

____________________

সম্পাদক

তত্বাৱধায়ক
শ্ৰীযুতা ক্ষীৰপ্ৰভা গগৈ
(অধ্যাপিকা, অসমীয়া বিভাগ)

সম্পাদক
শ্ৰীদিজুমণি ভূঞা
(ভাঃ প্ৰাঃ) শ্ৰীতপন বৰগোহাঁই

## সম্পাদনা সমিতি

মুখ্য উপদেষ্টা ঃ শ্ৰীযুত ডম্বৰুধৰ নেওঁগ, ( অধ্যক্ষ)

সভাপতি ঃ শ্ৰীযুত লোহিত শইকীয়া

উপদেষ্টা ঃ শ্ৰীযুত সুধীৰ কুমাৰ দাস

উপদেষ্টা ঃ শ্ৰীমতী ক্ষীৰপ্ৰভা গগৈ

সম্পাদক ঃ শ্ৰীদিজুমণি ভূঞা

সাধাৰণ সম্পাদক ঃ শ্ৰীতপন বৰগোহাঁই

সদস্য ঃ শ্ৰীমিণ্টু বুঢ়াগোহাঁই

সদস্যা ঃ শ্ৰীমতী বিজু দত্ত

অঙ্গসজ্জা ঃ শ্ৰীতপন বৰগোহাঁই

বেটুপাতৰ শিল্পী ঃ শ্ৰীতৰুণ গগৈ

মুদ্ৰণ ঃ অমৃতা প্ৰিণ্টাৰ্চ, তৰাজান, এ, টি, ৰোড ঃ যোৰহাট-১

## উৎসৰ্গা

১৯৯৬ চনৰ এপ্ৰিল মাহত আমাৰ মহা-বিদ্যালয়ৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰী ৺ লোহিতী দেউৰী কৰ্কট ৰোগত পৰি মৃত্যু মুখত পৰে। তেখেতৰ মৃত আত্মালৈ শ্ৰদ্ধাঞ্জলী নিবেদিলো আৰু ৯৫-৯৬ বৰ্ষৰ আলোচনীখন উৎসৰ্গা কৰিলো।

সাধাৰণ সম্পাদক
আলোচনী সম্পাদক



আমাৰ প্ৰেৰণাৰ উৎস—
অধ্যক্ষ শ্ৰীযুত ডম্বৰুধৰ নেওঁগ

# MEMBERS OF TEACHING STAFF



From left of right

*Sitting* :- Sri Debeswar Changmai, Sri Nomal Ch. Konwar, Mrs, Anjali Gogoi Mrs. Bhadrawati Gogoi, Sri Dambarudhar Neog (Principal , Mrs. Khira prabha Gogoi, Sri Lohit Saikia, Sri Banikanta Gogoi, Sri Rebakanta Bora

*Standing* :- Sri Alok Gohain, Sri Sanjeev Borgohain, Sri Sudhir Kr. Das, Sri Lalit Ch. Tamuly, Sri Madhab Mahanta, Mrs Gitali Saikia Ms Manashi Gogoi.

## = শুভেচ্ছা বাণী =

আত্মাৰ বাণী সদৃশ সাহিত্যই ব্যক্তি আৰু সমাজ জীৱনত ঘটায় ক্ৰান্তিকাৰী উত্তৰণ, সভ্যতা সংস্কৃতিৰ দিগন্ত পোহৰাই তোলে সাহিত্যইহে। প্ৰগতিৰ পথত আগুৱাই যোৱাৰ পথ প্ৰদৰ্শকৰূপী সাহিত্যই সাহিত্যসেৱীক চিৰ স্মৰণীয় কৰি তোলে। বিবিধ গ্ৰন্থ অধ্যয়ণৰ জৰিয়তে চিন্তা জগতখনৰ ব্যাপকতা বৃদ্ধি পালে সাহিত্যসেৱীয়ে ৰচনা কৰিব পাৰে অমৰ সাহিত্য। সত্য আৰু সুন্দৰেও প্ৰকাশ কৰে একমাত্ৰ সাহিত্যৰ মাজেদিয়েই।

মহাবিদ্যালয়ৰ আলোচনীত ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ সাহিত্যিক সৃষ্টি সমূহ প্ৰকাশ কৰিবলৈ সুযোগ পায়। সাহিত্য চৰ্চাকাৰী ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে মহাবিদ্যালয়ৰ আলোচনীখন প্ৰেৰণাদায়ক হওঁক এই কামনা থাকিল।

আলোচনীখন সৰ্বাঙ্গ সুন্দৰ হৈ প্ৰকাশ পাব বুলি আশা কৰিলো আৰু আন্তৰিক শুভেচ্ছা জনালো।

শ্ৰীডম্বৰুধৰ নেওঁগ

অধ্যক্ষ ( ভাঃ প্ৰাঃ )

# শ্ৰদ্ধাঞ্জলী

মাতৃ মন্দিৰত বহ্নি যঁচা
বুকুৰ তেজেৰে বুৰঞ্জী ৰচা
অসমৰ
জাতীয় শ্বহীদসকলৰ
পবিত্ৰ স্মৃতিত
আলোচনীখন উচৰ্গা কৰিলো।

সম্পাদক

# ঃ কৃতজ্ঞতা ঃ

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ১৯৯৫-৯৬ চনৰ আলোচনীখন প্ৰস্তুত কৰোতে বিভিন্ন দিশত পৰামৰ্শ দি সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে কৃতজ্ঞতা যাচিলো এইসকললৈ ঃ—

শ্ৰীযুত ডম্বৰুধৰ নেওঁগ (অধ্যক্ষ)

শ্ৰীযুত লোহিত শইকীয়া (প্ৰৱক্তা)

শ্ৰীযুত সুধীৰ কুমাৰ দাস „

শ্ৰীমতী ক্ষীৰপ্ৰভা গগৈ „

শ্ৰীযুত দিগন্ত গগৈ „

শ্ৰীযুত বাণীকান্ত গগৈ „

শ্ৰীমতী ভদ্ৰাৱতী গগৈ „

শ্ৰীযুত শিৱৰঞ্জন শৰ্ম্মা „

শ্ৰীযুত ফণীধৰ শইকীয়া „

শ্ৰীমতী মানসী গগৈ „

বিভিন্ন কামত সহায় কৰা ছাত্ৰ-ছাত্ৰী বন্ধু বৰ্গ ঃ -

সৰ্ব্বশ্ৰী তপন বৰগোঁহাই, মিণ্টু, বুঢ়াগোঁহাই, নিল বড়া, দাদুল বড়া, জীৱ ফুলকোঁৱৰ, দিপেন বুঢ়াগোঁহাই, দুলেন, খগেন, ফুলেশ্বৰ, দিলিপ, প্ৰৱিত্ৰ, দিপক, পঙ্কজ, ৰাতুল, জয়ন্ত দা, নৰদা, অনিল, মনোজ, শিৱানন্দ, সুভাস, জুন, পাপু, ভুপেন, দিপৰঞ্জন।

সৰ্ব্বশ্ৰীমতী জ্যোতি বুঢ়াগোঁহাই, বিজু বৰঠাকুৰ, মণিকা গগৈ, মণিকা বৰবৰুৱা, ৰিজু দত্ত, ৰিজু বৰঠাকুৰ, শিখমণি দিহিঙ্গিয়া, পুৰৱী, শিখামণী, মিনাক্ষী, ৰূপা, চিন্ময়ী, টুলুমণি, আইৰিণ, ৰঞ্জু, মঞ্জু, ভাৰতী, জুন, ৰশ্মীৰেখা, বাসন্তী বা, লক্ষীমী, ইলা, সংগীতা লগতে মহাবিদ্যালয়ৰ সমুহ কৰ্মকৰ্তা ও ছাত্ৰ-ছাত্ৰী বন্ধু বৰ্গলৈ কৃতজ্ঞতা যাচিলো।

## সূচীপত্ৰ

পৃষ্ঠা


● সম্পাদকীয় :-

● প্ৰবন্ধ শিতান :-

* বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনাদৰ্শ — বাণীকান্ত গগৈ ১
* আশ্চৰ্য্যৰে ভৰপূৰ কিতাপখন — পূৰবী বেজবৰুৱা ৭
* জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিপ্লৱী চিন্তাধাৰা — বিজু বৰঠাকুৰ ১০
* ছোভিয়েট ৰিপাব্লিক গঠনত লেনিনৰ ভূমিকা — ময়ুৰী বৰঠাকুৰ ১৪

● কবিতাৰ বাট'চৰা :-

* শৰৎ আহিল — আইৰিণ গগৈ ১৭
* "পোহৰৰ বাবে প্ৰতিবাদ" — মণি বৰগোহাঁই ১৭
* সম্মোহন — বিজু দত্ত ১৮
* হে বিপ্লৱী — লিতুল সন্দিকৈ ১৮
* এতিয়া সময় নাই — বাসন্তী বৰুৱা ১৯
* শেষ ৰাতি — নিতুল গগৈ ১৯
* কাৰ বাবে লিখিম কবিতা — শিখাৰাণী দেউৰী ২০
* নৱ প্ৰভাতৰ ৰাঙলী আভাৰে — যদু দত্ত ২০
* কবিৰ দুখ কোনে বুজে — পুষ্পাঞ্জলী বৰুৱা ২০

● গল্পৰ শৰাই :-

* "মোৰ পৰা ... ... সৌৰভলৈ" — শিখামণি দেউৰী ২১
* "অপেক্ষা" — ৰেখা চাংমাই ২৬
* "বাট চাই আছো তোমালৈ" — বাসন্তী বৰুৱা ৩০
* পুৱতী নিশাৰ কঁপনি — মিণ্টু বুঢ়াগোহাঁই ৩৩
* "শেষ আশা" — ৰিজুমণি সন্দিকৈ ৩৮

● কবিতা কানন :-

* তোমাৰ উচল মুখ — হেমন্ত বৰুৱা ৪০
* মোৰ অস্তিত্বৰ যান্ত্ৰণা — ৰিমু হাজৰিকা ৪১
* মাথো তোমাৰ বাবে — দীপক শইকীয়া ৪২
* পৰাজয় — নিত্যানন্দ দেউৰী ৪২
* অনুভৱ — ৰীতা কোঁৱৰ ৪৩
* "বন্ধুত্ব" — নিৰু বুঢ়াগোহাঁই ৪৩
* এইখন মোৰ দেশ এইখন আমাৰ দেশ — দীপক দত্ত ৪৪
* ইমান নিষ্ঠুৰ সিহঁত — চিন্ময়ী গগৈ ৪৪
* "তেজেৰে ধুৱাই নিম" — মিণাক্ষী বড়া ৪৫
* প্ৰেমৰ অস্তিত্ব এটি কবিতাত — অনিল দত্ত ৪৫
* জননী অসমী — দিজুমণি ভুঞা ৪৬

* সম্পাদকীয় প্ৰতিবেদন আৰু ফলাফল সমূহ

## সম্পাদকীয়

অসম মাতৃৰ আমি সন্তান
বুকুত আমাৰ বিপ্লৱী প্ৰাণ ;
যুগে যুগে স্বৰ্ণ ইতিহাস ৰচি
অক্ষুন্ন ৰাখিম জাতিৰ সন্মান।

জয় জয়তে স্বজাতিৰ হকে প্ৰাণ আহুতি দি বুকুৰ শোণিতেৰে অসম মাতৃক প্লাৱিত কৰি মাতৃৰ চৰণ ধুই মৃত্যুক সাৱতি লোৱা মহান শ্বহীদ সকললৈ শতকোটি প্ৰণাম যাচিলো। সমস্যা বহুল অসম আজি ৰাজনৈতিক অৰ্থনৈতিক তথা সামাজিক সমস্যাৰে জৰ্জৰিত। অসমীয়া জাতিৰ অস্তিত্ব আজি থৰক বৰক। দুৰ্নীতিয়ে আজি অসমত বাৰুকৈয়ে পোখাইছে। এনে এক ক্ষণত অসম তথা অসমীয়াৰ জাতীয় অস্তিত্ব ৰক্ষাৰ অতি প্ৰয়োজন অনুভৱ কৰিছো।

বৰ্তমান অসমত কৃষক শ্ৰমিক সকলৰ প্ৰধান সমস্যা হ'ল বানপানীৰ সমস্যা। প্ৰতি বছৰে প্ৰলয়ংকাৰী বানপানীৰ ফলত অসমৰ জনগণৰ খেতি বাতি, ঘৰ-দুৱাৰ, জীৱজন্তু নাশ কৰি এক ধ্বংস লীলাৰ সৃষ্টি কৰি আহিছে। প্ৰতি ক্ষণে ক্ষণে হোৱা বান পানীয়ে অসমৰ জনগণক জুৰুলা কৰি আহিছে। কৃষি প্ৰধান অসমৰ কৃষি জীৱি সকলে এসাজ খাই আন সাজলৈ চিন্তা কৰিব লগা হৈছে।

অসমৰ জনগণে নিৰ্বাচন কৰি পঠোৱা চৰকাৰ খনেও বানপানী সমস্যা সমাধানৰ নামত কোনো ঠাইত মথাউৰি, কাৰোবাক দুদিন মানৰ কাৰণে শিবিৰ পাতি থাকিবলৈ খাবলৈ দুসাজ ভাত দিয়াতেই ক্ষান্ত। কোনোৱে আকৌ সেইৰূপ সুবিধাও ভোগ কৰিবলৈ নাপাই বানপানীৰ পৰা সা সম্পতি ৰক্ষা কৰিবলৈ পানীৰ লগত যুঁজ কৰি নিজৰ প্ৰাণ বিসৰ্জন দিছে। কিন্তু বানপানীৰ প্ৰকৃত সমাধানৰ নামত চৰকাৰে কোনো পদক্ষেপ লোৱা নাই।

যি খন অসমত চাহ, কয়লা, খাৰুৱাতেল, প্ৰাকৃতিক সম্পদেৰে ভৰপুৰ; যিখন অসমৰ পৰা প্ৰতি বছৰে কোটি কোটি টকাৰ সম্পদ ৰপ্তানি কৰে; সেইখন অসমৰ বানপানীৰ নিচিনা এটা সমস্যাৰ সমাধান কৰিবলৈ টকাৰ অভাৱ। কলৈ গৈছে সেই চাহ, কয়লা, খাৰুৱা তেল, বনজ সম্পদ বিক্ৰী কৰা টকাবোৰ। সেইবোৰ টকাৰ আধাটকাও যদি অসমৰ কামত ব্যৱহাৰ কৰিলে হেতেন, অসম হাবি গুচি ফুলবাৰী হ'ল হেতেন। অসমৰ মানুহে বিশ্বৰ দৰবাৰত নিজকে অসমীয়া বুলি চিনাকি দিব পাৰিলে হেতেন।

আকৌ এইখন অসমতে উৎপাদন হোৱা চাহ, তেল আদি অসমৰ মানুহেই চৰা দামত কিনিব লগা হৈছে। সেই একে বোৰ বস্তু অসমৰ বাহিৰত সুলভ মূল্যত বিক্ৰী হয়। ভাৰতবৰ্ষ স্বাধীন হোৱা এইয়া ৪৯ বছৰ পূৰ হওঁ হওঁ। এতিয়ালৈকে অসমত বানপানীৰ সমস্যা সমাধান নোহোৱাটো বৰ পৰিতাপৰ বিষয়। ভাৰতবৰ্ষৰ শতকৰা ৬০ ভাগ চাহ অসমৰ। অসমে ভাৰতবৰ্ষক প্ৰায় ১০০ বছৰতকৈও অধিক কাল খাৰুৱা তেল যোগান ধৰি আহিছে। তাৰ বিনিময়ত অসমে পাইছে কি? প্ৰকৃততে ভাৰতবৰ্ষই অসমক এখন চৰণীয়া পথাৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। বৰ্ত্তমান অসমৰ মানুহে নূন্যতম প্ৰাপ্য থিনি বিচাৰি আন্দোলন কৰিব লগা হয়। গণতান্ত্ৰিক ভাৱে আন্দোলন কৰিবলৈ গলেও ভাৰত ৰাষ্ট্ৰৰ ভেৰণীয়া বোৰৰ হাতত লাঠীৰ কোব বন্দুকৰ খুন্দা; কোনোৱা নাৰী ধৰ্ষিতা লাঞ্চিতা আৰু বহুতে মৃত্যুক সাৱতি লব লগা হৈছে। তেনেহলে আমি অসমৰ সমস্যাৰাজি কেনেদৰে সমাধান কৰিব পাৰিম। আমাৰ প্ৰতিজন অসমীয়াই আমাৰ সমস্যা সমূহ সমাধানৰ কল্পে ঐক্যবদ্ধ ভাৱে ওলাই আহিব লাগিব।

নানা জাতি জনগোষ্ঠীৰ মিলন তীৰ্থ এই অসম ভূমি। অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত বাৰে বৰণীয়া কৃষ্টি-সংস্কৃতি ৰীতি-নীতি পৰম্পৰা আৰু জীৱন ধাৰণৰ পদ্ধতি প্ৰত্যেকৰ নিজস্ব আছে। সকলো জনগোষ্ঠীৰে সু-সমন্বয়েৰে গঢ়ি উঠা এটা সৰ্বাংগ সুন্দৰ সংস্কৃতি এই অসমতে আছে। সেইয়েহে আমি ঐক্যবদ্ধ প্ৰচেষ্টাৰে এই সংস্কৃতিৰ বেয়া দিশ বোৰ ত্যাগ কৰি ভাল দিশবোৰ আকোৱালী লৈ এক সুন্দৰ সুঠাম সংস্কৃতি গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগিব।

যেনেদৰে জান-জুৰি নিজৰা একত্ৰিত হৈ নৈ উপনৈ সৃষ্টি কৰে, নৈ-উপনৈ একত্ৰিত হৈ বিশাল সাগৰ সৃষ্টি কৰে। সেই জান, জুৰি নিজৰা, নৈ-উপনৈয়ে শিকায় সমন্বয়ৰ কথা। গতিকে জান, জুৰি, নিজৰা, নদী, উপনদীৰ আদৰ্শৰে অনুপ্ৰাণীত হৈ আমিও নানা জাতি উপজাতিৰ অনৈক্যৰ বীজ আতৰাই সমন্বয়ৰ এনাজৰী ডাল সবল কৰিব লাগিব। আমি যদি প্ৰতি জাতি জনগোষ্ঠিয়ে সুকীয়া-সুকীয়াকৈ স্বীকৃতি বিচাৰো তেতিয়াহলে আমাৰ অসমখন খণ্ড বিখণ্ড হৈ অসম আৰু অসমীয়াৰ অস্তিত্ব লুপ্ত হব। তেতিয়া আমি বিশ্বৰ দৰবাৰত কি বুলি পৰিচয় দিম?



আজি পুজিবাদী উৎপীড়নে আমাৰ সমাজ খনক গ্ৰাস কৰি পেলাইছে। ফলত আমাৰ সমাজ খনৰ জীয়াই থকাৰ সুস্থ বাতাবৰণৰ অভাৱ হৈছে। আমি যদি ঐক্যবদ্ধ প্ৰচেষ্টাৰে পুজি পাতি দালাল বোৰক নাশ নকৰো আমি মানুহ হিচাপে জীয়াই থকাৰ সুবিধাকনো হেৰুৱাই পেলাম।

আজি এচাম অসমীয়া মানুহৰ মাজত সহজলভ্য ধনৰ প্ৰতি মোহ থকা পৰিলক্ষিত হৈছে। এনে আচৰণে মানুহক কৰি তোলে নিস্কৰ্মা, এলেহুৱা, অমানৱীয়, আৰু দুৰ্নীতি পৰায়ণ কাৰিকৰী জ্ঞান আৰু শাৰীৰিক পৰিশ্ৰম অবিহনে মানুহৰ উন্নতি অসম্ভৱ। এটা সময়ত অসমীয়াই হিলৈ মাৰিব জানিছিল, বৰটোপ সাজিব জানিছিল। একে ৰাতিৰ ভিতৰত গড় বান্ধিব পৰা অসমীয়াৰ নাতি পুতিয়ে আজি দুৰ্নীতি কৰি একে ৰাতিৰ ভিতৰতে ধনী হোৱাৰ আশংকা কৰিছে। আজি যুৱ সমাজত অনুশাসন হীনতাই বাৰুকৈয়ে পোসাইছে। যুৱ সমাজৰ মাজত বহুতো অসামাজিক কাৰ্য্য কলাপে গা কৰি উঠা দৃষ্টিগোচৰ হৈছে। যুৱ শক্তিয়েই এখন সমাজৰ মেৰুদণ্ড স্বৰূপ। যুৱ শক্তি যেতিয়া বিপথে যায় সেইখন সমাজ ধ্বংসমুখী স্বাভাৱিক। গতিকে আমাৰ যুৱ সমাজে ঐক্যৰ সেতু বান্ধি মুক্ত কণ্ঠে ওলাই আহক এখন সৰ্বাঙ্গ সুন্দৰ সমাজ গঢ়াৰ মানসেৰে। তেতিয়া আমি সমস্বৰে সমকণ্ঠে গাব পাৰিম—

বাজক দবা বাজক শংখ বাজক মৃদং খোল।
অসম আকৌ উন্নতিৰ পথত জয় আই অসম বোল॥

আলোচনী খনৰ বিষয়ে— মহাবিদ্যালয়ৰ আলোচনী খন ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ এটি মাধ্যম। আলোচনী খনেই শিক্ষানুষ্ঠানৰ গতিশীলতাৰ পৰিচায়ক। এই আলোচনী খনৰ পৰাই আমি মহাবিদ্যালয়ৰ অতীতৰ পৰা বৰ্ত্তমানলৈ হৈ যোৱা কথাবোৰ জানিব পাৰো। বহুটো সাহিত্যনুৰাগী ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ আলোচনী খনত নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সুবিধা পায়।

মহাবিদ্যালয়ৰ বহুটো সতীৰ্থৰ অনুৰোধ এৰাব নোৱাৰি আলোচনী সম্পাদক হিচাপে গুৰু দায়িত্ব লব লগা হ'ল। কাৰ্য্য কালৰ আৰম্ভণিৰে পৰাই আলোচনীখন প্ৰকাশৰ বাবে চেষ্টা চলাই যাব লগা হ'ল। ছাত্ৰ-ছাত্ৰী শিক্ষাগুৰু সকলৰ পৰা যি খিনি লিখনি পালো তাকে লৈ আলোচনীখন আপোনালোকলৈ আগ বঢ়ালো। কিবা কাৰণত কাৰোবাৰ লিখনি প্ৰকাশ কৰিব নোৱাৰিলো; তাৰ বাবে তেওঁলোকৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী হৈ ৰ'লো। আলোচনী খন সৰ্বাংগ সুন্দৰ হ'লনে নাই তাৰ বিচাৰৰ বাবে আপোনালোকৰ ওচৰত অৰ্পন কৰিলো।

জয়তো ছাত্ৰ একতা সভা

জয়তো হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়;

জয় আই অসম।

ধন্যবাদেৰে

শ্ৰীদিজুমণি ভুঞা

আলোচনী সম্পাদক

ছাত্ৰ একতা সভা

১৯৯৫-৯৬ চন।



# প্ৰবন্ধ শিতান

# বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনাদৰ্শ

— বাণীকান্ত গগৈ
প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

বিষ্ণুপ্ৰসাদ ৰাভা আছিল একেধাৰে গায়ক, গীতিকাৰ, সুৰকাৰ অভিনেতা, লেখক, পৰিব্ৰাজক, গবেষক, ইতিহাসবিদ, ৰাজনৈতিক আদি বহুতো সমাজবিজ্ঞানী, বুৰঞ্জীবিদ ডঃ অমলেন্দু গুহৰ ভাষাত—"১৯২৮ চনৰ পৰা ১৯৬৯ চনলৈকে যোৱা ৪১ বছৰে অসমৰ ৰঙ্গমঞ্চ, বোলছবি, সাহিত্য, খেলা আৰু ৰাজনৈতিক আন্দোলনক কেন্দ্ৰ কৰি অসমীয়া জনজীৱন চলমান, তাৰ অন্যতম সক্ৰিয় অংশীদাৰ আছিল বিষ্ণুপ্ৰসাদ ৰাভা" (সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা)।

বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম হৈছিল ঢাকাৰ মিলিটাৰী বেৰেকত। তেওঁৰ পিতৃদেৱ গোপাল চন্দ্ৰ ৰাভা আছিল দ্বিতীয় অসম ৰাইফলচ্ বাহিনীৰ চুবেদাৰ মেজৰ। ঢাকাৰ সৈনিক স্কুলতেই ৰাভাই চতুৰ্থ শ্ৰেণীলৈকে পঢ়াশুনা কৰিছিল। ৰাভাৰ শৈশৱৰ কালছোৱাত বঙ্গদেশত চলিছিল স্বদেশী আন্দোলন। স্বদেশী আন্দোলনক কেন্দ্ৰ কৰি গঢ়ি উঠা নৈৰাজ্যবাদী আন্দোলনৰ উদ্দেশ্য আছিল হিংসাৰ বদলি হিংসা আৰু খুনৰ বদলি খুন। নৈৰাজ্যবাদী আন্দোলনৰ আদৰ্শক সমৰ্থন কৰিব নোৱাৰিলেও এই কথা কবই লাগিব যে এই আন্দোলনৰ সৈতে উচ্চ স্তৰৰ দেশ প্ৰেমিকেই জড়িত আছিল। নৈৰাজ্যবাদী আন্দোলনে শিশু ৰাভাৰ মনত পেলাব পৰা প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি সু-সাহিত্যিক, প্ৰবন্ধকাৰ শশী শৰ্মাই লিখিছে—"শিশু ৰাভাই চেতনা লাভৰ" পৰাই নৈৰাজ্যবাদী সকলৰ অত্যুৎসাহী কাৰ্য্য-কলাপৰ বাহিনী সাধুকথা প্ৰবাদৰ দৰে মানুহৰ মুখে মুখে শুনিছিল। সোঁ-পন্থী বৰ বৰ আমোলাৰ পৰিবেশ থকাৰ সত্বেও নৈৰাজ্যবাদী সকলৰ বিদ্ৰোহ আৰু বিপ্লৱৰ কথা আৰু কাহিনীয়ে শিশু বিষ্ণুপ্ৰসাদৰ মনত ক্ৰিয়া প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল আৰু তেনেকৈয়ে আৰম্ভ হৈছিল আদৰ্শৰ সংঘাট" (সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা)।

১৯১৭ চনত ৰাভাৰ দেউতাকৰ মৃত্যুৰ পিচত ৰাভা আহি ভৰ্ত্তি হৈছিল তেজপুৰৰ চৰকাৰী হাইস্কুলত। সেই বছৰতে সংঘটিত হৈছিল ইতিহাস প্ৰসিদ্ধ অক্টোবৰ বিপ্লৱ। এই বিপ্লৱে ভাৰতৰ স্বাধীনতা আন্দোলনত প্ৰভাৱ পেলোৱাৰ লগতে অসমতো প্ৰভাৱ পেলাইছিল। বিষ্ণুৰাভা বিদ্ৰোহী হৈ উঠিছিল আৰু স্বাধীনতা আন্দোলনত নামি পৰিছিল।

১৯২৬ চনত ৰাভাই তেজপুৰৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পাচ কৰে। হাইস্কুলত পঢ়ি থকা কালুত খেল নিপুণতা, স্কুলৰ উৎসৱত পৰিৱেশন কৰা গীত-মাত আদিয়ে ৰাভাক এজন লেখৰ ছাত্ৰলৈ পৰিণত কৰিছিল। মেট্ৰিক পাচ্ কৰাৰ পিছত ৰাভা কলিকতাৰ চেণ্ট্ পল কলেজত আই, এচ, চি, শ্ৰেণীত ভৰ্ত্তি হয়। ইয়াত বিষ্ণু ৰাভাই কলা চৰ্চাত মনোনিবেশ কৰে। ইয়াৰ মাজতে তেওঁ ক্ৰিকেট কেপ্তেইন নিৰ্বাচিত হয়। চেণ্ট পল কলেজৰ পৰা আই, এচ্ চি, পাচ কৰাৰ পিছত কলিকতাৰে ৰিপন কলেজত বি, এচ্ চি শ্ৰেণীত ৰাভা ভৰ্ত্তি হয়। কলিকতাত পঢ়ি থকা কালত ৰাভাৰ সহপাঠী সকলৰ মাজত কিছুমান নৈৰাজ্যবাদী ছাত্ৰও আছিল। সুৰসাগৰ হিমাংশু বিশ্বাস আছিল ৰাভাৰ সহপাঠী। সেই সময়ত কলিকতাৰ কবি গুৰু ৰবিন্দ্ৰ নাথ ঠাকুৰ আৰু সাহিত্যিক শৰৎচন্দ্ৰ চেটাৰ্জ্জীৰ বিপুল প্ৰভাৱ আছিল। তেতিয়া আছিল কলিকতা সংগীত, কলাৰ কেন্দ্ৰভূমি। দৰাচলতে ৰাভাৰ বহুমুখী প্ৰতিভাৰ বিকাশ ঘটে কলিকতাতে। ৰাভা কলিকতাত থকা কালতে ১৯২৮ চনত ৰুচ নৃত্য পটিয়সী আনাপাভলোভাই ৰুচ নৃত্য পৰিৱেশন কৰিছিল। এই নৃত্যত বিমুগ্ধ হৈ ৰাভাই তেওঁৰ অনুগামী হবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। আনাপাভলোভাৰ পৰামৰ্শমতে ৰাভাই অসমৰ থলুৱা গীতমাত চৰ্চাত মনোনিবেশ কৰিছিল।

১৯২৯ চনত ৰিপন কলেজত বি, এচ্, চি, প্ৰথম বাৰ্ষিক পৰীক্ষা দি দ্বিতীয় বাৰ্ষিক শ্ৰেণীলৈ প্ৰমোচন পায়। তেতিয়া আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ পয়োভৰ। ইয়াৰ বাবে ছাত্ৰ বিলাকৰ মাজত অস্থিৰতাই দেখা দিছিল। মাজে-সময়ে ছাত্ৰৰ ওপৰত পুলিচৰ চোকা নজৰ পৰিছিল। এদিন হঠাতে ৰাভাৰ হোষ্টেলৰ কোঠাত পুলিচে খানাতালাচ চলালে। অতিষ্ঠ হল বিষ্ণুপ্ৰসাদ ৰাভা। অৱশেষত ট্ৰেন্স্‌ফাৰ চাৰ্টিফিকেট্ ৰিপন কলেজ এৰি এবছৰ পিচুৱাই ভিক্টোৰিয়া কলেজত ভৰ্ত্তি হয়। ৰিপন কলেজত ৰাভা আছিল স্কুলৰ জেনেৰেল কেপ্তেইন।

১৯৩০ চন ভাৰতৰ স্বাধীনতা আন্দোলনৰ দ্বিতীয় স্তৰ—আইন অমান্য আন্দোলন আৰু বিখ্যাত ডাণ্ডি যাত্ৰাৰ সময়। স্বাধীনতা আন্দোলনৰ প্ৰতি ৰাভাৰ অদম্য প্ৰেৰণা জাগি উঠিছিল। ইয়াৰ সন্ধিৰ যোগেদি ইংৰাজে কূট কৌশলেৰে অসমক কৰতলীয়া কৰাৰ কথা ৰাভাই আগৰে পৰা ভাল পাই থকা নাছিল। তেওঁ অকলেই ৰাতি গোপনে ভিক্টোৰিয়া কলেজ, জেনকিন্স্ হাইস্কুল, ৰাজপ্ৰসাদৰ সন্মুখত কংগ্ৰেছৰ ত্ৰিৰঙ্গ পতাকা উৰুৱাই দিছিল। কেৱল সেয়ে নহয়, সেই সময়ত কোঁচ বিহাৰত চলি থকা ৰিজেণ্ট্ আৰু দেৱান বিৰোধী আন্দোলনত অংশ গ্ৰহণ কৰি ৰজাবাৰীৰ সিংহ দুৱাৰত লিখিছিল ঃ

ৰাজ্যে আছে দুইটি পাঠা
একটি কালো, একটি সাদা
ৰাজ্যেৰ যদি মঙ্গল চাও
দুইটি পাঠা বলি দাও।



এইবিলাকৰ ফলস্বৰূপে ৰাভাই কোঁচবিহাৰ এৰিব লগা হয়। কোঁচবিহাৰ এৰি ৰাভাই ৰংপুৰলৈ গৈ ৰংপুৰৰ কাৰমাইকেল কলেজত ভৰ্ত্তি হয় বি, এ, চতুৰ্থ বাৰ্ষিক শ্ৰেণীত। ইয়াত ভৰ্ত্তি হৈ ৰাভাই আৰম্ভণিৰে পৰা পঢ়া-শুনাত মনোযোগ দিছিল আৰু ইয়াৰ লগে লগে তেওঁ গীত-মাত, খেলা-ধূলা, ছবি আঁকা আদি চৰ্চাতো লাগিল। ইয়াৰ ফলস্বৰূপে ৰাভা অতি সোনকালে সকলোৰে পৰিচিত হৈ পৰিল। কিন্তু ইয়াতো ৰাভাৰ ওপৰত পুলিচৰ চকু পৰিল। বঙ্গদেশৰ চট্টগ্ৰামৰ অস্ত্ৰ-লুণ্ঠন এই সময়ৰে কথা। এদিন ৰাভাৰ বোৰ্ডিং ঘৰত হঠাতে পুলিচে তালাচী চলালে। ৰাভাৰ মনত শান্তি নোহোৱা হল। শেষত ৰাভাই কলিকতালৈকে পুনৰ ঘূৰি যাবলৈ ঠিক কৰিলে। কিন্তু কলিকতালৈ পুনৰ ঘূৰি গৈ তেওঁ আৰু পঢ়া-শুনা কৰিব নোৱাৰিলে। কলিকতাই যেন ৰাভাক কলাজগতলৈহে হাত বাউল দি মাতিল। ১৯৩১ চন এই চনতেই ৰাভাৰ শিক্ষা জীৱনৰ ওৰ পৰিল। এই একে চনতেই দৰং জিলাৰ পুলিচ ছুপাৰিন্টেনুডেণ্ট্ বাৰবিজ চাহাবে ৰাভালৈ ডি এচ্ পি,ৰ চাকৰি আগবঢ়াইছিল। কিন্তু ৰাভাই তেনে চাকৰি হাঁহি মুখেৰে প্ৰত্যাখান কৰি কৈছিল বৰবিজ চাহাবক— "ক্ষমা কৰিব, মিঃ বাৰবিজ, এটি সাধাৰণ চাকৰিৰ বাবে মই মোৰ ৰক্ত অৱনমিত আৰু কলুষিত কৰিব নোৱাৰো" ( তিলক দাস, বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি )।

আগতে কৈ অহা হৈছে বিষ্ণু প্ৰসাদ ৰাভাই ছাত্ৰ অৱস্থাতে স্বাধীনতা আন্দোলনৰ বিভিন্ন কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিছিল। আইন অমান্য আন্দোলনত তেওঁ দেহেকেহে খাতিছিল আৰু গাৱঁৰ হোজা চহা মানুহৰ মাজলৈ গৈ স্বাধীনতাৰ বীজমন্ত্ৰ প্ৰচাৰ কৰিছিল। সেই সময়তে অসংখ্য ছাত্ৰ-ছাত্ৰীয়ে ইংৰাজী গোলামী শিক্ষা নলওঁ বুলি ৰাজপথলৈ ওলাই আহিছিল। তেওঁলোকৰ ভিতৰত বিষ্ণু প্ৰসাদ ৰাভাও আছিল এজন।

ছাত্ৰ জীৱনৰ সমাপ্তিৰ পিছত বিষ্ণু ৰাভাই কৰ্ম্মক্ষেত্ৰ হিচাপে অসমকে বাচি ললে। চল্লিশৰ দশকলৈকে এই সময়ছোৱাত ৰাভাই চিনেমা কোম্পানী খুলিছিল, মাজতে মাছৰ বেপাৰ কৰিছিল আৰু অসমীয়া সংস্কৃতিৰ প্ৰচাৰকৰ ভূমিকাত অৱতীৰ্ণ হৈছিল। অতীত প্ৰীতি, শংকৰ মাধৱৰ আদৰ্শই তেতিয়াৰ বিষ্ণু ৰাভাৰ আদৰ্শ আছিল। ৰাভাৰ জীৱনত শংকৰ দেৱৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছিল। সেই বুলি ৰাভা ডঃ শিৱনাথ বৰ্মণৰ ভাষাত—"অতীত কাতৰ বৈষ্ণৱ ভকত নাছিল" (ডঃ শিৱনাথ বৰ্মণ, নৱজাগৰণৰ প্ৰতীক বিষ্ণুৰাভা)। ৰাভাই সেই সময়ত ডঃ হীৰেণ-গোহাঁইৰ মতে— "অসমীয়া জাতিৰ অৱনতি আৰু দুৰ্দ্দশাৰ কাৰণ বিচাৰি পাইছে জাতীয় চেতনাৰ অৱলুপ্তিত। কীৰ্ত্তন, দশম, তথা জাতীয় সংস্কৃতিৰ পুনৰুদ্ধাৰৰ জৰিয়তে তেওঁ জাতীয় জাগৰণ সমাধা কৰিব বিচাৰিছে" (ডঃ হীৰেণ-গোহাঁই, বিষ্ণু ৰাভা আৰু অসমৰ জাতি সমস্যা) সেয়েহে ৰাভাই অসমৰ ডেকা সকলক শংকৰ-দেৱৰ আদৰ্শক গ্ৰহণ কৰিবলৈ আহবান জনাই গীত লিখিছিল —

অ' অসমীয়া ডেকা দল !
অ' অসমীয়া ডেকা দল !
আজি তোৰ তেজাল বদন মলিন কিয় হল ?
দুৰ্গম, নদ পাহাৰ গিৰি
লঙ্ঘিছিলে ডেকাগিৰি
সুন্দৰ শংকৰে লৰি কৰিছিলে তল।
দেখুৱাইছিল জগতজুৰি অসীম বাহুৰ বল,
সিও যে তোৰ নাইকীয়া হল।
কীৰ্ত্তন, দশম, নামঘোষা
হওক আমাৰ শৌৰ্য্য
নাট গীত নাম বৰগীত
হওক আমাৰ তূৰ্য্য
আহিঁ তেওঁ এই অসমৰ
হওক অসীম বীৰ্য্য
অসমীয়া, সমনীয়া আগবাঢ়ি যাওঁ বল।

শংকৰী কৃষ্টিকে ৰাভাই অসমীয়া জাতি গঠনৰ আহিঁ বুলিও ধৰি লৈছিল : "সচাঁকৈয়ে শংকৰদেৱ অসমৰ গুৰু, অসমীয়াৰ প্ৰাণ। আজি শংকৰৰ যি কোনো কৃষ্টি বা সাহিত্য বাদ দিলে অসমীয়াৰ মৃত্যু হব। শংকৰ নেথাকিলে অসমৰ একোৱে নেথাকে"। এই ক্ষেত্ৰত ডঃ হীৰেণ গোহাঁয়ে মত পোষণ কৰিছেঃ "শংকৰ দেৱৰ আদৰ্শ যিমানেই মহৎ নহওক জাগে জটিল আৰু চঞ্চল বিংশ শতাব্দীত ইয়াৰ উপযোগিতা কমি আহিছে" (ঐ)। উল্লেখযোগ্য যে ৰাভাই জীৱনৰ শেষৰ ফালে জাতীয়তাবাদী চিন্তা পৰিহাৰ কৰিছিল।

ত্ৰিশৰ দশকৰ শেষৰফালে অসমত বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সংগঠন গঢ়ি উঠি ১৯৫১/৫২ চন মানলৈ এই দলৰ সংগঠন প্ৰবল হয়। ৰাভাই চল্লিশৰ দশকৰ আৰম্ভণিতে বিপ্লৱী কমিউনিষ্ট পাৰ্টিত আৰু পঞ্চাশৰ দশকৰ মাজ ভাগত ভাৰতৰ কমিউনিষ্ট পাৰ্টিত যোগ দিয়ে। কমিউনিষ্ট পাৰ্টিত যোগদান কৰাৰ পিছত ৰাভাৰ আদৰ্শৰ পৰিবৰ্ত্তন ঘটিল। এইবাৰ ৰাভাৰ ওপৰত পৰিল মাৰ্ক্সীয়, লেনিনীয় আদৰ্শৰ প্ৰভাৱ। এই আদৰ্শৰ অনুগামী হোৱাৰ পিছত গণশিল্পী হেমাংগ বিশ্বাসৰ আগত কৈছিল যে মাৰ্ক্সবাদ আৰু লেনিনবাদৰ অধ্যয়নে তেওঁৰ অশান্ত আৰু অস্থিৰ জীৱনলৈ সাগৰ সঙ্গমৰ পূৰ্ণতা আৰু দৃঢ়তা কঢ়িয়াই আনিলে। কমিউনিষ্ট পাৰ্টিত যোগদান কৰাৰ পিছত ৰাভাই আগৰ দৰে গীত লিখিবলৈ এৰি নতুন ধৰণে গীত লিখিবলৈ আৰম্ভ কৰিলে —

ব'ল ব'ল ব'ল ব'ল
কৃষক-শক্তি দল
অ' বনুৱা সমনীয়া
আগবাঢ়ি যাওঁ ব'ল।

তেওঁৰ বিপ্লৱী পৰ্য্যায়ৰ গীতত 'অসমীয়া' নহয়, 'বনুৱা'হে সমনীয়া। এতিয়া তেওঁৰ গান হল শ্ৰমিক-কৃষকক জগাই তোলাৰ গান —

জাগ্, জাগ্, জাগ্, জাগ্
মজদুৰ ন-জোৱান
নিৰ্য্যাতিত নিপীড়িত
কৃষক শক্তিমান।

শ্ৰমিক কৃষকক আত্ম সচেতন কৰি তুলিবৰ কাৰণে ৰাভাই গীত লিখিলে —

তোৰ বাহুতে আছে লুকাই
অসীম শক্তি বল
ৰণৰ শিঙা বাজে শুন ঐ
আগবাঢ়ি যাওঁ ব'ল।



ৰাভাই সঠিক ভাৱেই বুজিছিল যে প্ৰগতিৰ বাটত ধনী মহাজন, জমিদাৰ প্ৰচণ্ড বাধা। সেয়েহে ধনী মহাজন, জমিদাৰক সাৱধান বাণী শুনালে —

দুখীয়াৰ কলিজা নিঙাৰি লৱ,
টুপি টুপি তেজ শুহি শুহি পিৱ,
কুকি কুকি মাংস চোৱাই খাৱ,
ছুচিয়াৰ, ছুচিয়াৰ ধনী মহাজন,
জমিদাৰ ছুচিয়াৰ।

চল্লিশৰ দশকৰ পিছত ৰাভাৰ যেতিয়া সাম্যবাদী চিন্তালৈ মানসিক উত্তৰণ ঘটিল তেতিয়াৰ পৰা তেওঁ অসম, অসমীয়াৰে কথা নকৈ সৰ্বভাৰতৰ কথা এজন সমাজ তান্ত্ৰিক নাগৰিক হিচাপে কবলৈ আৰম্ভ কৰিলে। এতিয়া অসমী জননীৰ লগতে ভাৰতী জননীৰো গুণ গান কৰিব ধৰিলে—

আই মোৰ ভাৰতী জননী
লখিমী, দুখুনী
ভাৰত বাসীৰ হৃদয়ৰে ৰাণী ;
মোৰ পৰাণৰ
মোৰ জীৱনৰ
চেনেহী গোসাঁনী।

সাম্যবাদী আদৰ্শৰ অনুগামী হিচাপে মাৰ্ক্সীয় আদৰ্শৰ দৃষ্টিকোণৰ পৰাই ৰাভাই অসমৰ জাতি সমস্যাৰ সমাধান বিচাৰিছিল। কোৱা হয় ৰাভাই জাতি সমস্যাৰ বিষয়ে অধ্যয়নো কৰিছিল বিস্তৰ। ৰাভাই যিকোনো জাতি-জনজাতিৰ সৈতে মিলিও যাব পাৰিছিল সহজেই। ডঃ অমলেন্দু গুহই লিখিছেঃ "নেপালীইঁতে তেওঁক (ৰাভাক) নেপালী বুলি ভাবিছিল, কছাৰী সকলে ভাবিছিল তেওঁক কছাৰী বুলি আৰু মৰেই ভাবিছিলো তেওঁক এজন খাটি বঙালী বুলি" (সৈনিক শিল্পী বিষ্ণু প্ৰসাদ ৰাভা)। জাতি সমস্যাৰ ক্ষেত্ৰত ৰাভাৰ মনোভাৱ স্পষ্ট আছিল। তেওঁ জনজাতীয় সকলৰ 'আছুতীয়া' মনোভাৱক যিদৰে সমৰ্থন কৰিছিল সেইদৰে বৃহৎ জাতিৰ 'দাদাগিৰি' মনোভাৱকো তেওঁ সমৰ্থন নিদিছিল। ৰাভা আছিল সমন্বয়ৰ সাধক। ৰাভাই বড়ো কৃষ্টি নামৰ নিবন্ধত লিখিছেঃ "এটা জাতিৰ লগত আন এটা জাতিৰ মিলন হবলৈ হলে পৰস্পৰৰ ভিতৰত উভয়ৰ বিষয়ে জ্ঞান থকা উচিত"। ৰাভাই 'বৰ অসম' বোলা নিবন্ধত অসমৰ ভাষা আৰু জাতি-সমস্যাৰ সমাধান দাঙি ধৰি কৈছিলঃ "অসমৰ অত্যাচাৰিত আৰু অৱনত জাতি সমূহক আন আন উন্নত জাতিৰ একে আসনত ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজ নেতা সকলে এতিয়াৰ পৰা চেষ্টা কৰা উচিত। তাকে নকৰিলে অৱনত জাতি সমূহৰ বুকুত বিদ্ৰোহৰ অগনি জ্বলাই আৰু এটা অসমত গৃহকন্দলৰ বাহঁ সাজি দিয়া হব" বিষ্ণুপ্ৰসাদ ৰাভাৰ মনত আমি অসমবাসী সকলোৱে লুইতপৰীয়াঃ

"বুঢ়া লুইত ! আই অসমীৰ জনমৰ কালৰ পৰা তই বৈ আছ আৰু বৈ থাকিবিও। আজি কৈ যা, সমিধান দি যা অসমীৰ মৌ-সনা সৌৰৱণি" ( বাঁহী, বিহু সংখ্যা )

"অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সাহিত্য ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু বিৰাট। সৰু

সৰু নিজৰা নৈ, উপনৈৰ সমন্বিত শ'কতিৰ দ্বাৰা যেনেকৈ ব্ৰহ্মপুত্ৰই তাৰ বিশালতা আৰু বিৰাটতা লাভ কৰিছে ঠিক তেনেকৈ অসমৰ বহু জাতি, উপজাতি আৰু জনজাতিৰ কৃষ্টি, সংস্কৃতি আৰু সাহিত্যত বিশালতা আৰু বিৰাটতা লাভ কৰিছে" (তেজপুৰত সাহিত্য সভা ভৱনৰ আধাৰশিলা স্থাপন উপলক্ষে ১৯৬৯ চনত ৰাভাৰ ভাষণ) প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে শ্ৰেণীহীন, শোষণহীন সমাজ গঢ়িব বিচৰা ৰাভাই এই কথাও বুজি পাইছিল যে শাসক, শোষকেও নিজ স্বাৰ্থ ৰক্ষাৰ বাবে সুচতুৰভাৱে চেষ্টা কৰিব পাৰে: "বাৰে বাৰে জাতিৰ নামত চুৰি ডকাইটিৰ খেল— বৰ্জ্জাতৰ দলে পাতে জালিয়তী মেলা)"

জীৱনৰ শেষলৈকে বিষ্ণুপ্ৰসাদ ৰাভা নিজ আদৰ্শত অটল আছিল বুলি কব পাৰি। চীন ভাৰত সংঘৰ্ষৰ সময়ত ৰাভাক অপমান কৰি বৰ চোৰৰ দৰে কঁকালত জৰীৰে বান্ধি নিয়াৰ সত্বেও তেওঁ আদৰ্শ ত্যাগ কৰা নাছিল। সেইদৰে ৰাভাই এখন হাতত শানিত অস্ত্ৰ অন্যখন হাতত কলম ধাৰণ কৰি সমাজতন্ত্ৰ বিচাৰি যেতিয়া বিপ্লৱৰ পথেৰে আগুৱাই গৈছিল, যিটো কাৰণত চৰকাৰে ১০ হেজাৰ টকা ৰাভাৰ মূৰৰ ওপৰত ঘোষণা কৰিছিল তেতিয়াও ৰাভাই আদৰ্শ পৰিহাৰ কৰা নাছিল। 'কপিহাৰ বিহুতলি'ৰ ভাষণক ৰাভাৰ আদৰ্শৰ দলিল আখ্যা দিব পাৰি, য'ত তেওঁ নিজক "ৰাইজৰ চৰণৰ ধূলি, এই নিঃকিনজন" বুলি উল্লেখ কৰিছে, য'ত তেওঁ দ্বিধাহীন ভাৱে ঘোষণা কৰিছে যে ধনী জমিদাৰ, হাকিম, পুঁজিপতি, চাহ বাগানৰ মালিক আদি "অসমীয়া নহয়, আৰু ভাৰতীয় নাগৰিকো নহয়। পৃথিৱীৰ আন আন দেশৰ সেই একে শোষক সম্প্ৰদায়ৰ তেওঁলোক যাৰ জাতি নাই, দেশ নাই কেৱল সুবিধাবাদী, মুনাফাখোৰ, চোৰাং বেপাৰী। ৰাভাৰ বাবে গণজীৱন আছিল 'গণপতি গনেশ'। লোকায়িত দৰ্শনৰ দৃষ্টিৰে 'গনেশৰ' ব্যাখ্যা দাঙি ধৰি কৈছে,— মানৰ সমাজত গণপতি আন একোৱেই নহয়— স্বয়ং জনগণ আৰু সেই জনগণেই গণপতি! গতিকে গণপতি, কাৰণ স্বয়ং জনগণেই ঈশ বা ঈশ্বৰ, গনেশ, গণেশ্বৰ। এই গণশক্তিক সেৱা কৰা আৰু জাগ্ৰত কৰি তোলাই আছিল ৰাভাৰ জীৱনৰ লক্ষ্য।

ইমানতে বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱনাদৰ্শৰ ওপৰত কৰা বিচাৰ বিশ্লেষণৰ অন্ত পেলাব বিচাৰিছো। আমাৰ দৰে সীমাবদ্ধ জ্ঞানৰ মানুহৰ পক্ষে ৰাভাৰ আদৰ্শৰ নিৰ্মোহ, বৈজ্ঞানিক বস্তুনিষ্ঠ বিশ্লেষণ দাঙি ধৰাটো খুবেই কঠিন। সেইদৰে ৰাভাৰ সৃষ্টি কৰ্ম্মৰ ওপৰত মন্তব্য দিয়াটো আৰুহে কঠিন। আমি যি কৰিছো সেয়া আমাৰ সাধ্যমতেহে। পৰিশেষত কওঁ বিষ্ণু প্ৰসাদ ৰাভাৰ সপোন শোষণহীন, শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠা আমাৰ দেশত এতিয়াও সুদূৰ পৰাহত হৈ আছে। আমি আশা কৰিছো বিষ্ণু প্ৰসাদ ৰাভা অসমৰ নতুন প্ৰজন্মৰ বাবে আদৰ্শ হৈ ৰওক,— আৰু তেওঁৰ সমাজতন্ত্ৰৰ বাবে সংগ্ৰামৰ ইতিহাস গৈ আকৌ শুদ্ধ পথেৰে জনগণক জগাই তোলক। ★



# আশ্চৰ্য্যৰে ভৰপূৰ কিতাপখন

— পূৰবী বেজবৰুৱা
স্নাতক প্ৰথম বাৰ্ষিক

পৃথিৱীৰ বিভিন্ন ৰেকৰ্ড : সন্নিবিষ্ট কৰি শেষত বিক্ৰীৰ ক্ষেত্ৰত নিজেই ৰেকৰ্ড সৃষ্টি কৰা এখন কিতাপ নাম "গিনিজ বুক অৱ ৰেকৰ্ডছ" ইয়াত পৃথিৱীৰ সকলো বিচিত্ৰ ৰেকৰ্ড সন্নিবিষ্ট কৰা হয়। এই কিতাপখনত কি ৰেকৰ্ডৰ উল্লেখ আছে তাক প্ৰশ্ন কৰাতকৈ কি নাই সেইটোহে প্ৰশ্ন কৰিবলগীয়া বিষয়। যেনে—পৃথিৱীৰ আটাইতকৈ ওখ আৰু চাপৰ মানুহজন, কাৰ চুলি আটাইতকৈ দীঘল, কাৰ নখ সকলোতকৈ দীঘল, কোন সাতবাৰ বজ্ৰপাত পৰাৰ পাছতো জী আছে, কোনে দহখন চাই'কেল খাইছিল এনে ধৰণৰ আটাইবোৰ কথাই এই কিতাপখনত পোৱা যায়। বিভিন্ন ৰেকৰ্ড সংগ্ৰহ কৰি এই কিতাপখন আজি বিক্ৰীৰ ক্ষেত্ৰত নিজেই এক ৰেকৰ্ড হৈ পৰিছে। এই কিতাপখনৰ নতুন সংস্কৰণৰ এটা থাক যদি কিতাপৰ দোকানত উলিওৱা হয়, ই তৎক্ষণাত বিক্ৰী কৰি শেষ হৈ যায়। পৃথিৱীৰ বেছিভাগ প্ৰধান ভাষালৈকে এই কিতাপখন অনূদিত হৈছে।

এই কিতাপখনৰ জন্ম কাহিনীটোও বৰ বিস্ময়কৰ। আজিৰ পৰা প্ৰায় চল্লিশ বছৰৰ আগিতে এই কিতাপখনৰ প্ৰথম সংস্কৰণটো প্ৰকাশ হৈছিল। ইংলেণ্ডৰ চাহাববিলাকৰ কিছুমান অদ্ভূদ ধৰণৰ চখ থাকে। তেওঁলোক সাধাৰণতে নানাধৰণৰ কামতেই ব্যস্ত থাকে। এনে এজন চাহাব আছিল চাৰ হিউ বীভাৰ (Sir Hugh Beaver)। তেওঁৰ চখ আছিল চিকাৰ কৰা। আমাৰ দেশৰ মানুহবোৰে যেনেকৈ দেওহাঁহ, বনৰীয়া কুকুৰা আদি বিশেষ চৰাই মাৰিবলৈহে আগ্ৰহ কৰে, ঠিক তেনেকৈয়ে ইংলেণ্ডৰ চাহাবসকলৰ স্বভাৱো আছিল একেই। যদি তেনে কোনো বিশেষ চৰাই মাৰিব নোৱাৰে তেন্তে তেওঁলোকে নিজৰ নজৰক ধিকাৰ দি বেজাৰ মনেৰে ঘৰলৈ ঘূৰি আহে।

সেই সময়ত ইংলেণ্ডত সোণালী ৰঙৰ প্ল'ভাৰ (Plover) চৰাইবোৰ বৰ বিখ্যাত আছিল। আৰু এইবোৰ ইউৰোপৰ আটাইতকৈ বেগী চৰাই বুলি জনাজাত আছিল। চিকাৰীবোৰে বিশেষকৈ এইবিধ চৰাই মাৰিবলৈহে আগ্ৰহ প্ৰকাশ কৰিছিল।

এবাৰ চাৰ হিউ বীভাৰে ১৯৫১ চনৰ নবেম্বৰ মাহৰ কোনোবা তাৰিখ এটাত আয়াৰলেণ্ডৰ দক্ষিণ পূবৰ হাবি এখনত দলবল লৈ

সোমাললগৈ সোণালী প্ল'ভাৰ চিকাৰ কৰাৰ ইচ্ছাৰে। কিন্তু কেইবাটাও সোণালী প্ল'ভাৰ দেখিও এটাও মাৰিব নোৱাৰি বিফল মনোৰথ হৈ উভতি আহিল। বীভাৰৰ নিত্যনৈমিত্তিক এটা কাৰ্য্য আছিল বন্ধুবৰ্গৰ লগত সান্ধ্য ক্লাবত মিলিত হোৱা। সেইদিনাও মিলিত হৈছিল বীভাৰ তথা তেওঁৰ বন্ধুবৰ্গ: সেই দিনাৰ আলোচনাৰ বিষয় আছিল— "সোণালী প্ল'ভাৰ।" এই বিষয়লৈ সিদিনা যথেষ্ট আলোচনা-বিলোচনা চলিল, যদিও তেওঁলোকে ঠাৱৰ কৰিব নোৱাৰিলে আচলতে সোণালী প্ল'ভাৰ ইউৰোপৰ আটাইতকৈ বেগী চৰাই হয়নে নহয়। বিষয়টো এটা সাঁথৰ হৈয়ে ৰ'ল।

সেইদিনাৰ আলোচনাৰ অন্ত হ'ল যদিও বীভাৰৰ মনত সেই বিষয়টোৱে সৃষ্টি কৰি থৈ যোৱা তুমুল আলোড়ণৰ অন্ত নহ'ল।

দুবছৰ মানৰ পাছত ইউৰোপৰ মানুহৰ মাজত প্ৰচাৰিত হ'ল যে আটাইতকৈ বেগী চৰাই সোণালী প্ল'ভাৰ নহয় "গ্ৰাউজ্জ" নামৰ এবিধ চৰাইহে। যদিও ইয়াৰ কোনো প্ৰামাণিক তথ্য নাছিল তথাপি কথাষাৰ প্ৰচাৰ হৈছিল। এই কথাষাৰ প্ৰমাণিত কৰিবলৈ বহুতো জোখ-মাখ কৰিবলগীয়া হয়। বিভিন্ন কিতাপ-পত্ৰত বিচাৰিও এই বিষয়ে একো উৱাদিহ পোৱা নগ'ল। কিন্তু বীভাৰ এই বিষয়ে সঠিক উত্তৰ উলিয়াবলৈ দৃঢ়প্ৰতিজ্ঞ হৈ ৰ'ল। তেওঁ একেটা কথাতে নেৰা-নেপেৰাকৈ লাগি থাকিল। তেওঁ লণ্ডন চহৰৰ আটাইবোৰ তথ্য সৰবৰাহ কৰা কোম্পানীটোৰ সহায় বিচাৰিলে। কিন্তু সেই কোম্পানীটোৱেও তেওঁক সন্তুষ্ট কৰিব পৰা কোনো তথ্যৰ যোগান ধৰিব নোৱাৰিলে। অৱশেষত তেওঁ নিজেই এটা অফিচ পাতি ল'লে আৰু পূৰ্ণোদ্যমে কাম আৰম্ভ কৰিলে। ইয়াৰ ফলস্বৰূপেই বিভিন্ন ৰেকৰ্ডেৰে ভৰপূৰ গ্ৰন্থ "গিনিজ্জ বুক অৱ ৰেকৰ্ডছ" ৰ জন্ম হয়। এই কিতাপখনৰ প্ৰথম সংস্কৰণটো হ'ল ১৯৮ পৃষ্ঠাৰ। প্ৰথম সংস্কৰণতো ছপাশালৰ পৰা ওলাই আহিল ১৯৫৫ চনৰ সাতাইশ আগষ্ট তাৰিখে।

ইংলেণ্ডৰ পৰা ইয়াৰ মাত্ৰ প্ৰথম সংস্কৰণটোহে ওলাল; কিন্তু দ্বিতীয় সংস্কৰণটো ওলাল নিউইয়ৰ্ক চহৰৰ পৰা।

এই কিতাপ খন বিক্ৰীৰ ক্ষেত্ৰত এটা ৰেকৰ্ড হৈ পৰিছে। ইয়াৰ দুটামান ৰেকৰ্ড ইয়াত উল্লেখ কৰা হ'ল।

১৯৭৪ চনত এই কিতাপ খনৰ বিক্ৰীৰ সংখ্যা আছিল ২৩৯ লাখ। ১৯৮৮ চনত এই সংখ্যা হ'লগৈ ৬ কোটি। বিশ্বৰ কোনো এখন কিতাপেই আজিলৈকে ইমান বিক্ৰী হোৱা নাই।

এই কিতাপত সন্নিৱিষ্ট কিছুমান ৰেকৰ্ড হ'ল— পৃথিৱীৰ বৃহত্তম বন্ধা কবিটোৰ ওজন ৫৪ কিলো গ্ৰাম।

ভাৰতৰ শকুন্তলা দেৱী মানৱ কম্পিউটাৰ নামেৰে জনাজাত। এই শকুন্তলা দেৱীৰ কথাও এই কিতাপত উল্লেখ আছে। ১৯৮০ চনৰ ২০ জুন তাৰিখে এওঁ লণ্ডনত ১৩ টা সংখ্যাৰ পূৰণফল এটা মাত্ৰ ২৮ ছেকেণ্ডতে উলিয়াইছিল। এই পূৰণটো আছিল ৭৫৮৬৩৬৯৭৭৪৮৭০ × ২-৪৬৫০৯৯৭৪৫৭৭৯ ইয়াৰ উত্তৰটো ১৮৯৪৭৬৬-৮১৭৭৯৯৫৪২৬৪৬২৭৭৩৭৩০।



মিছ মাৰ্থা নেলছন নামৰ মানুহ গৰাকী ১৮৭৬ চনৰ পৰা ১৯৭৫ চনলৈ ৯৯ বছৰ হস্পিতালত আছিল।

আন এজন ব্যক্তি ৰয়ছি ছুলিভানৰ গাত ১৯৪২, ১৯৬৯, ১৯৭০, ১৯৭২, ১৯৭৩, ১৯৭৬ আৰু ১৯৭৭ চনত মুঠতে সাতবাৰ বজ্ৰপাত পৰা স্বত্বেও জীৱিত আছিল।

ভাৰতৰ লতা মংগেশকাৰে ৩০০০০ৰো অধিক গীত গায় বিশ্ব ৰেকৰ্ড প্ৰতিষ্ঠা কৰিছে।

পৃথিৱীৰ আটাইতকৈ দীঘল চিনেমা খন হ'ল "দি কিউৰ ফৰ ইনছ'মনিয়া"। ৮৫ ঘণ্টাৰ এই চিনেমা খন ১৯৮৭ চনত নিৰ্মাণ কৰা হৈছিল।

এলবাৰ্ট স্মিমাছে ৩২ বছৰত মুঠতে ১৬৯৪৫ খন চিনেমা চাইছিল।

মেকছবেক নামৰ মানুহজনে ১২·৪ কিলো-গ্ৰাম ওজনৰ একলাখ মৌ-মাখি গাত লৈ ফুৰি বিশ্ব ৰেকৰ্ড প্ৰতিষ্ঠা কৰে।

সচাঁকৈয়ে এই কিতাপ খন কিমান আচৰিত! এনে কোনো বিশ্ব ৰেকৰ্ড নাই যি এই কিতাপ খনত অন্তৰ্ভূক্ত হোৱা নাই। ইংৰাজী ভাষাত প্ৰতি বছৰে এই কিতাপ খনৰ দুটা সংস্কৰণ প্ৰকাশ হয়। এটা পকা-বন্ধা ৰঙীন ছবিৰ আৰু আনটো কেঁচা বন্ধা ক'লা-বগা ছবিৰ। ★

## অমৃত বাণী

☆ সুস্থ দেহত সুস্থ মনৰ বিকাশ কৰাই শিক্ষাৰ উদ্দেশ্য— **এৰিষ্টটল,**

★ তুমি নোপোৱা বস্তুৰ বাবে অসন্তোষ নকৰিবা আৰু যি পাইছা তাকো লৈ অহংকাৰ নকৰিবা— **কোৰাণ শ্বৰিফ,**

**সংগ্ৰাহক : লোহিত সন্দিকৈ**
স্নাতক তৃতীয় বৰ্ষ

# জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিপ্লৱী চিন্তাধাৰা ঃ

— বিজু বৰঠাকুৰ
স্নাতক তৃতীয় বাৰ্ষিক

জ্যোতিপ্ৰসাদৰ জীৱনটোৱেই এটা বিপ্লৱ। নৱৰংগৰ বংশজাত, লুইত পৰীয়া ডেকা জ্যোতিপ্ৰসাদৰ জীৱনালেখ্য বিশ্লেষণ কৰি চালে দেখা যায়, শোষিত নিষ্পেষিত জনগণক জীয়াই ৰখাৰ সৰল দাবী কৰিবলৈ, জীৱনৰ অস্তিত্বক সুস্থ সৰল কৰি গঢ়ি তুলিবলৈ জ্যোতিপ্ৰসাদেই প্ৰেৰণা যোগালে। হাজাৰ হাজাৰ বছৰ ধৰি শোষণ নিষ্পেষণৰ বলি হৈ অহা অসমৰ সৰল প্ৰাণৰ জন- সাধাৰণক নিষ্পেষণৰ বন্দিশাল অন্ধকাৰৰ পৰা মুক্তিৰ প্ৰভাতলৈ জ্যোতি প্ৰসাদেই আগবঢ়াই দিলে। শোষণ আৰু নিষ্পেষণৰ বিৰুদ্ধে জ্যোতিপ্ৰসাদৰ মনৰ যি ক্ষোভ সেই ক্ষোভক অসমীয়াৰ অন্তৰত বোৱাই দি ইয়াৰ বিৰুদ্ধে বিপ্লৱৰ অংকুৰ ৰোপন কৰিছিল। কিন্তু এই বিপ্লৱ সাময়িক সমস্যা সমাধানৰ বাবে কৰা সাময়িক আবেগিক বিপ্লৱ নহয়। জ্যোতিপ্ৰসাদৰ বিপ্লৱ মানৱীয় সনাতন প্ৰমূল্যক ৰূপান্তৰ কৰা এক উচ্চতৰ বিপ্লৱ।

এইজন মহান কলাকাৰৰ জন্ম হয় পৰমানন্দ আগৰৱালা আৰু কিৰণময়ী আগৰৱালাৰ ঔৰষত ১৯০৩ চনত, ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিছাত। বিপ্লৱী মনিষীৰ ৰূপত জ্যোতিক অংকিত কৰিব খুজিলেও প্ৰকৃততে তেওঁ এজন বহুমূখী প্ৰতিভাৰে প্ৰতিভাত শিল্পীহে। এজন পুৰুষৰ গাত যিবোৰ লক্ষণ থাকিব লাগে, জ্যোতিৰ গাত তেনেকুৱা বহুত গুণ আছিল।

লুইত পৰীয়া ডেকা জ্যোতি প্ৰসাদেই লুইতৰ ইমূৰৰ পৰা সিমূৰলৈ বৈপ্লৱিক চেতনাৰে সৰৱ প্ৰতিধ্বনি তুলি দীপ্ত কণ্ঠেৰে কৈছিল—

এহাতেৰে মই
বগা পদুমেৰে
পূজা কৰোঁ সুন্দৰৰ
আনটি হাতেৰে
চলাই অস্ত্ৰ
ৰোধ কৰি যাওঁ
অবিচাৰ যত; অত্যাচাৰ যত
কদৰ্য্য অসুৰৰ স্বাৰ্থান্ধ মানুহৰ
পৃথিৱীলৈ অহা নতুন
আলোক
ভেটা দিয়া বৰ্বৰৰ।

এইদৰেই জ্যোতি প্ৰসাদে অসমীয়া জনসাধাৰণৰ জীৱনৰ অস্তিত্বক স্বীকাৰ কৰিবলৈ শিকালে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সৰল অসমীয়া মানুহে জ্যোতি প্ৰসাদৰ বৈপ্লৱিক চেতনাক অন্তৰৰ মাজত উপলব্ধি কৰিবলৈ শিকিলে। বিদেশৰ পৰা ঘূৰি অহাৰ পিছত জ্যোতিপ্ৰসাদৰ চিন্তা, চেতনা আৰু কৰ্মত নিভাঁজ অসমীয়া জাতীয় ঐতিহ্যক দেখি বিষ্ণুপ্ৰসাদ ৰাভাই কৈছিল— "বিলাতত ইমান বছৰ; অথচ সেই সুৰবোৰত সেই গানবোৰত বিজতৰীয়া ছাব নাই, আছে জতুৱা ঠাঁচ।" ৰাভাদেৱে কৰা মন্তব্যৰ পৰাই সহজে অনুমান কৰিব পাৰি যে, জ্যোতি প্ৰসাদে অসমীয়া সংগীত কলাত বিপ্লৱ আনিব খুজিছিল ঐতিহ্যৰ ভেটিতহে; ঐতিহ্যক অস্বীকাৰ কৰি নহয়। অসমীয়া সংগীতৰ সুৰৰ মৌলিকতাক চুবুৰীয়া বাঙালী গীতৰ সুৰৰ অন্ধ অনুকৰণে ম্লান কৰি এটা বিজতৰীয়া সুৰ সৃষ্টি কৰাৰ সংকট কালতে জ্যোতিপ্ৰসাদে বিপ্লৱী ভূমিকা নোলোৱা হ'লে অসমীয়া সুৰৰ ইতিহাস হয়তো সিমানতে স্তব্দ হৈ ৰ'ল হেতেন।

জ্যোতিপ্ৰসাদ আছিল জনমানসৰ শিল্পী শিল্প সাধনাৰ জৰিয়তে জনসাধাৰণৰ মুক্তিৰ কণ্টকহীন পথ ৰচি দিয়াটোৱেই তেওঁ বিচাৰিছিল। সেয়ে তেওঁৰ জীৱনত শিল্প আৰু বিপ্লৱক পৃথক দৃষ্টিভংগীৰে চাব নোৱাৰি। শৈশৱতে গজালি মেলা তেওঁৰ বিপ্লৱী মনটোৱে ঠন ধৰি উঠিছিল। সাহিত্য-সংস্কৃতিত আৰু তাৰেই ফলশ্ৰুতিত ই কৈশোৰতে ৰাজনৈতিক জীৱনত বিপ্লৱৰ ৰেখাপাত কৰিছিল। এগৰাকী অতন্দ্ৰ বিপ্লৱী শিল্পী হিচাপে জ্যোতিপ্ৰসাদে অসমৰ বাদ্যযন্ত্ৰতো বিপ্লৱ আনিছিল।

জ্যোতিপ্ৰসাদে কৈছিল ডেকাৰ অন্তৰত যি বিপ্লৱৰ জুই জ্বলা নাই সি আজিৰ যুগৰ ডেকা হবই নোৱাৰে। ৰজাৰ অন্যায়, আইনৰ অন্যায়, দেশৰ অন্যায়, দেশৰ চলি থকা অন্যায়, নিয়ম কানুন, মূৰ্খ-সমাজৰ, সংকীৰ্ণ মনৰ মানুহৰ নিৰপৰাধী নিমাখিতৰ ওপৰত অন্যায় অত্যাচাৰৰ বিৰুদ্ধে নিজৰ জীৱনকো দি যি ডেকাৰ থিয় দিবলৈ মনত বল নাই, বুকুত শক্তি নাই, সি আজিৰ ডেকা হবই নোৱাৰে। জ্যোতিপ্ৰসাদৰ এই শেষাত্মক উক্তি এক গভীৰ তত্বনিহিত হৈ আছে। সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰিবলৈ হলে সাংস্কৃতিক বিপ্লৱ গঢ়ি তুলিবই লাগিব। সংস্কৃতিৰ পূৰ্ণ বিকাশতহে মানুহৰ জীৱনৰ পৰম আনন্দ লুকাই থাকে। জ্যোতিপ্ৰসাদৰ ভাষাৰে সুন্দৰৰ পূজাই হ'ল কৃষ্টি বা সংস্কৃতি। সংস্কৃতিৰ অবিহনে আমাৰ পৰিচয় অমূৰ্ত্ত। আনহাতেদি আমাৰ প্ৰধান শত্ৰু হ'ল দুস্কৃতি। সেয়ে সাংস্কৃতিক বিপ্লৱৰ জোৱাৰ আনিবলৈ, বাস্তৱত ৰূপ দিবলৈ হলে বাধা আহি পৰিবই, ই সত্য। কিন্তু সেই বাধা অতিক্ৰম কৰি সফলতা আনিব পৰাটোতহে কীতৃত্ব ৰেছি। সেয়ে যুৱক সমাজক এনে বাধাৰ বেহু ভাঙি ওলাই আহিবলৈ উদাত্ত কণ্ঠেৰে তেওঁ চিঞৰি আহ্বান জনাইছিল—

সাজু হ সাজু হ নজোৱান
হৈ কৰিব লাগিব অগ্নিস্নান।

সঠিক নেতৃত্ববিহনে সমাজলৈ পৰিবৰ্ত্তন আনিব নোৱাৰি অথবা পৰিবৰ্ত্তন আহিব বুলি আশা কৰিব নোৱাৰি। সময়ৰ আহ্বানত কেতিয়াবা নেতৃত্বৰ মূৰব্বীয়ে সময়ৰ প্ৰতিশ্ৰুতিবোৰ পাহৰি অন্যায়ৰ পথত ভৰি দিয়ে। চক্ৰান্তকাৰীৰ গৰাহত পৰিও তেওঁলোক ভাগি পৰে। এনে এক সন্ধিক্ষণত জনতাক সেই

নেতৃত্ব লৈ আগবাঢ়ি আহিবলৈ অনুপ্ৰেৰণা দি গাইছে—

পুৰোহিতো যদি থিতাতে আঁতৰি
ত্ৰাসতে মূৰ্চ্ছা যায়,
আমি আগবাঢ়ি ডিঙি পাতি
তেজেৰে বলিশাল যাম বোলাই।

জ্যোতিপ্ৰসাদৰ এনে এক অগ্নিস্ফুলিংগ ভাৱৰ গীতেৰে জনতাক আগুৱাই লৈ যোৱাত যথেষ্ট গুৰুত্ব আছে। ১৯২১ চনত। গান্ধীজীৰ নেতৃত্বত সমগ্ৰ দেশ জুৰি আৰম্ভ হয় অসহযোগ আন্দোলন। পৰাধীনতাৰ শৃঙ্খলেৰে শৃঙ্খলিত কৰি দেশ মাতৃক সোধন কৰা ইংৰাজ শাসন গোষ্ঠীৰ বিৰুদ্ধে প্ৰথম ক্ষোভ প্ৰকাশ পালে। জ্যোতিৰ অন্তৰতো স্বদেশ প্ৰেমৰ দাবানল জ্বলি উঠে। তেজপুৰ অঞ্চলৰ শান্তিসেনাৰ তত্বাৱধায়ক হৈ অসমৰ আকাশে বতাহে বিপ্লৱৰ ঢৌ সিচিঁ গৈছিল। তাৰ পিছত আহিল ১৯৩০ চন। বিদেশৰ পৰা আহি জ্যোতিপ্ৰসাদে পুনৰ স্বাধীনতাৰ আন্দোলনত যোগ দিয়ে। চাওঁতে চাওঁতে স্বাধীনতাৰ শেষ সংগ্ৰাম বিয়াল্লিছৰ গণ বিপ্লৱৰ অগ্নিশিখা দপ্ দপাই জ্বলি উঠে। গাৱেঁ-ভূঞে নগৰে চহৰে অবিৰত যাত্ৰাৰে জ্যোতিয়ে প্ৰজ্বলিত কৰে এই অগ্নিশিখা নৃত্য গীত কবিতাতো তেওঁ বৈপ্লৱিক বিদ্যুৎ-প্ৰবাহ বোৱাই দিলে—

"কোন কোন আহিছা আইক পূঁজিবলৈ
আইৰ পূজা বেজি হল"—

জনতাৰ বন্ধু হেম বৰুৱাৰ নিৰ্দেশত সেনা শান্তি বাহিনীৰ অধিনায়ক গ্ৰহণ কৰি ২য় মহাযুদ্ধৰ সাম্ৰাজ্যবাদী প্ৰচেষ্টাত সংগ্ৰামী জনতাক উদাত্ত কণ্ঠেৰে উদ্বুদ্ধ কৰি তুলিছিল জ্যোতিয়ে। স্বদেশানুভূতিৰ তাড়নাত তেওঁৰ মুখৰ পৰা ওলাই আহিছিল—

"লুইতৰ পাৰৰে আমি ডেকা লৰা
মৰিবলৈ ভয় নাই"

লুইতপৰীয়া ডেকা-গাভৰুক বিপ্লৱৰ অগ্নিত জপিয়াই পৰিবলৈ জ্যোতিপ্ৰসাদৰ এনে তেজস্বী কণ্ঠৰ গীততকৈ আৰু একোৰে প্ৰয়োজন নাছিল। স্বদেশ স্বাধীনতাৰ দাবী জ্যোতিপ্ৰসাদৰ উদাত্ত কণ্ঠৰ নিৰ্ভীক আহবানত সকলো অসমীয়াই একে পথে আগুৱাই আহিছিল। জ্যোতিয়ে বিপ্লৱী মহামন্ত্ৰেৰে জনসাধাৰণৰ কাষলৈ এই-দৰেই গৈ থাকিল। আগৰৱালা দেৱক পথ নিৰ্দ্দেশক হিচাপে লৈ জনগণেও আগুৱাই গল মুক্তিৰ পথত। গণ চেতনাই জ্যোতিৰ অন্তৰ চিন্তাধাৰাত এক প্ৰচণ্ড অনুকৰণৰ সৃষ্টি কৰিছিল। সেয়েহে জনৈক গণ সমাবেশত ভাষণ দিওঁতে জ্যোতিপ্ৰসাদে কৈছিল— "আমাৰ স্বাধীনতা আহিলেও মুক্তি অহা নাই"। সঁচা-কৈয়ে স্বাধীনতাৰ দুকুৰিবো অধিক বছৰ পূৰ্ণ হোৱাৰ পিছতো আজি পৰ্য্যন্ত আমাৰ স্বাধীনতা অহা নাই। কিন্তু জ্যোতিপ্ৰসাদে আজিৰ পৰা দুকুৰি বছৰৰ আগতেই অসমীয়াৰ স্বাধীনতাৰ কাৰণে সুখ স্বাচ্ছন্দ্য বিসৰ্জন দি আজীৱন সংগ্ৰাম কৰি গৈছিল। জ্যোতিয়ে কৈছিল মানুহৰ সমাজত যি অৰ্থনৈতিক অসামঞ্জস্যতাই সমাজৰ এভাগক সাংস্কৃতিক জীৱনৰ পৰা বঞ্চিত কৰি আপচুকে থৈছে, অসুন্দৰকৈ থৈছে সেই ভাগতো সৌন্দৰ্য্য নমাবলৈ মানুহৰ নৱতম সামাজিক ক্ষেত্ৰত সৌন্দৰ্য্য প্ৰয়াস



হৈছে সাম্যবাদ। গান্ধীবাদৰ আদৰ্শৰে অনু-প্ৰাণিত হৈ স্বাধীনতা আনিবলৈ যোৱা বিপ্লৱী জ্যোতি প্ৰসাদক ইয়াত মাক্সবাদ বা লেলিন-বাদৰ অভিমূখে যোৱা দেখা যায়।

শোষিত নিস্পেষিত অসমীয়া জনগণই জ্যোতিৰ বৈপ্লৱিক চেতনাৰ গইনা লৈ অস্তিত্বৰ প্ৰতি সচেতন হল। অসমৰ বায়ু পানী আহাৰ খাই জীৱন অতিবাহিত কৰি অসমকে শোষণ কৰি থকা বিলাকক অসমীয়াই চিনি পোৱা হল। শোষণৰ বলি শালত শ-শ বছৰ ধৰি আত্মজাহ যোৱা অসমীয়া জনসাধাৰণে শোষণৰ পৰা মুক্ত হবলৈ দাবী জনাব পৰা হল। এইদৰেই জ্যোতিয়ে প্ৰতিজন অসমীয়াৰ অন্তৰত জন্ম দিলে আত্ম চেতনাৰ। ঐতিহ্যৰ ভেটিতে আধুনিক চিন্তাৰে আৰু অভিনৱ সৃষ্টিশীলতাৰে বাস্তৱত কৰ্মৰে এটা আদৰ্শ প্ৰতিষ্ঠা কৰিব পৰা বিপ্লৱী বিৰল। এনে বিৰল সৃষ্টিশীল প্ৰতিভা জনিত সৃষ্টি কৰ্মৰ বাবেই জ্যোতিপ্ৰসাদ যুগান্তকাৰী বিপ্লৱী শিল্পী। ★

## মহৎ লোকৰ বাণী

★ যিয়ে কিছু পৰিমাণে হলেও আনৰ কথা নেভাবে তেওঁ জীয়াই থকাটো অৰ্থহীন।

— মণ্টেইন।

★ সাহিত্য সদায় সমাজ আৰু জীৱনৰ লগত জড়িত থাকে ই জীৱন আৰু সমাজক নকল নকৰে; কেৱল ইয়াৰ উদ্দেশ্যৰ ফালে ধাৱমান হয়।

— অস্কাৰ ৱাইল্ড

★ খং নকৰিবা নিজৰে সৰ্বনাশ হব, অহংকাৰ নকৰিবা পতন হব, কাকো ঘৃণা নকৰিবা নিজেই ঘৃণীত হবা।

— স্বামী বিবেকানন্দ

# ছোভিয়েট ৰিপাব্লিক গঠনত লেনিনৰ ভূমিকা

— ময়ূৰী বৰঠাকুৰ
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

বিশ্বৰ ইতিহাসত কেইবা শতিকাৰ পৰা বৰ্ত্তমানলৈকে আৱিৰ্ভাৱ হোৱা মহান বিপ্লৱী নেতা আৰু বৈজ্ঞানিক সকলৰ ভিতৰত লেনিন সৰ্বশ্ৰেষ্ঠ। আজিৰ এই বিশ্বত লেনিনৰ নাম নুশুনা মানুহ নাই। পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈকে এই মহান ব্যক্তিজনৰ নাম পৰিচিত। মানৱ জাতিয়ে আজীৱন কাল কৰা স্বপ্নক লেনিনেই পোন প্ৰথমে বাস্তৱত পৰিণত কৰিলে। বহুতো ডাঙৰ ডাঙৰ নেতাই বহুতো ভাল ভাল উপদেশ দিছিল কিন্তু সেই বিলাক কেতিয়াও বাস্তৱত পৰিণত কৰা নাছিল। কিন্তু এই সকলোৰে মাজত লেনিনেই আছিল ব্যতিক্ৰম তেওঁ মানৱ জাতিক যিদৰে কথা কৈছিল ঠিক সেইদৰে বাস্তৱতো ৰূপ দিছিল। লেনিন বৰ বেছি দিন জীয়াই থকা নাছিল। তথাপিতো যি কেইদিন জীয়াই আছিল সেই কেইদিনতে তেওঁ এখন নতুন জগত সৃষ্টি কৰিলে। লেনিনে সাধাৰণ শ্ৰেণীৰ মানুহৰ কাৰণে তেওঁৰ দুৰ্দিনীয়া জীৱনত বহুতো দুখ কষ্ট সহ্য কৰিব লগা হৈছিল। এই সকলো দুখ কষ্ট আওকাণ কৰিও তেওঁ নিজৰ কৰ্তব্য পথত আগবাঢ়ি শেষত সাফল্য লাভ কৰিছিল। লেনিনে নিজৰ দেশত আনিলে এক নতুন বিপ্লৱ আৰু সমাজ।

ছোভিয়েট দেশ বা সমাজলৈ যিসকল মহান নেতাই অৱদান দিছিল তাৰ ভিতৰত লেনিনেই সৰ্ব্বশ্ৰেষ্ঠ। লেনিনৰ অক্লান্ত পৰিশ্ৰমৰ ফলতেই ছোভিয়েট দেশ আজি এখন উন্নত, সভ্য আৰু সমৃদ্ধিশালী দেশ হিচাপে পৰিগণিত হৈছে। লেনিনেই ছোভিয়েটৰ ৰাষ্ট্ৰ সমাজৰ আমূল পৰিবৰ্তন আনিলে। পৃথিৱীৰ আটাইতকৈ মহান বিপ্লৱী, ছোভিয়েট ইউনিয়ণ কমিউনিষ্ট পাৰ্টিৰ প্ৰতিষ্ঠাতা সমাজতান্ত্ৰিক বিপ্লৱৰ নেতা, বিশ্বৰ প্ৰথম সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ প্ৰতিষ্ঠাতা আৰু শ্ৰমিক শ্ৰেণীৰ নেতা হল এই ব্লাদিমিৰ ইলিচ লেনিন।

মহামানৱ নেতা ব্লাদিমিৰ ইলিচ লেনিনে সমাজতান্ত্ৰিক বিপ্লৱৰ আৰু সমাজবাদী সমাজ গঠনৰ কিছুমান তত্ত্ব উত্থাপন কৰিছিল। লেনিনৰ এই তত্ত্বৰ দ্বাৰা শ্ৰমিক শ্ৰেণী শক্তিশালী হৈ উঠিছিল। লেনিনে এই নতুন শ্ৰেণীৰ দলটো সৃষ্টি কৰি তাৰ সংগঠন, ৰণনীতি, কৌশল থিৰ কৰিলে। তেওঁ শ্ৰমিক শ্ৰেণীৰ মাজত একতাৰ বান্ধ দৃঢ়ভাৱে গঢ়ি তুলিছিল আৰু আগ বঢ়াইছিল। লেনিনে সিবিলাকৰ সংগঠনত শ্ৰেষ্ঠ ৰূপ দিছিল। এইবিলাকৰ বাবেই ছোভিয়েট গণতন্ত্ৰ ক্ৰমে শক্তিশালী হৈ উঠিছিল। সংগ্ৰামৰ বাবে লেনিনে পিছপৰা শ্ৰেণীকে সচেতন কৰি তুলিছিল আৰু সংগঠনৰ যুক্তিসঙ্গত পথ দেখুৱাইছিল। কোনো এখন দেশৰ জনসাধাৰণৰ ঐক্য সচেতনতাৰ ওপৰত সেই দেশৰ বাস্তৱ পৰিস্থিতি আৰু শোষক শ্ৰেণী সমূহৰ শোষণ প্ৰতিৰোধ নিৰ্ভৰ কৰে। তেওঁ প্ৰমাণ কৰিলে যে কোনো এক বিপ্লৱ সংগ্ৰামৰ নেতৃত্ব দিব পৰা একমাত্ৰ শক্তি হল কৃষক আৰু চহৰৰ সৰ্ব্বহাৰা মানুহৰ লগত মিত্ৰতা স্থাপন কৰা। শোষণকাৰী সকলৰ বিৰুদ্ধে সংগ্ৰামত কমিউনিষ্ট সকলৰ বাবে লেনিনৰ প্ৰীতিসমূহ এক শক্তিশালী অস্ত্ৰ। লেনিনে পুৰুষ ও নাৰী সকলৰ মনত তেওঁলোকৰ কৰ্তব্যৰ প্ৰতি এটা সমাজতান্ত্ৰিক মনোভাৱ জগাই তুলিছিল আৰু ছোভিয়েট আইন কঠোৰ ভাৱে শিকাইছিল। নেতৃত্বত ছোভিয়েট জনগণে প্ৰেৰণা পাইছিল আৰু নতুন জীৱনৰ সপোন দেখিছিল। তেওঁলোকে লেনিনক অনুকৰণ কৰিয়েই পৃথিৱীৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ দেশ হিচাপে স্বীকৃতি লাভ কৰিব পাৰিব। তেওঁ শত্ৰু বিলাকৰ ষড়যন্ত্ৰক বশীভূত কৰি ছোভিয়েট জনগণ গৌৰৱৰ জয়মালা পিন্ধাইছিল। তেওঁৰ দ্বাৰা গঠন হোৱা ছোভিয়েট গণতন্ত্ৰৰ বিজয়ে সকলো জনসাধাৰণৰে তেওঁৰ প্ৰতি নিশ্চিত বিশ্বাস ফুটাই তুলিছিল। তেওঁ শ্ৰমিক শ্ৰেণীৰ বাবে স্কুল, কলেজ আৰু শিশুমঙ্গল কেন্দ্ৰ সমূহ স্থাপন কৰি তাৰ উন্নতিৰ হকে না না ব্যৱস্থা হাতত লৈছিল। তেওঁ কৈছিল যে জনশিক্ষা আগুৱাই নিয়াৰ বাবে ধন দিয়াত কোনোবাৰ আপত্তি থাকিব নালাগিব। তেওঁ যি শ্ৰেনীক সৃষ্টি কৰিছিল সেই শ্ৰেণীক তেওঁ বৈজ্ঞানিক প্ৰণালীৰে সজাইছিল। আৰু সমাজতন্ত্ৰৰ আদৰ্শমতে উপনীত হয় তাৰ বাবে তেওঁ সংসমাৰ নেতৃত্ব লৈছিল।

লেনিনৰ বলতেই চাইবেৰিয়াই আজি দোপত-দোপে উন্নতি কৰিব পাৰিছে। এই চাইবেৰিয়াতেই লেনিন নিৰ্ব্বাসিত হৈছিল আৰু সেই চাইবেৰিয়াই আজি লেনিনৰ নিৰ্দেশ অনুসৰি ৰূপান্তৰিত হৈছে। আজি ই তেল, তীখা, কাঠ, হীৰা, সোণ, লোৰ, আকৰ আৰু বৈদ্যুতিক শক্তিৰ প্ৰাচুৰ্যৰে ভৰা এক ভূখণ্ড। লেনিনে তেওঁৰ নিৰ্ব্বাসিত জীৱনত চাইবেৰিয়াৰ ভূখণ্ডৰ সপোন দেখিছিল। পৃথিৱীৰ ইউনেছিয়াৰ সৰ্ববৃহৎ জলবিদ্যুত কেন্দ্ৰটো তেওঁৱেই পোনপ্ৰথমে নিৰ্মাণৰ পৰিকল্পনা হাতত লৈছিল। লেনিনে ছোভিয়েট জনগণৰ ঐক্য আনি দিছিল। এই ঐক্য প্ৰচেষ্টাত তুষাৰবৃত চাইবেৰিয়াক লেনিনে সমৃদ্ধিশালী কৰি গঢ়ি তোলাৰ পৰিকল্পনা কৰিছিল। আজি আৰু চাইবেৰিয়াত সেই ৰবফৰ নিস্তব্ধতা নাই। তাৰ ঠাই গ্ৰহণ কৰিছে এখন সমৃদ্ধিশালী মনোৰম ঠাইয়ে। চাইবেৰিয়াকে লেনিনৰ স্বপ্নৰ প্ৰতিৰূপ বুলি কব পাৰি।

লেনিনৰ প্ৰতি চোভিয়েটবাসীৰ শ্ৰদ্ধা কিমান তাক অনুমান কৰিব পাৰি তেওঁলোকৰ কৰ্ত্তব্যৰ প্ৰতি সচেতনতা দেখি। তেওঁলোকে নিজৰ কৰ্তব্যৰ প্ৰতি সচেতন হৈ আৰু নিজৰ ভৰিৰ ওপৰত থিয় দিবলৈ শিকিছিল লেনিনৰ পৰাই। আজি ছোভিয়েট বাসীয়ে লেনিনৰ প্ৰতিটো উপদেশকে কামত খটুৱাইছিল।

ইয়াতকৈ আন কামেই শ্ৰেষ্ঠ হব নোৱাৰে যাৰ দ্বাৰা এজন নেতাৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভাল পোৱা ফুটাই তুলিব পাৰি।

"ভ্লাদিমিৰ ইলিচ লেনিন" আজি মৰিও অমৰ। চোভিয়েট বাসীয়ে তেওঁৰ আদৰ্শকে আগত লৈ উন্নতিৰ পথত আগুৱাই গৈছে আৰু ভৱিষ্যতলৈও যাব। যাৰ ফলত লেনিনৰ নাম কেৱল চোভিয়েট দেশতে নহয় বিশ্ব ইতিহাসত চিৰস্মৰণীয় হৈ ৰ'ব। ★

## মহৎ লোকৰ বাণী

● এজনে কোৱাৰ কথাৰ ওপৰত বিচাৰ নকৰিবা, তেওঁ কিয় সেই কথা কলে সেইটোহে বিচাৰ কৰিবা।

— পেন

সংগ্ৰহ ঃ অৰুণ দীপ কোৱঁৰ
স্নাতক প্ৰথম বৰ্ষ



# কবিতাৰ বাটচ'ৰা

## শৰৎ আহিল

— আইৰিণ গগৈ
স্নাতক দ্বিতীয় বাৰ্ষিক

তুমি আহিলে দেখোন সুৰুযৰ তাপত
মোলান পৰা গছবোৰ সজীৱ হয়
আকাশৰ কলিয়া ডাৱৰবোৰ নোহোৱা হয়
পৃথিৱীৰ পঙ্কিলতাও দুৰ হয়
তোমাৰ পৰশতে ?
শাওনৰ চোতালত বিচনীৰ বা-লৈ
তৰাবছা আকাশৰ তলত বহি,
আমি আইতাৰ সাধু শুনা পৰত
তুমি বাৰু তেতিয়া নিজকে সজাইছিলা নেকি ?
মন প্ৰাণ শীতল কৰা
শৰতৰ স্নিগ্ধ ৰূপত ?
তুমি সপোন ৰাণী
শেৱালিৰ আঁতৰ ঘঁহি
মতলীয়া কৰা মোৰ, প্ৰাণ ভোমোৰা।
আৰু ··· ··· মই —
আপোন বিভোৰ হওঁ
তোমাৰ স্নিগ্ধ ৰূপত॥ ★

## 'পোহৰৰ বাবে প্ৰতিবাদ'

— মণি বৰগোঁহাই
উঃ মাঃ ১ ম বাৰ্ষিক

এতিয়া চাৰিও দিশ আন্ধাৰ
কোহাল পতা আন্ধাৰ, ক'তো নাই পোহৰ,
ফুৰিলো দেশ দিপান্ত, আছে কেৱল আন্ধাৰ।
তথাপি আছে ইয়াতে পোহৰ
মাত্ৰ কাৰোবাৰ বাবেহে।
সকলোকে পোহৰাবৰ বাবে
কপালত সূৰ্যৰ তিলক পিন্ধি ওলাইছে
নৱ যুৱক সকলে ককালত টঙালী বান্ধি
পোহৰৰ বাবে প্ৰতিবাদ কৰিছে।
হয় মৰিব, নহয় মাৰিব।
তেওঁলোকৰ আছে অসীম সাহস
প্ৰতিবাদ কৰিবৰ বাবে দুহাতত আছে বল;
তেওঁলোক জয় হওঁক জয় হওঁক। ●



## সন্মোহন

— ৰিজু দত্ত

স্নাতক তৃতীয় বাৰ্ষিক

মই তোমাৰ কি সন্মোহন
বৃক্ষৰ দৰে লালিত যেন
সমুজ্জ্বল সেউজ ভূমিত সবুজ
মই তোমাৰ বিস্তৰণ
ফুলৰ দৰে মঙ্গল প্ৰাৰ্থনাত যেন
অথবা কোনো ভক্তি বিগলিত পবিত্ৰ মগ্নতা
মই তোমাৰ প্ৰোজ্জ্বলতা
তুমি মোৰ
আকাশৰ দৰে বিস্তৃত
মলয়াৰ দৰে স্তুতিগ্ৰস্ত
মই তোমাৰ প্ৰত্যুষ গতি
অবিচল জলধাৰাৰ অমলা নদী
মই তোমাৰ কি এক সন্মোহন।



## হে বিপ্লৱী

— লিতুল সন্দিকৈ

উঃ মাঃ ২ য় বাৰ্ষিক

স্বাধীন অসম যদি হয়
স্বাধীন চিন্তীয়া অসমীয়াৰ বাবে
সুষ্ঠ সমাজ গঢ়াৰ প্ৰতিজ্ঞা মানসেৰে।
নতুন পোহৰ পৰা ন-পুৰুষইঁত
কোৱা আজি একেখন মুখে
ক'ত ক'ত বিপ্লৱী আছে আকৌ যায়
কিযে অসমক মুখ দেখুৱাবলৈ,
লওঁ আমি ন-পুৰুষ প্ৰতিশ্ৰুতিৰে।
মোৰ দেশ আমাৰ দেশ ভাল পাওঁ মই
ক'ত যে শ্বহীদক শ্ৰদ্ধাঞ্জলী জনাও;
মোৰ এই বিপ্লৱী সত্তাৰে।
লও আকৌ হেংদাং লাচিতৰ দৰে
য'ত নৰনাৰী অতি সাহসেৰে।
নহবা ক্লান্ত, নহবা হতাশ, নহবা নিষ্ঠুৰ,
আজি এই অসমীয়া অসমৰ বাবে।
কওঁ আজি ন-পুৰুষ অসমীয়াইঁতক,
মোৰ এই বিপ্লৱী
কবিতা আকাৰে॥



## এতিয়া সময় নাই

— বাসন্তী বৰুৱা

স্নাতক তৃতীয় বাৰ্ষিক

এতিয়া সময় নাই
হাত সাবতি বহি থকাৰ,
বন্ধ কোঠাৰ দুৱাৰ খিৰিকী খুলি দিয়া।
ভয়াবহ ধূঁৱলী-কুঁৱলী
আন্ধাৰ বিলাক আঁতৰি যাওঁক
সোমাওক ফৰকাল জোনাক বিলাক।
এতিয়া সময় নাই
অন্যায়ক প্ৰশ্ৰয় দি তেজৰ চেকুৰা বুটলিবলৈ
আগুৱাই যাম
সোৱণশিৰি সোণ বুটলিবলৈ।
এতিয়া সময় নাই
স্নিগ্ধ জোনাকৰ তলত বহি,
বুঢ়ী আইৰ কৌটিকলীয়া সাধু শুনিবলৈ
অন্ধকাৰত ডুব গৈ অসহায় দৰ্শক হৈ।

## শেষ ৰাতি

— নিতুল গগৈ

স্নাতক ২য় বাৰ্ষিক

শেষ ৰাতি ••• •••
এক মৰণকাতৰ ••• •••
চিঞৰত সাৰ পাই উঠো
মনতে ভাবো এয়া
আপোন নেকি?
লগে লগে ৰাতিৰ
নিস্তব্ধতা ভেদি
এক শব্দ ভাঁহি আহে
গুৰুম ••• •••
সেয়া হয়তো কোনোবা
মাতৃৰ বুকু শুদা কৰা শব্দ।
সেয়া কোনোবা
ৰক্ত পিপাসু পদৰ ধ্বনি
সিহঁতক লাগে
কেঁচা তেজ
হে ৰাতি ••• •••
তুমি যেন আৰু নাহা।

## কাৰ বাবে লিখিম কবিতা

— শিখাৰাণী দেউৰী
স্নাতক ২য় বাৰ্ষিক

কাৰ বাবে লিখিম কবিতা
স্বদেশ বুলিলেই শুনো
বন্দুকৰ শব্দ,
স্বদেশৰ মাটিত মুৰ থলেই শুনো
আপোন জনৰ অস্ফুট বিননি ;
মোৰ নৈসৰ্গিক জগতত
চৌপাশে মাথো দেখা পাওঁ
শ্বহীদৰ মুখবোৰ,
প্ৰত্যেকৰে প্ৰশ্ন —
পাৰিবানে আইক ৰক্ষা কৰিব ?
পাৰিবানে দিব —
আমাৰ তেজৰ মূল্য ?
আমাৰ ত্যাগৰ মূল্য ?
পাৰিবানে ? ? ●

## কবিৰ দুখ কোনে বুজে

— পুষ্পাঞ্জলী বৰুৱা
উঃ মাঃ ২য় বাৰ্ষিক

কুলনিত সোমাই অবাক কৰি
ফুল নাই, পাত নাই ডাল ভৰি ভৰি
কেৰেল লঠঙা দুখৰ কলি
কোনো মালী
অথবা মালিনী।
বুকুৰ নিশ্বাস ঢালি নিতৌ কৰে পুলি
কোনে ?
গছে গছে দিয়েহি উজাৰি
পূৰা গধূলি
সেমেকা হিয়াৰ জালি।
কি তাৰ বুকুৰ সন্তাপ॥ ★

## নৱ প্ৰভাতৰ ৰাঙলী আভাৰে

— যদু দত্ত
স্নাতক তৃতীয় বাৰ্ষিক

দেশৰ ঐক্য শান্তি আৰু প্ৰগতিৰ বাবে
ক'ত জন যে আঁতৰি গ'ল
আমাৰ বুকুৰ মাজৰ পৰা।
নিজৰ দেশৰ কাৰণে মন প্ৰাণ দি
ক'ত জনক যে কন্দুৱাই গুছি গ'ল
ক'তই চকুলো টুকে ঘৰিয়ালৰ দৰে
মৃতকৰ আত্মাৰ সদগতিৰ বাবে
সেই কথা মনত পৰিলে
আজিও মোৰ আত্মাই কান্দি উঠে।
সাহ নাই,
আৰু আজিও নাই কাৰো প্ৰতিবাদ
তুঁহ জুইৰ দৰে মাথো
মানুহৰ অন্তৰত উমি উমি জ্বলি থাকে
বুকুৰ বহুতো আশা পালি নৱ প্ৰভাতৰ।
আঁহা এতিয়াও আমাৰ হাতত বহুতো সময় আছে
কলুষ কালিমাৰে ভৰা
নিপিড়ীত এই সমাজখনৰ মুক্তিৰ বাবে
আমি সকলোৱে মিলিজুলি গাই যাওঁ
নৱ প্ৰভাতৰ ৰাঙলী আভাৰে॥ ●



# গল্পৰ শৰাই

# "মোৰ পৰা ... ... ... ... ... ... চৌৰভলৈ"

— শিখামণি দেউৰী
স্নাতক ২য় বাৰ্ষিক

সদ্য প্ৰস্ফুটিত গোলাপৰ পাহিটিৰ দৰে এটা মিচিকিয়া হাঁহি মুখত লৈ পূব দিগন্তত উদয় হয় ঊষা দেৱী। চৰাইবোৰে সিহঁতৰ নিজ-নিজ কৰ্ত্তব্যলৈ ডাপলি মেলিছে। মনত সিহঁতৰ নৱ উদ্যম অন্তৰত নৱ ঝংকাৰ। সকলোৰে স্বপ্ন ৰচিছে জীয়াই থকাৰ। ঠিক তেতিয়াই পুৰা বিচনাৰ এৰি ঊষা দেৱীৰ সৌন্দৰ্য্য উপভোগৰ বাবে ময়ো আগফালৰ চোতাললৈ ওলাই আহিছিলো। সচাই পৃথিৱী-খন প্ৰকৃতিৰ সৃষ্টিত অতুলনীয়। পুৱাৰ সৌন্দৰ্য্য উপভোগ কৰি থাকোতে পুনৰ কালি সন্ধিয়া প্ৰীতমদাৰ সতে কটোৱা সময় কণলৈ মনত পৰিল। কালিৰে পৰা মনতো বৰ বেয়া লাগি আছে। কথাবোৰ কাকোৰে কব নোৱাৰাৰ বাবে। উগুল থুগুল মনতো শান্তনা দিবলৈ যদি এই সময়ত মোৰ অন্তৰংগ বান্ধৱী এগৰাকী থকা হেতেন? কিমান বাৰযে কলো হয় প্ৰীতমদাৰ কথা। কিন্তু দুৰ্ভাগ্যৰ কথা মোৰ কাষত তেনে কোনো বান্ধৱী অথবা বন্ধুও নাই। জীৱনৰ এনেকুৱা এটা সু-খবৰ যদি কাকোৰে জনাবলৈ নাপাওঁ, তেতিয়া অন্তৰত কেনেকুৱা লাগিব বাৰু? এইবোৰ ভাবি থাকোতে মাৰ মাতত সম্বিত ঘুৰি আহিল। "চিমন ৰাতিপুৱাই আগফালে বহি কি কৰিছ? কিতাপ পঢ়িবলে জানো তোৰ নাই"। মুখ ধুই কিতাপৰ টেবুলত বহা ইচ্ছা নাছিল যদিও বহি পৰিলো। টেবুলৰ ড্ৰয়াৰত কলম বিচাৰি হাত দিয়াত দেখিলো এখন চিঠি। চিঠিখন চাই দেখো সেইখন সৌৰভে দিয়া। সৌৰভ মোৰ বাল্যকালৰ বন্ধু। ঘৰ, আমাৰ ঘৰৰ ওচৰতে। সি বৰ্ত্তমান যোৰহাটত। হাইস্কুল শেষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ সি গ'ল যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়লৈ আৰু মই গলো শিৱসাগৰ ছোৱালী মহা-বিদ্যালয়লৈ। বৰ্ত্তমান আমি- দুয়ো স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰ। আমাৰ ঘৰ শিৱসাগৰ ৰজাবাৰীত মই ঘৰৰ পৰাই মহাবিদ্যালয়লৈ অহা যোৱা কৰো। মোৰ গাৱঁৰ ডাকত এক-দুই সপ্তাহৰ অন্তত অন্যৰ নাহিলেও সৌৰভৰ চিঠি আহিবই। সি সদায় মোলৈ তাৰ কোনোবা পলীৰ কথা চিঠিত লিখে। আজি পলীক অমুকত লগ কৰিলো, আজি তমুকত লগ কৰিলো আৰু কি কথা পাতিলো সকলোবোৰ লিখিব। মোৰ এশাৰী প্ৰশ্ন সুধিবলৈ সি কোনো দিনাই পাহৰি নাযায়। সি লিখিব, 'অ' চিমন তোৰ জীৱনলৈ আজি

পৰ্য্যন্ত কোনো অহা নাইনে? তই মোক মিছা মাতি আছ নে কি? কিবা হ'লে জনাবি। আমাৰ ইয়াত কলেজত কি কয় জান কলেজত পঢ়া লৰা-ছোৱালীৰ গাৰ্ল ফ্ৰেণ্ড-বয় ফ্ৰেণ্ড বোলে থাকেই। তাৰ চিঠিৰ মাজত এইযাৰী কথা সদায় পোৱাৰ বাবে তালৈ খং কৰি কেইদিন-মান চিঠিয়ে দিয়া নাছিলো। আজি ভাৱিছো মোৰ মনৰ কথাবোৰ জনাই সৌৰভলৈকে এখন চিঠি লিখা যাওঁক। লগে-লগে টেবুলত কলম কাগজ লৈ লিখিবলৈ আৰম্ভ কৰিলো মোৰ জীৱনৰ আটাইতকৈ সু-খবৰটো জনাই সৌৰভলৈ... ... ... ... ... ...

মৰমৰ

সৌৰভ

বহুত দিন তোক মৰম দিয়া নাই আজি পঠাইছো লবি। আশাকৰো তোৰ ভাল। সৌৰভ মোৰ ভাল মানে খুবেই ভাল। কি কাৰণত ভাল লিখিছোঁ।

সৌৰভ তই যে সদায় চিঠিত লিখি সোধ মোৰ জীৱনত নতুন কিবা ঘটিছে নেকি? মোৰ জীৱনলৈ কোনোবা আহিছে নেকি? আজি কিছু দিন হ'ল মোৰ জীৱনলৈ এজনৰ আগমন হৈছে। সকলো জনাই তোলৈ লিখিছো পঢ়িবি।

সৌৰভ মানুহৰ জীৱনত কিছুমান ঘটনা বৰ আচৰিত ধৰণে ঘটি যায়। মোৰ জীৱনটো সেইদৰে বৰ আচৰিত ভাবে ঘটি গ'ল। যিটো নেকি নঘটাৰ আগতে এবাৰো ভবা নাছিলো। সৌৰভ সেই দিনা আছিল ১৯৯৫ চনৰ ২৯ নবেম্বৰ। তোক যে মই কৈছিলো স্মৃতি দিৱস পাতিব বুলি, ২৯ নবেম্বৰত কোনোবা এজন নেতাৰ দিৱসত মই আৰম্ভণি গীতৰ বাবে ৰিহাচেল কৰিছিলো। সেই যে আমাৰ ঘৰৰ পৰা অলপ দূৰত থকা কলেজ খনত ২৯ নবেম্বৰৰ সন্ধিয়া সময়ত গীতৰ ৰিহাচেল কৰি ঘৰমুৱা হওঁতে বাটতে পিয়ন-জনক লগ পালো। পিয়নজনে মোৰ নামত এখন চিঠি আগবঢ়াই দিলে। পিয়নজন গুছি যোৱাৰ পিছত মোৰ আগ্ৰহৰ সীমা নাই। চিঠিখন কোনে দিছে। কেতিয়া ঘৰ পামগৈ, আৰু কেতিয়া পঢ়িম। কিন্তু ঘৰলৈ আহিও মই চিঠিখন পঢ়িব পৰা নাছিলো বহু সময়লৈকে। কাৰণ নেতাজনৰ স্মৃতি দিৱসৰ বাবে বহু দূৰৰ পৰা আলহি আহি আমাৰ ঘৰত আছিলহি। অৱশেষত যেনিবা শুবৰ সময়ত অকণমান সময় উলিয়াই চিঠিখন মেলিলো। অৱশ্যে চিঠিখনৰ আখৰবোৰ মোৰ একেবাৰে অচিনাকী যদিও, ইতিৰ নামটো মোৰ চিনাকী। চিঠিখন দিছে মোৰ দাদাৰ বন্ধু এজনে। নাম প্ৰীতম। ঘৰ শিৱসাগৰতে। মই পঢ়া কলেজখনৰ ওচৰতে। মাক-দেউতাক আৰু দুজনী ভণ্টিৰ সৈতে প্ৰীতমদাৰ হঁতৰ পৰিয়ালটো। প্ৰীতমদাক মই নিজৰ দাদাৰ দৰে শ্ৰদ্ধা কৰো। যিজন দাদাৰ আগত অসভ্যালি নকৰো, আজে-বাজে কথা নকওঁ। জানোচা দাদাই খং কৰিব। অৱশ্যে প্ৰীতমদা মোৰ ওচৰত সদায়ে ফ্ৰি আছিল। দাদাৰ বন্ধুৰ বাবে আমাৰ ঘৰলৈ আহে আৰু আমিও যাওঁ। প্ৰীতমদা আৰু আমাৰ ঘৰৰ মাজত অগাধ মিলা-মিচা। আগতে প্ৰীতমদাই কিবা ক'ব লগা থাকিলে মুখেৰে কয় চিঠিৰ



আশ্ৰয় লোৱা মনত নপৰে। আজি বাৰু কিয় দিলে। বহুতো ভাৱনাৰে চিঠিখন পঢ়ি গলো... ... ... ....

মোৰ মৰমৰ

চিমন

পত্ৰে হিয়াৰ নিৰ্ভূত কোণত পুঞ্জী-ভূত অজস্ৰ মৰম তোমালৈ বুলি জ্ঞাপন কৰিলো। নাজানো তোমাৰ তাৰ প্ৰতি সহাৰি কিমান। আশা ৰাখিছো তোমাৰ সকলো ফালৰ পৰাই মংগল। মোৰো ভাল বুলিয়ে ধৰিবা।

চিমন বহুদিনৰ আগতেই তোমাক এটা কথা কম বুলি কথাতো প্ৰকাশ কৰিব নোৱাৰি অজানিতে মিছা মাতিছিলো। কিন্তু এতিয়াও মই প্ৰকৃত কথাতো কবলৈ সাহস কৰা নাই জানোছা তোমাৰ মনত আঘাত লাগে। গতিকে তোমাৰ অনুমতিৰ প্ৰয়োজন হৈছে। যদি অনুমতি দিয়া হৃদয় উজাৰি প্ৰকাশ কৰিম প্ৰস্তাৰটো। মোৰ ধাৰণা তুমি প্ৰত্যা-খ্যান নকৰিবা।

চিমন জীৱনৰ কেতিয়াবা অপ্ৰত্যাশিত ভাৱে কিছু অনুভূতিৰ উন্মেষ হয়। যাৰ বাবে মানুহ জাতিটো বিৱৰ্ত্তনৰ পথত আগুৱাই গৈ আছে অতীতৰ পৰা ভৱিষ্যতলৈ আৰু সেয়ে মোৰ মনেও কিছু অনুভূতিক আহ্বান জনাইছো বহুতো আশা প্ৰত্যাশা বুকুত বান্ধিলৈ... ... ... ....

শেষত মৰম থাকিল।

তোমাৰ

"প্ৰীতমদা"

সৌৰভ এই চিঠিখনে মোক কিছু ভবাই তুলিছিল। প্ৰীতমদাই বাৰু মোলৈ কি প্ৰস্তাৱ আগবঢ়াব যাৰ বাবে মোৰ অনুমতিৰ প্ৰয়োজন হৈছে। প্ৰীতমদাই বাৰু মোক কি কথা কম বুলি কৈ মিছা মাতিছিল। অৱশ্যে কিছুদিনৰ আগতে দাদা কোনোবা সমন্ধীয় ককায়েক এজনৰ কথা কৈছিল। প্ৰীতমদাৰ ওচৰত থকা ফটো চাই বোলে কিবা "প্ৰপজেল" দিয়াৰ কথা কৈছিল। প্ৰীতমদাই সেইদিনা এইটো কথা কওঁতে জাঙুৰখাই উঠিছিলে। যাতে ভৱিষ্যতে এনেকুৱা কথা নকয় তাৰ বাবে সাবধান বাণী শুনাই দিছিলো। কিছুদিনৰ আগতে এই কথাতোকে কৈ মোৰ আগত মিছা মতা নাছিলতো। মুঠতে চিঠিখন পঢ়াৰে পৰা মই কিবা ভাবুক হৈ পৰিলো। চিঠিখনৰ মাজত যেন কিবা ৰহস্য আছে। ৰহস্যৰ সন্ধান বিচাৰি প্ৰীতমদালৈ এখন চিঠি লিখিলো যাতে কৃপা কৰি প্ৰীতমদাই চিঠিখনৰ মাজত সোমাই থকা ৰহস্যৰ সন্ধান দিয়ে। অৱশ্যে মই প্ৰীতম-দাক লগ কৰি মুখেৰেও সুধিব পাৰিলো হেতেন। কিন্তু কিয় জানো প্ৰীতমদাৰ ওপৰত মোৰ অভিমান হ'ল। সি যেতিয়া মুখেৰে নুসুধি চিঠিৰ আশ্ৰয় ললে মই কিয় নলম।

সৌৰভ, পাখি লগা কাঁড়ৰ দৰে সময়বোৰ পাৰ হৈ গৈছিল দ্ৰুতগতি। মোৰ আপেক্ষাকৃত আৰু আগ্ৰহী মনটোৱে বাট চাই আছিলো প্ৰীতমদাৰ উত্তৰৰ বাবে। অৱশেষত মোৰ অপেক্ষাক উপেক্ষা কৰি প্ৰীতমদাৰ চিঠিৰ উত্তৰ আহিল। চিঠিত লিখিছে — "চিমন তোমাক মই প্ৰথম অৱস্থাত ভণ্টিৰ দৰে ভাৱিছিলো।

যদিও এতিয়া তোমাক ভন্টিতকৈ আপোন কৰি লৰ বিচাৰিছো। তুমি জানো "সহাৰি নজনাবা"। সৌৰভ, বিনামেঘে বজ্রপাত মাৰিলে মানুহৰ যেনেদৰে থৰ লাগে ঠিক তেনেকৈ চিঠিখন পঢ়ি মই থৰ লাগিলো। মোৰ ভৰিৰ তলৰ মাটিবোৰ চপৰা-চপৰে যেন খহি যাব ধৰিছে এনে লাগিল। মই উপায় বিহীন হৈ পৰিছিলো সৌৰভ। নানা সমস্যা নানা চিন্তাই মোৰ মগজুত্তো" থকা সৰকা কৰি পেলালে। একালে প্ৰীতমদা হঁতৰ ঘৰখনৰ ওপৰত গঢ়ি উঠা মোৰ আন্তৰিকতাবোৰ আৰু আনফালে প্ৰীতমদা আৰু মোৰ দাদাৰ বন্ধুত্বৰ। সৌৰভ দুয়োখন ঘৰে আমাক জানো ক্ষমা কৰিব ? বহুতো চিন্তাই আগুৰি ধৰিছিল জীৱনৰ ৰাটিত। কি পথেৰে আগবাঢ়িলে ভাল হব। কি পথেৰে আগবাঢ়িলে বেয়া হব। এইবোৰ ভাৱিবলৈ মোৰ বিবেকো মোৰ বাবে প্ৰস্তুত নাছিল। এইদৰে বহুতো চিন্তাৰ মাজেৰে পাৰ কৰিলো এমাহ, দুমাহ। এই দুমাহও মই চিঠিৰ উত্তৰ নিদিয়াকৈ আছো। যদিও প্ৰীতমদা আমাৰ ঘৰলৈ নহাকৈ নাথাকিল। জান অ' সৌৰভ আমাৰ ঘৰলৈ প্ৰীতমদা আহিলে এক অবুজ চাৱনিৰে মোলৈ অনবৰতে চাই থাকে। দিন পাৰহৈ যোৱাৰ লগে লগে কিয় জানো সেই চকুজুৰি, সেই মানুহজনক মোৰ ভাল লাগি আহিবলৈ ধৰিলে আগতকৈও। নিজৰ মনতোক বাৰে বাৰে প্ৰশ্ন কৰিছো, প্ৰীতমদাক ৰাৰু মই দাদা সমন্ধৰে প্ৰথম দেখাৰ পৰাই ভাল পাইছিলো নে ? ঘৰখনৰ কথা ভাবি আমাৰ দাদাৰ কথা ভাবি নাভাবো বুলি কলেও প্ৰীতমদাৰ প্ৰতিচ্ছবিয়ে মানস পটত বাৰে বাৰে আমনি কৰিবলৈ ধৰিছিল। প্ৰীতমদাই সপ্তাহত আমাৰ ঘৰলৈ এদিন নাহিলে মনতোৰে হাঁহাকাৰ কৰি উঠে প্ৰীতমদাই দিয়া চিঠিবোৰ দিনতোত দুই তিনিবাৰ নপঢ়ালৈকে মই শান্তিৰে শুব পৰা নাছিলো। এইয়া হয়তো প্ৰেম। সৌৰভ আগতে তোৰ আৰু পলীৰ কথাবোৰ তই যে লিখ, সেইবোৰ পঢ়ি মই তোৰ এইবোৰ পাগলামী বুলি ভাবিছিলো। কিন্তু তোৰ যে এইবোৰ পাগলামী নহয় মই আজি উপলদ্ধি কৰিছো। প্ৰীতমদাক সচাই অন্তৰে সৈতে ভাল পাই পেলালো। প্ৰীতমদালৈ এখন চিঠি লিখি জনাই দিলো যে তেওঁক মই খুওব ভাল পাওঁ। মোৰ অন্তৰ উজাৰি থকা কথাৰোৰ মৰম ভালপোৱা বোৰ কেৱল প্ৰীতমদাৰ বাবে।

সৌৰভ এইদৰে প্ৰীতমদাৰ আৰু মোৰ জীৱনৰ পাতনি মেলিছো। নাজানো শেষান্তত কি ৰূপ লয়। এতিয়াও মই মোৰ বিবেকক কেতিয়াবা প্ৰশ্ন কৰো মই বাৰু কিবা ভুল কৰিছো ? মানুহে মানুহক ভাল পোৱাতো জানো ভুল। আজি কালি ওচৰ চুবুৰীয়াই মোক আৰু প্ৰীতমদাক লৈ নানা গুঞ্জন কৰি ফুৰে। মই কাৰো কথা কাণ নিদিও যদিও আমাৰ ঘৰখনৰ ওচৰত আৰু প্ৰীতমদাৰ ঘৰখনৰ ওচৰত কৰা অপৰাধৰ বাবে কেতিয়াবা বুকুখন দুৰু-দুৰু কপে। তথাপিও আমি দুয়ো-দুয়োৰে ওচৰত প্ৰতিশ্ৰুতিবদ্ধ হলো যেতিয়া ভয় কৰিলে জানো হব। সময়ত সইঁতৰ ওচৰত ধৰা দিবই লাগিব। গতিকে এতিয়া মই মাত্র ভগৱানৰ ওচৰত কৰযোৰে প্ৰাৰ্থনা কৰো প্ৰীতমদা আৰু মোৰ জীৱনলৈ যাতে সুদুৰ ভৱিষ্যতলৈকে বেমেজালি মাতি নানে। সৌৰভ এইজনে মোৰ জীৱনৰ প্ৰথম পুৰুষ। তইযে সদায় চিঠিত মই মিছা মাতি কাৰোবাৰ লগত প্ৰণয়ত ব্যস্ত বুলি লিখ। সচা কথা, মই কাৰো প্ৰেমত এনেদৰে আৱদ্ধ নহম বুলিয়ে ভাৱিছিলো। কিন্তু কিহৰ মোহত মোৰ বিবেক প্ৰীতমদাৰ ওচৰত মুৰ দোৱালে কব নোৱাৰো। তইতো আগৰ পৰাই মোৰ জেদি মনটোৰ কথা জান। এই মনটোক লৈ কেতিয়াবা বৰ ভয় হয় জান সৌৰভ। যদি প্ৰীতমদাই মোক প্ৰতাৰণা কৰে তেতিয়া মোৰ মনটোৱে কেতিয়াও সহ্য কৰিব নোৱাৰিব সেইটো ঠিক। অৱশ্যে মোৰ মনটোৱে প্ৰীতমদাক খুবেই বিশ্বাস কৰো। কিয়নো বিশ্বাসে সফল আন্তৰিকতাৰ পৰিসমাপ্তি। সৌৰভ, প্ৰীতমদাই এতিয়াও আমাৰ ঘৰলৈ আগৰ দৰে আহে। আমাৰ ঘৰখনৰ কোনেও আমাৰ দুয়োৰে অগাধ মিলা-মিছা কথা নাজানে।

সৌৰভ পাৰিলে তই এবাৰ আহি যা। তোক বহুত দিন লগ পোৱা নাই। লগ পালে ভাল লাগিব। তহঁতৰ ঘৰতো সকলোৱে ভালেই। তোক কব লগা আৰু যে কিমান কথা আছে। প্ৰীতমদাৰ লগতো চিনাকী কৰি দিম। আহিবি দেই। অ' তোৰ পঢ়া-শুনা লগতে কিবা নতুন খবৰ থাকিলে জনাবি।

শেষত তোলৈ মৰমেৰে সামৰিছো দেই।

ইতি

"চিমন"

চিঠিখন লিখি মনটো পাতল লাগিল। অন্ততঃ মোৰ মনৰ কথা বোৰ এজনক চিঠিৰ দ্বাৰা হলেও জনাব পাৰিলো। মনটো ভাল লগাত গানৰ কলি এটা গুণ-গুণাই কল্পনা ৰাজ্যত বিচৰণ কৰিছিলোহে মাত্র। বৌৰ মাতত চকখাই উঠিলো। চিমন, অ' চিমন আজি কলেজলৈ নাযাৱ নেকি ? ঘড়ীটোলৈ চালো ৮ বাজেই। আজি প্ৰীতমদাক লগ কৰা কথা। বেগা- বেগিকৈ ভাত কেইটা খাই কলেজলৈ যাবৰ বাবে সাজু হলো। মোৰ প্ৰিয়জনক লগ পোৱাৰ আশাৰে। ●



## মহৎ লোকৰ বাণী

● "যি শিক্ষাই নিজক আনৰ হাতত বিক্ৰী কৰিবলৈ শিকাই তেনে শিক্ষাৰে শিক্ষিত হোৱাতকৈ জধা মুৰ্খ হোৱাই বহু গুণে ভাল"।

— হেম বৰুৱা।

# "অপেক্ষা"

— ৰেখা চাংমাই
উঃ মঃ ১ম বৰ্ষ

অসংখ্য মানুহে ইয়াত বাৰু কি কৰিছে? তেওঁলোক বাৰু কলৈ যাবলৈ আহিছে? বাছ এখন অহাৰ লগে লগে ইমানবোৰ মানুহ আহি উঠি পৰেহি আৰু ৰোৱা লগে লগে ইমানবোৰ মানুহ নামি পৰে। দিনটো তাই এইদৰে অহা যোৱা কৰা মানুহ বোৰকে চাই থাকে। তাইৰ বাবে যেনেকৈ দিন-ৰাতিৰ কোনো পাৰ্থক্য নাই তেনেকৈ ৰ'দ-বৰষুণৰো কোনো পাৰ্থক্য নাই। গৰম ঠাণ্ডা তাই অনুভৱ নকৰে। নিজৰ ভোক-পিয়াহৰ কথা তাই কব নোৱাৰে। যমুনাই জোৰ কৰি কেতিয়াবা খাবলৈ দিয়ে। কেতিয়াবা হোটেলত নষ্ট হৈ যোৱা বস্তুবোৰ হোটেলৰ বয়টোৱে খাবলৈ দিয়ে। এইয়ে হৈছে তাইৰ জীৱন। ওচৰৰ সকলোৱে তাইক পাগলী বুলি চিনি পালেও আনৰ দৰে তাই কাৰো অনিষ্ট নকৰে। তাই কেৱল উদ্দেশ্য বিহীন ভাৱে ৰাস্তাই-ৰাস্তাই ঘূৰি ফুৰে। বাছ অহাৰ গম পাই খৰ খেদাকৈ তাই বাছটোলৈ গল। এই সময়ত তাইক দেখিলে এনেকুৱা এটা অনুভৱ হব যেন বাছত তাইৰ কোনোবা আপোন এজনহে আহিব লগা আছে। সেই বাবে তাই যেন তেওঁক আগবঢ়াই আনিবলৈ গৈছে।

কাহিলি পুৱাতে এদিন এইটো পদূলীতে এজনী ছোৱালীক বাছৰ পৰা মানুহ দুজন মানে নমাইথৈ গৈছিল। তাই অচেতন হৈ পৰি আছিল মানুহ ঘঁৰৰ পদূলীত ৰাতিপুৱা কোনোবাই পাই তাইক ঘৰৰ ভিতৰলৈ লৈ গল। চকু মেলি দেখিলে যে এটা ভগা জুপুৰিত এজনী মানুহে তাইক শুশ্ৰূষা কৰি আছে। যেতিয়া তাই জ্ঞান হেৰুৱাইছিল তেতিয়া তাই মানসীক অৱস্থাও হেৰুৱাই পেলাইছিল। এটা সময়ত জ্ঞান ঘূৰাই পাই যিমান পাৰে সিমান কান্দিবলৈ ধৰিলে। প্ৰথমে মানুহ গৰাকীয়ে একো ধৰিব নোৱাৰিছিল যদিও তাইৰ চেহেৰা চাই গম পালে যে তাই মাক হবলৈ বেছি দিন নাই। মানুহ গৰাকী আদৰ যতনত তাই কেইদিন মানলৈকে তাতে থাকিল। কিন্তু এদিন হঠাৎ পাগলী জনীয়ে এটা মৃত সন্তান জন্ম দিলে। তেতিয়াৰ পৰা তাই খোৱা বোৱা সকলো বাদ দিলে। মানুহ জনীয়েনো (যমুনাই) তাইক সদায় খুৱাব কব পৰা। যমুনা নিজৰ জীৱনটো পাৰ কৰিবলৈকে চিন্তা। কিন্তু পাগলী জনীয়েও নিবিচাৰে খাবলৈ। কেতিয়াবা কেতিয়াবা তাই বাছ ইষ্টেচনদাৰতে বহি বহি নিশাটো পাৰ কৰি দিয়ে। বাছত উঠিবলৈ যোৱা প্ৰতিটো মানুহকে তাই ভেৰা লাগি চাই ৰয়। কেতিয়াবা কোনোবাই কোনোবাই তাইক সেই চাৰনিৰে ধমকিও দিয়ে। কিন্তু তাই সেইবোৰলৈ কোনো ভ্ৰূক্ষেপ নকৰে। তাই নাজানে যে এইদৰে তাই কাক বিচাৰি ফুৰিছে। কোনোবা এজন চিনাকী মানুহে তাইক অহৰহ মাতি আছে তাৰ কাষলৈ। অ'ত দিনে বিচাৰি ফুৰা মানুহ জনৰ মুখ খন তাই যেন আতৰৰ পৰাই চাব। ওচৰলৈ গলে তাইৰ দেহত থকা পাপ বিলাক যেন তেওঁৰ গালৈ বিয়পি পৰিব। সেই বাবে সকলো পাপৰ পৰা বঞ্চিত কৰি তেওঁক চাব। কিন্তু পাগলী জনীয়ে নাজানে সেইজন নো কোন?

অলেখ গোস্বামী। তেওঁ আছিল এজন সু-অভিনেতা এবাৰ এখন নাইট ফাংচনত অলেখ চিনাকী হৈছিল এগৰাকী সু-অভিনেত্ৰী পৰিস্মিতা বৰুৱা লগত। প্ৰথম চিনাকীতে সিহঁতৰ চাৰি চকুৰ মিলন হল। আৰু তেওঁলোকৰ মাজত এটা সুন্দৰ সম্পৰ্ক গঢ়ি উঠিবলৈ ধৰিলে এদিন মহা ধুম ধামেৰে সিহঁতৰ বিয়াৰ আয়োজন চলিল। অলেখে লাভ কৰিলে এগৰাকী উপযুক্তা পত্নী আৰু পৰিস্মিতাই লাভ কৰিলে এজন উপযুক্ত স্বামী। আনৰ দৰে তেওঁলোকেও এখন সুখৰ সংসাৰ গঢ়াৰ স্বপ্ন দেখিলে। এইদৰে মধুৰ ভাৱে দিনবোৰ গৈ আছিল। তাৰ পাছত………।

এদিন অলেখৰ চাকৰিৰ কলিং আহিল। সি ইন্টাৰভিও দি চাকৰি জইন কৰিলে। তাৰপাছত অলেখ ট্ৰেইনিঙৰ বাবে সুদীৰ্ঘ চাৰি মাহ কাল মাদ্ৰাজলৈ যাবলৈ ওলাল। এই ক্ষেত্ৰত অলেখ অলপ চিন্তান্বিত হৈছিল। যদিও উপায় বিহীন হৈ কৰ্তব্য পালনৰ বাবে স্বপনৰ দায়িত্বতে পৰিস্মিতাক এৰিথৈ অলেখ মাদ্ৰাজলৈ ৰাওনা হল। স্বপন আছিল অলেখৰ বন্ধু! স্বপনে অলেখৰ ঘৰতে থাকি চাকৰি কৰিছিল। অলেখক গাড়ীত তুলি দিয়াৰ সময়ত পৰিস্মিতাই কিহৰ আকাঙ্খাত জানো শিয়ৰি উঠিছিল। হঠাৎ তাই যেন চাৰিওফালে অন্ধকাৰ দেখিলে। তাই মুখেৰে একো কব নোৱাৰিলে। ওলাই আহিব ধৰা চকু পানীকো সামৰি ৰাখিলে কাৰণ তাই এনেবোৰ কথাকৈ অলেখৰ অমংগল মাতি আনিব নোখোজিলে। গাড়ীত উঠা সময়ত পৰিস্মিতাৰ গাত ধৰি অলেখে কলে তুমি কোনো চিন্তা নকৰিবা। পৰী। যিকোনো ক্ষেত্ৰতে তোমাৰ লগত স্বপন থাকিব। তাতো যদি কিবা অসুবিধা হয় মোলৈ চিঠি লিখিবা। মই গুছি আহিম।

এইদৰে এটা সময়ত বাছখন মনিব নোৱাৰা হল। লগতে অলেখকো। পৰিস্মিতা জঠৰ হৈ পৰিল। তাইৰ চিঞৰি চিঞৰি কব মন গল তুমি নাযাবা অলেখ তুমি নাযাবা। তুমি গুছি গলে আমাৰ সংসাৰ চুৰমাৰ হব তোমাৰ অবিহনে মই খন্তেকো থাকিব নোৱাৰো।

এইদৰে দিনবোৰ পাৰ হৈছিল। অলেখে গৈয়ে তাইলৈ চিঠি পথালে। তাইও পুনৰ উত্তৰ পথালে। এইদৰে সিহঁতৰ মাজত চিঠিৰ বিনিময় চলিল। পৰিস্মিতাক চিঠিৰ কাৰ্ড খাম আনি দিছিল তাইৰ বন্ধু স্বপনে।

এনেদৰে হাঁহি ধেমালি মাজেৰে চাৰি মাহ পূৰণ হবলৈ মাত্ৰ দহটা দিন বাকী। স্বপনৰ সহায় সহযোগত তাৰ মৰম সনা মিঠা কথাত কেনেদৰে তাই দিন বিলাক অতিবাহিত কৰিলে তাই নিজেই কব নোৱাৰিলে। অলেখৰ অনুপস্থিতিত তাই কোনো অকলশৰীয়া অনুভৱ নকৰিলে।

কিন্তু হঠাৎ তাইৰ জীৱনলৈ কলা ডাৱৰ নামি আহিল। জীৱনৰ সকলো ৰঙীল সপোন চুৰমাৰ হৈ গ'ল। এদিন নিশা প্ৰায় তিনিটা মান বজাত স্বপন পৰিস্মিতা কোঠালৈ আহিল। দৰ্জা খুলি তাই থমকি ৰল আৰু ক'লে "স্বপন" ইমান নিশা তুমি ইয়াত? কি হ'ল তোমাৰ কিবা হৈছেনেকি? স্বপনে একো কব নোৱাৰা হৈ পৰিছে। তাৰ চকু দুটা ক্ৰমান্বয়ে ৰঙা হৈ উঠিছে। দুৱাৰ দলিৰ পৰা আহি স্বপন পৰিস্মিতা বিছনাতে বহিল। তাৰ কাষতে পৰিস্মিতা ও বহিলহি। সি একে থৰে তাইৰ চকুলৈ চাই ৰল। এই চাৱনিত তাই যেন সন্তুষ্ট নহ'ল। তাই ক'লে কি হ'ল কিয় এনেদৰে চাইছা। এইবাৰ স্বপনে পৰিস্মিতাৰ গাত ধৰি কলে—পৰিস্মিতা ... পৰী .... । এই বুলি কৈ সি ঠৰ ঠৰ কৈ কপি উঠিল।

পৰী তুমি মোৰ হোৱাটো মই কামনা কৰো। এটা সময়ত সি কৈ উঠিল। "স্বপন" সেয়া তুমি কি কৈছা? তাই চিঞৰি উঠিল। তুমি নিজকে চিনি নাপালেও মই তোমাক চিনি পাওঁ। তুমি পাহৰী নাযাব স্বপন মই তোমাৰ বন্ধু অলেখৰ পত্নী। মনটো অলপ ধৈৰ্য্য ধৰা। পুৰুষৰ ধৈৰ্য্যতাক তুমি হেৰুৱাই নেপেলাবা।

নাই নাই তুমি আৰু মোক হতাশ নকৰিবা। ইমান দিন ধৈৰ্য্য ধৰিলো। আজি আৰু নোৱাৰিলো। তোমাৰ সুন্দৰ চকুজুৰিয়ে তোমাৰ উঠন বুকুৱে সদায় মোক তোমাৰ কাষলৈ মাতি থাকে। তুমি মোক আকোৱালী লোৱা পৰী। নহলে মই মৰি যাম।

এইবিলাক কথা শুনাৰ পৰা পৰিস্মিতা আৰু ধৈৰ্য্য নাইকীয়া হ'ল। খণ্ডৰ দুখত তাই অচেতন হৈ পৰিল। তাইৰ চকুৰ আগত সঘনাই অলেখৰ প্ৰতিচ্ছবি আহিব ধৰিলে। এটা সময়ত পৰিস্মিতাই গম পালে যে তাইক স্বপনে সাৱটি ধৰিছেহি।

"তাই স্বপনৰ বাহু বন্ধনৰ পৰা মুক্ত হৈ গৰ্জি উঠিল আৰু এখোজো আগনাবাঢ়িবা তুমি এটা লম্পট চৰিত্ৰহীন এটা বিশ্বাসঘাটক। এতিয়াই মোৰ কমৰ পৰা ওলাই যোৱা। নহলে মই তোমাক হত্যা কৰিম।"

স্বপনে তাইক বেছি কথা কবলৈ সুবিধা নিদি পুনৰ জোৰ পূৰ্বক সাৱটি ধৰিলে। তাইৰ হাজাৰ চেষ্টা কৰিও তাৰ পৰা হাত সাৰিব নোৱাৰিলে। অৱশেষত তাই অচেতন হৈ পৰিল। নিজকে তাই বিশ্বাস কৰিবলৈ টান পালে।

জ্ঞান পাই তাই ফেকুঁৰি উঠিল। তাই বাৰু অলেখৰ আগত কেনেকৈ মুখ উলিয়াব। কেনেকৈ এই বিলাক কথা কব। সত্য কথা কলেও জানো স্বামীয়ে তাইক বিশ্বাস কৰিব। বিশ্বাস কৰিলেও তেওঁৰ অন্তৰত যিকুৰা জুই জ্বলিব, সেইকুৰা জানো নুমাই শেষ হৈ যাব হয়তো এদিন দপদপাই আকৌ সেইকুৰা জুই জ্বলি উঠিব। অলেখে হয়তো নিজৰ বন্ধুকো



কিন্তু তাই কেনেকৈ নিজ কলুষিত শৰীৰটো পুনৰ অলেখক স্পৰ্শ কৰিবলৈ দিব। আজিৰ তাইৰ দেহত যিটো ভ্ৰূণৰ সৃষ্টি হৈছে। তাৰ গৰাকী অলেখ নহয়। সেয়েহে তাই অলেখৰ ফটোখনকে সাৱটি ধৰি প্ৰাৰ্থনা জনাইছে। "অলেখ তুমি মোক ক্ষমা কৰিবা। কেৱল তোমাৰ মংগলৰ বাবেহে মই আতৰি যাবলৈ ওলাইছো। মই থাকিলে হয়তো তোমাৰ গোটেই জীৱনটো ঠান বান হৈ পৰিব। কিন্তু তোমাৰ অপেক্ষাত মই বৈ থাকিম। তুমি যাক বিশ্বাস কৰিছিলা সিয়ে আজি তোমাক বিশ্বাস-ঘাটকতা কৰিলে। এটা সময়ত তাই ফ'টো খন এলবামত ভৰাই থলে। অলেখ ইটো জন্মত তুমি যেন মোৰ স্বামী হোৱা।

তাই ঘৰৰ পৰা মাজ নিশা জনশূণ্য পথত খোজ দিলে। তাইৰ লক্ষ্য বাচ ষ্টেণ্ড। হয়তো আজি এজন মানুহ বাচৰ পৰা নামিব।

তেওঁক তাই যেন আতৰৰ পৰাই চাব। কেতিয়াও তাই তেওঁৰ ওচৰলৈ নাযায়। এটা সময়ত বাছখন আহি ৰলহি। অসংখ্য মানুহ গাড়ীৰ ভিতৰৰ পৰা নামিলে। অদূৰত তাই এখন চিনাকী মুখ দেখি থমকি ৰল। হেপাহ পলুৱাই তাই চিনাকী মুখখন চাই ৰল। কিন্তু হঠাৎ তাইৰ মূৰ ঘূৰাই অচেতন হৈ পৰি যাব ধৰিলে। লগে লগেই তাইৰ চিঞৰি উঠিল, অলেখ ...। চিঞৰ শুনি মানুহজনে প্ৰথমতে একো ধৰিব নোৱাৰিছিল যদিও ভালদৰে নিৰীক্ষণ কৰাৰ পাছত একে সমানে জোৰেৰে চিঞৰি উঠিল পৰিস্মিতা ...। কিন্তু তেওঁৰ দেৰি হ'ল। সিফালৰ পৰা আহি থকা ট্ৰাক এখনে তাইৰ দেহ ক্ষত, বিক্ষত কৰিলে। সঁচাকৈয়ে যেন পৰিস্মিতা অলেখৰ অপেক্ষাতে বৈ আছিল। সচা কলুষিত শৰীৰটো স্পৰ্শ কৰাৰ পৰা অলেখ বিৰত হৈ ৰ'ল। ●

---

## মহৎ লোকৰ বাণী

★ "পৃথিৱীত ভীতিক যদি কোনোবাই অতিক্ৰম কৰিব পাৰে, বিপদক তুচ্ছ কৰিব পাৰে, ক্ষমতাক অগ্ৰাহ্য কৰিব পাৰে, মৃত্যুক উপেক্ষা কৰিব পাৰে তেন্তে সেয়াই হৈছে প্ৰেম।।"

— ৰবীন্দ্ৰ নাথ ঠাকুৰ

# 'বাৰ্ট চাই আছো তোমালৈ'

— বাসন্তী বৰুৱা
স্নাতক তৃতীয় বৰ্ষ

আজি কেইদিন মানৰ পৰা অভিজিতৰ মনটো বৰ চিন্তান্বিত দেখা গৈছে। আনদিনাৰ দৰে সি হোষ্টেলত লগৰ লৰা বিলাকৰ লগত কোনো কথা বতৰাও নপতা হ'ল। ধেমালি চুপতিও নকৰা হল, লগৰ লৰা বিলাকে কিবা কথা বতৰা কলেও সি মন মাৰি বহি থাকে। তাৰ লগৰ অন্তৰংগ বন্ধু বিকাশে কিন্তু ভালদৰেই উপলব্ধি কৰিছিল ; কিয়নো অভিজিতে এই কেইদিন ইমান মন মাৰি আছে। কিতাপৰ টেবুলত বহিলেও আন দিনা দৰে সি যেন মনপুতি পঢ়া নাই। বিকাশে কিন্তু একো কোৱা নাছিল, মাথো সি নিজে নিজে ভাৱিছিল অভিয়ে নিশ্চয় কিবা ঘাত-প্ৰতিঘাটৰ সন্মুখীন হৈছে বুলি।

অভিজিত সোণাপুৰ গাঁৱৰ ডিম্বেশ্বৰ বৰুৱাৰ একমাত্ৰ পুত্ৰ আৰু মাক মিনতি-বৰুৱা, দুয়ো শিক্ষক-শিক্ষয়ত্ৰী সেই গাঁৱৰে এম. ভি স্কুল এখনৰ। এহাল লৰা-ছোৱালীয়ে সিহঁতৰ পৰিয়ালটো অত্যন্ত সুখী পৰিয়াল। অভি আৰু ভনীয়েক নীলু সৰু পৰাই মাক দেউতাকৰ গভীৰ মৰম, স্নেহৰ মাজেদি গাঁৱৰ নিৰিবিলি পৰিবেশৰ মাজত ডাঙৰ দীঘল হৈছে। দেউতাক আৰু মাকে বুকুত বহুতো আশালৈ লৰা ছোৱালী কেইটা পঢ়া শুনা প্ৰতিও যথেষ্ট যত্ন লয়। মাক দেউতাকৰ যত্নৰ ফল স্বৰূপে অভিয়েও এইবাৰ গাঁৱৰ হাই-স্কুল এখনৰ পৰা সুখ্যাতিয়ে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হব পাৰিছিল। মাক দেউতাক আৰু গাঁৱৰ মানুহ বিলাকো তাৰ ৰিজাল্টৰ বাবে উৎফুল্লিত হৈ পৰিছিল। দেউতাকে অভিক চহৰৰ ভাল কলেজ এখনত নাম ভৰ্ত্তি কৰি দিলে। অভিৰ বিজ্ঞান শাখাত পঢ়াৰ প্ৰৱল হেপাহ থকা বাবে বিজ্ঞান শাখাতে নাম লগাই দিলে। দেউতাকে অভিক মৰম ও আদৰেৰে চহৰৰ হোষ্টেলত থৈ আহিলগৈ।

অভিজিতে লাহে লাহে হোষ্টেলৰ লগৰ লৰা ছোৱালী বিলাকৰ মাজত ভালদৰে পৰিচিত হৈ পৰিছিল। সি খুউব আনন্দ মনেৰে দৈনিক ক্লাচ সমূহ কৰি পঢ়া শুনা গুৰুত্ব বঢ়াই দিলে। মাক দেউতাকে নিয়মিত ভাৱে টকা মণি অৰ্দাৰ কৰে। অভিজিতে পঢ়াত যেনেদৰে মনোনিবেশ কৰিছিল তেনেদৰে সফলও হৈছিল। হাইচেকেণ্ডাৰী পৰীক্ষাটো সি ষ্টাৰ মাৰ্ক লৈ উৰ্ত্তীণ হৈছিল।

আৰু ভনীয়েক নীলুয়েও এইবাৰ প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। মাক দেউতাকৰ মনত অপাৰ আনন্দ। মাক-দেউতাক অত্যন্ত সুখী হব পাৰিছিল লৰা-ছোৱালী হালক লৈ। দেউতাকে অভিৰ ৰিজাল্ট পোৱা পাচতে এদিন সুধিছিল, তুমি এতিয়া কি পঢ়া কথা চিন্তা কৰিছা অভি ? অভিয়ে কৈছিল—বোটানিত মেজৰ লৈ B.Sc. পঢ়িম বুলি ভাবিছো দেউতা। দেউতাকৰ ইচ্ছা আছিল ডাক্তৰ পঢ়োৱা কিন্তু অভিয়ে যি ইচ্ছা কৰিছে তাত অমান্তি হবলৈও দেউতাকে কুণ্ঠাবোধ কৰিছিল। কাৰণ অভি দেউতাকৰ খুউব মৰমৰ। অভিয়ে মনত দুখ পাব বুলিয়েই দেউতাকে একো কোৱা নাছিল। তাৰ যি ইচ্ছা তাকে পঢ়োৱা চিন্তা কৰিলে।

এইবাৰ অভিয়ে কলেজ খোলা লগে লগে হোষ্টেললৈ গ'ল। B.Sc. পঢ়া আৰম্ভ কৰিলে। নিতৌ বাদ নপৰাকৈ ক্লাচ বিলাক কৰি গ'ল। লগৰ বহুতো বন্ধু-বান্ধৱী মাজতো অভি খুউব জনপ্ৰিয় হৈ পৰিল। অভি পঢ়া-শুনাত যেনে চোকা, দেখাতো তেনে যথেষ্ট ধুনীয়া আছিল। অভিৰ অতি অন্তৰংগ বন্ধু বিকাশ গগৈ। বিকাশ আৰু অভি দুয়ো যেন একেটা নলীয়ে পানী যোৱা। আৰু একেটা বিষয়ত মেজৰ লোৱা ছাত্ৰী পৰীৰ লগত খুউব ভাল আছিল। পঢ়া শুনাত প্ৰায় আলোচনা ৰাখিয়ে পঢ়িছিল। পৰী দেখাত খুউব ধুনীয়া আছিল। সংগীত চৰ্চ্চাও কৰিছিল। সেই চহৰৰে ছোৱালী পৰী। পৰীৰ দেউতাক পুলিচ অফিচাৰ। পৰী আৰু অভিৰ মাজত এক মধুৰ সম্পৰ্কও গঢ় লৈ উঠিছিল। ইজনে সিজনৰ প্ৰতি আৰ্কৰ্ষিত হৈ পৰিছিল। যাৰ বিনিময়ত সিহঁতি এদিনো লগ নোপোৱাকৈ থাকিব পৰা নাছিল। কলেজ বন্ধ পালে সিহঁতি গোপনে বহুতো ফুৰা চকা কৰে। বিকাশৰ বাহিৰে লগৰ আন বন্ধু বান্ধৱী বিলাকে কিন্তু সিমান জনা নাছিল। খুউব মৰম স্নেহৰ মধুৰ এনাজৰীয়ে সিহঁতি বান্ধ খাই পৰিছিল। আৰু কল্পনাও কৰিছিল কোনোদিন যেন সেই এনাজৰী চিগি নাযায়।

কিন্তু কি হব দিন বাগৰি যায়, ৰৈ যায় স্মৃতি। মানুহৰ কল্পনাই কেনে ৰূপ লয় কোনে জানে। এটা চোকা সৎ চৰিত্ৰবান লৰাৰ অন্তৰত এটা বিশাল ভাৱ অনুভূতিয়ে ইমান দকৈ যে শিপাইছিল তাক কোনেও উপলব্ধি কৰিব পৰা নাছিল। মাথোন বিকাশে ভাৱিবলৈ সক্ষম হৈছিল অভিজিত এই কেইদিন কিয় ইমান চিন্তান্বিত। পৰীৰ লগত থকা সম্পৰ্কই বেলেগ ৰূপ লৈছে নেকি ? কিন্তু বিকাশে সুধিব পৰা নাছিল। বহু দিনৰ পৰা যে অভিয়ে অন্তৰত এটা গভীৰ ভাৱ পুহি ৰাখিছিল তাক কোনেও জনা নাছিল। আনকি তাৰ মৰমৰ পৰীজনীও। একেলগে থকা বিকাশে ক্লাচ্ কৰিবলৈ ওলাইছে কিন্তু এদিনো ক্লাচ খতি নকৰা অভিৰ আজি ক্লাচৰ প্ৰতি যেন অলপো আগ্ৰহ নাই, সি আজি ক্লাচ নকৰে। বিকাশে সুধো নুসুধো ভাৱে কলে— তোৰ কি হৈছে অভি ? তই কিয় ক্লাচ নক'ৰ ? ইমান যে তই চিন্তান্বিত। কি পৰীয়ে কিবা ঠেকত পেলাইছে নেকি ? হাঁহি হাঁহিয়ে বিকাশে কলে— চাবি আক পৰীৰ দেউতাক 'পুলিচ অফিচাৰ'। মোৰ আজি ক্লাচ কৰিবলৈ মন যোৱা নাই বিকাশ। মোৰ পঢ়া আজি মই নিজে কৰিম। তই যা বিকাশ

বুলি অভিয়ে ক'লে। বিকাশে ক্লাচৰ বাবে সিমান আপত্তি নকৰিলে। বিকাশে অভিক কলে, আজি মই ক্লাচৰ পৰা ঘূৰি আহো, তোৰ কি হৈছে সবিশেষ কব লাগিব। অভিয়ে কম বুলি ক'লে।

বিকাশ যোৱা পাছত অভিয়ে তাৰ সকলো বিলাক কাপোৰ কানি কিতাপ পত্ৰ ঠিক থাক কৰি পঢ়া টেবুলত বহি ভাৱি আছে— কোন পথৰ যাত্ৰী হওঁ মই। 'মা-দেউতাৰ ক'ত আশা, মৰমৰ পৰীজনীৰ কত মৰম স্নেহ, বন্ধু বিকাশৰ যি আন্তৰিকতা আৰু তাৰ অতিকে মৰমৰ নীলুজনী; ইমানবোৰৰ মাজৰ পৰা মই আজি আঁতৰি যাম বহু দূৰ দিগন্তলৈ। বৃহৎ 'জননী আই, দেশ মাতৃৰ বাবে নিস্বাৰ্থ ভাৱে মই আজি ওলাই যাম। যি আই মাতৃৰ ধূলি-বালি লৈ ডাঙৰ দীঘল হলো সেই আই মাতৃক মই উদ্ধাৰ কৰিবই লাগিব। মোৰ মাতৃক মই আনৰ হাতত গটাব নোৱাৰো। এতিয়া মোৰ চিন্তা কৰা সময় আহি পৰিছে। এতিয়া মোৰ বহি থকা সময় নাই বুলি সি বহীৰ পৰা বগা কাগজ এখন ফালি বিকাশলৈ বুলি লিখিলে –

মোৰ মৰমৰ

বিকাশ,

মোৰ মৰম স্নেহ তোৰ বাবে সদায় জাগ্ৰত। আজি মোক সংগ্ৰামী মন এটাই অহৰহ হাত বাউল দি মাতি থকাৰ বাবে মই আজি ওলাই আহিছো বিকাশ। নিজৰ ক্ষুদ্ৰ স্বাৰ্থক লৈ জীয়াই থকা স্পৃহা মোৰ আজি আৰু নাই। বৃহত্তৰ স্বাৰ্থ হকেহে আগবাঢ়িম বুলি ভাৱিছো। তই নিশ্চয় বুজিবি বিকাশ। পৰীক এই বিষয়ে নকবি। মোৰ মা দেউতাই সময়ত সকলো বুজিব।

শেষত তোৰ উজ্বল ভৱিষ্যত কামনা কৰি আজি মই আহিলো বিকাশ।

ইতি

তোৰ 'অভি'।

সেই দিনাৰ পৰা অভি আৰু হোষ্টেলত নাই। বিকাশে কলেজৰ পৰা আহি দেখে অভি দেখোন নাই। টেবুলত থোৱা চিঠিখন পাই খৰ ধৰকৈ পঢ়ি চাই বিকাশে। পঢ়ি সি আচৰিত হ'ল। তাৰ আৰু বুজিবলৈ বাকী নাথাকিল। কিন্তু পৰী, পৰীক কি বুলি কব বিকাশে। পাচদিনা বিকাশ কলেজলৈ যায়। পৰীয়ে দৌৰি আহি বিকাশক অভি কলেজলৈ কিয় অহা নাই সোধে। পৰীয়ে ভাৱিছে অভিৰ কিবা অসুখ হৈছে নেকি? বিকাশে কয় যে—অভিক কালি দেউতাকে কিবা কাৰণত ঘৰলৈ মাতি পঠোৱা বাবে খৰ ধৰকৈ পুৱাতে গুচি গল। তোমাক কবলৈকে আহৰি নাপালে পৰীয়েও চিন্তা কৰে অভিৰ ঘৰত কিবা হৈছে নেকি বুলি। তাইৰ মনটো কৌতুহলে ভৰি পৰে। বিকাশে ভাৱে—অভিয়ে এখন মহান অন্তৰ লৈ আহিছিল যি নেকি নিজৰ কথা নাভাৱি দহৰ হঁকে চিন্তা কৰিব পাৰে। বিশাল সাহস আৰু ত্যাগেৰে সি আজি আদৰ্শৱান যুৱক। তাৰ আদৰ্শক বিকাশেও শ্ৰদ্ধা কৰিছে।

পৰীয়ে অধীৰ আশাৰে বাট চাই আছে অভি অহালৈ। মাক দেউতাকে বাট চাই আছে মৰমৰ সোণ অভি হোষ্টেলৰ পৰা ঘৰলৈ আহিব বুলি। ভনীয়েকে বাট চাই আছে দাদাকে হোষ্টেলৰ পৰা তাইকো লগতে ঘৰলৈ লৈ যাব বুলি।

সকলোৱে আজি অভিজিতৰ বাবে ক'ত আশাৰে যে বাট চাই আছে। ★



# পুৱতি নিশাৰ কঁপনি

— মিণ্টু বুঢ়াগোঁহাই
স্নাতক দ্বিতীয় বৰ্ষ

অহা কালিলৈপৰা ৰঙালী বিহুৰ আগমন। চৰাই-চিৰিকতি, গছ-গছনিৰ উলহ মালহৰ আনন্দত সীমা নাইকীয়া হৈ পৰিছে। নতুন কুঁহিপাতৰ সেউজীয়া ৰঙৰ মাজে মাজে লাজুকী কুলিজনীয়ে মিঠা বনগীত গাইছে। নীলা আকাশত হঠাৎ ক'ৰপৰা ক'লা ডাৱৰ এচকল আহি আন্ধাৰ কৰি ধৰিছে। সঁচাকৈয়ে বসন্ত ঋতুটো ভগৱানে সুন্দৰ কৈ সৃষ্টি কৰিলে। গছৰ ডালত কপৌ ফুলিল, তগৰ ফুলিল, নাহৰ ফুলিল। কেতেকীয়ে মধুৰ বনগীত জুৰিছে।

মোৰ মনটোৱে প্ৰকৃতিৰ ৰহঘৰা দেখি নাচি উঠিছে। কিন্তু ঢোলৰ মাত, পেপাৰ মাত, বাঁহীৰ মাত, নিৰৱ। সেমেকি পৰিল আনন্দত সীমাহীন হোৱা মোৰ মনটো। তথাপি বহুপৰৰ মূৰত অচিনাকী ৰিণিকি ৰিণিকি অহা ঢোলৰ মাতে অকণমান শান্তি দিছে। কালিলৈ গৰু বিহু। ইয়াৰ উপৰিও আছে কণীযুঁজ। কণীযুঁজ বুলি মনলৈ অহাৰ লগে লগে যোৱা ৰহাগ বিহুৰ কথা মনলৈ আহিল। এটা টান কণীৰ পৰা যে বিশটামান কণী জিকিছিলো। বৰ ভাল লাগিছিল। এইবাৰো টান দুটা কণী বাছি থৈছো। সেই কেইটাও কেইবাটাবো কণী খাব পাৰিম নিশ্চয়।

কালিলৈ দোকমোকালিতে উঠিব লাগিব। বছৰটোৰ বাবে গোহালিৰ গৰু কেইটা ভালদৰে জীয়াই থাকিবলৈ গা-ধুৱাব আৰু লাউ বেঙেনা মাৰিব লাগিব। তাতো বৰ আনন্দ আছেদেই। এবাৰ যে ৰাঙলী জীয়েক বৰ্গীজনী বিহু দিনাই জন্ম হৈছিল! তাইৰ যে ভাগ্য। বিহু দিনাই তাই আমাৰ ঘৰলৈ লখিমী হৈ যেন আগমন হৈছিল।

নানা ধৰণৰ কথা মনৰ মাজত উদয় হবলৈ ধৰিলে। বিচনাতে বাগৰি আমনি লাগি গৈছে। দিনত হোৱা হ'লে ঘৰৰ পৰা ওলায় জুৰিটোৰ কাষলৈকে গুচি গলোহেতেন। নিজানত বহি মধুৰ নিৰৱতাত মনটো প্ৰকৃতিৰ সতে বিলিন কৰি দিলোহেঁতেন। তাতে এই ৰাতিখন ওলাই যাব পাৰিলেও পৰিবেশ পৰিস্থিতিহে যি হৈছে ওলাই গলেই কলাডাৱৰে বেঢ়ি ধৰিব বিচাৰে।

বহুতো চিন্তাই মোৰ মনত জুমুৰি দি ধৰিলহি এই বিহুৰ বতৰ আগৰ দৰে আনন্দ-দায়ক হৈ উঠা নাই। এই বিহুক বৰ বিহ বুলিহে কব পাৰি। ডেকা গাভৰুৱে হাত মেলি মেলি ৰং কৰিবলৈ সাহস নাইকীয়া হ'ল। শান্তিৰ নামত বন্দী হব লগা হৈছে এই

সমাজখন। কিন্তু শান্তি ক'ত? দুই এজন মূখা পিন্ধা বান্দৰৰ নিজৰ স্বাৰ্থৰ উন্নতিৰ বাহিৰে আৰু একো সমাজৰ উন্নতি হোৱা নাই। হাজাৰ হাজাৰ দৰিদ্ৰ, হাজাৰ হাজাৰ নিবনুৱা দিনক দিনে বাঢ়িহে গৈছে। ইফালে জনসংখ্যা। সেই ফালেটো কবই নোৱাৰি। দিনে দিনে হাজাৰ হাজাৰ শিশুৰ জন্ম। এমুঠি ভাতৰ বাবে কোনোৱে আকৌ কাৰোবাৰ ঘৰত কুকুৰৰ সতে খাব লগা হৈছে।

“ধেৎ তেৰি, মইনো এইবোৰ চিন্তা কৰি কি কৰিম? সকলোৱে চিন্তা কৰিব লাগিব।”

'নহয়! চিন্তা কৰিব লাগিব। অকলশৰে হলেও চিন্তা কৰিব লাগিব। প্ৰতিজন মানুহৰ অন্তৰত সমাজৰ বিষয়ে জগাই তুলিবলৈ বিচাৰিব পাৰিব লাগিব। শোষক অত্যাচাৰী, হত্যাকাৰী সকলোবোৰক আঁতৰাবৰ কাৰণে চিঞৰি চিঞৰি জনসমাজক আগুৱাই আনিব লাগিব।

শুই থকা অৱস্থাতে মোৰ মুখত অজানিতে হাঁহি এটা বিৰিঙি উঠিল। নুঠিবই বা কিয়? যিহে মনটোৱে সমালোচনা কৰিবলৈ ধৰিলে। কেতিয়াবা আকৌ কেনেকৈ নিজকে প্ৰশ্ন কৰে আকৌ নিজে তাৰ প্ৰত্যুত্তৰ দিয়ে।

আন্ধাৰ কোঠাটোত বহু সময় অকলশৰে শুই থাকি নিজকে অশান্তি যেন লাগিল। বিচনাতে থকা লাইটৰ চুইচটো অন কৰি দিলো। পোহৰ নাই। মোৰ অন্তৰে সঁচাকৈয়ে আন্ধাৰতে থাকি ভাল পায় নেকি? নহলেতো পোহৰ কিয় গুচি গ'ল? মোৰ চকুহাল টোপনিতকৈয়ো মেল খাইহে থাকিবলৈ ধৰিলে। চকুযুৰিয়ে যেন অন্ধকাৰত থাকিবলৈ মন কৰা নাই। পোহৰ বিচাৰি বিচাৰি হাবাথুৰি খাব লাগিছে। পোহৰ বিহিন কোঠাটোত নিৰৱতাক বুকুত লৈ কণাৰ লাখুটি হিচাপে সোঁহাতখনে লাহেকৈ বিচনাৰ কাষত থকা খিৰিকি খন খুলি দিলো।

বাঃ বিচনাখনত টুকুৰা টুকুৰ জোনৰ পোহৰ পৰিলহি। ইমান নিমজ। বুকুত সাৰতি লবৰ মন গ'ল। হঠাৎ এচকল কলা ডাৱৰে আহি সেই পোহৰ কাঢ়ি নিলে। এনেদৰে কেইবাৰো জোনটোৱে লুকাভাকু খেলি থাকিবলৈ ধৰিলে। চকুহালক মই বিচনাত বহিয়েই খিৰিকীৰে বাহিৰলৈ চাই অলপ শান্তি দিব বিচাৰিলো। চকুহালৰ লগতে মোৰ মনটোৱেও জোনৰ মধুৰ পোহৰত আনন্দ লাভ কৰিলে।

বিচনাত বহি থকা অৱস্থাতে মই হাতঘড়ীটোলৈ চালো। বাৰ বাজিছে। মোৰ মা, দেউতা, বাইদেউ আৰু ভাইটিয়ে ছাগে গভীৰ নিদ্ৰাত। সপোন দেখিছে ছাগে প্ৰকৃতিৰ ৰূপ, বঙালীৰ বং-ৰহইচ দেশৰ পৰিস্থিতি, পৰিৱেশ, গাওঁৰ মিলা-প্ৰীতি, ল'ৰালীৰ লুকাভাকু। মোৰ মা সঁচাকৈয়ে বাহিৰৰ জোনাকৰ দৰে। দেউতা কিন্তু ক'লা ডাৱৰচকল। বাইদেউ আৰু ভাইটি মোৰ বাহিৰৰ নিৰৱতাখিনি। মায়ে সৰুতে দিয়া কপালৰ আশাসুৰীয়া মৰম সুলভ চুমাটো আজিও মোৰ মনত আছে। ইমান মিঠা আছিল।

মাৰ আশাসুৰীয়া চুমাৰ কথা মনত পৰিলেই বুকুখনে উচুপি উঠে। মানুহৰ ইমান মমতা নাইনে? জীৱ শ্ৰেষ্ঠ মানুহ হৈও মানুহে পশুৰ দৰে কাম কৰিব লাগেনে? মোৰ মাৰ দৰেই ৰমেনৰ মাকো এই জোনালীৰ দৰে আছিল।



ৰমেন মোৰ লৰালিকালৰ পৰা বন্ধু। অতি ঠাণ্ডা, পঢ়াত তীক্ষ্ণ আছিল। সময়ত দুয়োতাই স্কুল, তাৰ পাছত একেলগে কলেজলৈ বুলি গৈছিলো। দুয়োটাই সদায় একেলগেই থাকো, একেলগেই জুৰিৰ কাষত বহি পশু পক্ষীৰ গীত শুনো। মাথো দুয়োতাই একে লগেই থাকো। সিনো কেতিয়া উগ্ৰপন্থী হল, কেতিয়া মাৰ্দাৰ কৰিলে, কেতিয়া ডকাইত হ'ল? কেতিয়া ধন লুট কৰিলে? চৰকাৰে তাৰ ওপৰত মিছাকৈয়ে অভিযোগ তুলিলে। অকল অভিযোগ তোলাই নহয়, তাক বন্দী কৰিলে। মাকে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। ৰমেন তেতিয়াৰ পৰা জেলৰ মাজত আবদ্ধ। ইফালে মাকে পুৱাৰ পৰা পুৱাৰলৈকে কান্দি কান্দি অৱস্থাহীন হৈ পৰিল। অৱশেষত মৃত্যু হ'ল। কান্দি কান্দি মৃত্যু হোৱা নাই, মৃত্যু হ'ল শাস্তিৰ হাতত। আজি তিনিমাহ হ'ল ৰমেনৰ মাকৰ মৃত্যু হোৱা। ৰমেনে বাৰু জেলৰ মাজত কেনেকৈ আবদ্ধ হৈ আছে? জোনাকৰ টুকুৰা পোহৰকে সাৰতি ধৰিছে নেকি?

মোৰ দুগালে দুধাৰী চকুলো বাগৰি আহিল। ৰমেনৰ কথা মনত পৰিলে মোৰ বুকুখন উৰুঙা উৰুঙা লাগে। খিৰিকীৰে চেঁচা কোমল বতাহ এজাক সোমাই আহিল। মোৰ গাত শিহৰণ জাগি গ'ল। বসন্তৰ গছৰ কুঁহিপাতবোৰে মলয়াত নাচিবলৈ ধৰিলে। জোনটোৱে ডাৱৰৰ স'তে বেছিকৈ লুকাভাকু খেলিবলৈ ধৰিলে।

মোৰ হাত দুখনে গালৰ বেজাৰখিনি মোহাৰি পেলালে। আমাৰ পচুলিৰ শেৱালী জোপা ৰিণিকি ৰিণিকি দেখা হৈ পৰিল। আকাশৰ পৰা নিয়ৰ পৰিবলৈ আৰম্ভ কৰিছে। সকলো গছ-গছনি একান্তমনে আছিল যদিও বতাহত গছৰ পাতবোৰ লৰিবলৈ ধৰিলে। আঁতৰৰ বাৰীখনৰ পৰা ফেঁচাৰ উৰুলি শুনা গ'ল। চকুহালে টোপনি বিচাৰিছে। হাতঘড়ীটোলৈ পুনৰ চালো। সময় এক বাজি পোন্ধৰ মিনিট গৈছে। শেষৰ বাৰৰ বাবে মই চকুহাল বাহিৰত চকু ফুৰাই চাবৰ মন গল। প্ৰতিটো বস্তুকে চকুহালে চাই মনৰ মাজতে তৃপ্তি অনুভৱ কৰিলো।

খিৰিকিখন লাহেকৈ বন্ধ কৰি দিলো, কোঠাটো আন্ধাৰ হৈ পৰিল। ৰাতিপুৱা সোনকালে উঠিব লাগে। জানটোৰ পানীতে গৰুৰ গা ধুৱাবলৈ নিয়া হব। এতিয়াৰ পৰা পুৱালৈ বেছি সময় নাই। এইবুলি গাত লোৱা কাপোৰখন টানি গাত দি ললো। অলপ ঠাণ্ডা পৰিছে। সেয়ে কাপোৰখন টানি মেলি ভালকৈ গাত দি ললো। চকু দুটাত টোপনি আহিছে। সেয়ে সকলো কথা আওকাণ কৰি টোপনি যাবলৈ সাজু হলো।

চকুত ছিলমিলকৈ টোপনি আহিছে। দুৱাৰত শব্দ শুনিলো। টক্ টক্ টক্। কেইবাবাৰো কৰিলে। মোৰ বৰ ভয় ভয় অনুভৱ হ'ল। পুনৰবাৰ টক্ টক্ দুৱাৰত শব্দ কৰিলে। মই বিচনাখনত বহি পৰিলো। তৃতীয়বাৰ পুনৰ দুৱাৰত শব্দ কৰিলে। মই এইবাৰ দুৱাৰখন খুলি দিয়াৰ সিদ্ধান্ত কৰিলো।

লাহেকৈ বিচনাৰ পৰা আন্ধাৰৰ মাজতেই নামি চেণ্ডেলযোৰ খেপিয়াই পিন্ধি দুৱাৰখনৰ কাষ চাপিলো। কোন হ'ব পাৰে এই ভাৱ লৈ লাহেকৈ দুৱাৰখনত হাত দিলো।

লাহেকৈ দুৱাৰ খন খুলিলো। মোৰ কলিজা একেবাৰে আকাশ চুলেগৈ। দুৱাৰ মুখত তিনিজন বন্দুকধাৰী জোৱান। মোৰ মুখ, ভৰি, হাত কপিবলৈ ধৰিলে। তৎক্ষণাত জোৱান তিনিজনৰ দুজন ভিতৰলৈ সোমাই আহিল। বাকী এজন মোৰ ওচৰত দুৱাৰ মুখতে বৈ থাকিল। এই তিনিজনৰ বাহিৰেও বহুতো জোৱান ৰাষ্টা আৰু চোতালত ঘূৰি ফুৰিছে। আকাশৰ জোনটোৰেও পশ্চিমৰ দিগন্তত মাৰ যাবলৈ ধৰিছে। চকলা চকল তৰাৰে পোহৰ খিনিক পৃথিৱীত পৰিবলৈ নিদি আগুচি ধৰিছে।

ভিতৰলৈ যোৱা জোৱান দুজনে মা, দেউতা, বাইদেউ আৰু ভাইটিক তুলি বাহিৰলৈ পঠিয়াই দিলে। তেওঁলোকে আমাৰ ঘৰটোৰ বাহিৰে ভিতৰে অনুসন্ধান চলালে। মা দেউতাই মোক বাৰাণ্ডাতে চিপাহী জনৰ বন্দুকৰ আগত বৈ থকা দেখি আচৰিত হ'ল। ময়ো অনুভৱ কৰা নাছিলো। যেতিয়া মায়ে মোক দেখি উচুপি উঠিছিল তেতিয়াহে মই বন্দুকৰ নলটো দেখিছো। মোৰ বুকুখনে কান্দি উঠিব বিচাৰিছিল। জীৱনত কেতিয়াও বন্দুকৰ নলৰ আগত থিয় হৈ পোৱা নাই। মোৰ চকুযুৰি থৰ হৈ ৰ'ল, মানুহৰ জীয়া তেজ খোৱা বন্দুকটো দেখি।

সচাঁকৈয়ে মানুহে মানুহক কেনেকৈ হত্যা কৰিব পাৰে। মৰম, স্নেহ, দয়া সিহঁতৰ নাই নেকি? মানুহৰ কলিজাৰ তেজ খোৱা এটা মাৰাত্মক সিংহ সিহঁতৰ প্ৰত্যেকৰে হাতে হাতে। তেতিয়া দূৰত এজাক চৰাইৰ কিৰিলি শুনিবলৈ পালো। পোহৰ হবলৈ আৰু বেছি সময় নাই। আমাৰ পৰিয়ালৰ সকলোৱে কাঁহ পৰি জীণ যোৱাৰ দৰে মনে মনে বাৰাণ্ডাতে থিয় হৈ আছে।

জোনৰ একা চেকা পোহৰত মোৰ হাত-ঘড়ীটোলৈ কেৰাহীকৈ চালো। সময় তিনি বাজিল। মোৰ বুকুখন ক্ৰমান্বয়ে বেছিকৈ কঁপিবলৈ ধৰিলে। আজি এই বছৰেকৰ বিহু দিনা গাঁৱত পুৱঁতি নিশা চলিছে অপাৰেশ্যন। অসমীয়া ৰাইজে কেনেকৈ বিহুতো পালন কৰিব? গৰুৰ গা কেনেকৈ ধূৱাব? নতুন বিহুৱান গাত কেনেকৈ লব? ভয়ত কঁপি থকা এই নিৰৱতা ৰাইজ খিনিক মিছাতে কিয় জুৰুলা কৰিছে। অসমত শান্তিৰ নামত সচাঁকৈয়ে বিহুদিনা পুৱতি ৰাতি অশান্তিৰ আগমন।

মোৰ যেন খং উঠি গৈছে তেনে লাগিছে। মোৰ চিঞৰি চিঞৰি কবৰ মন গৈছে আমি একো অপৰাধ কৰা নাই বুলি। ৰাতিৰ জোনাকেও যেন ভয় কৰি আঁতৰি গুচি গৈ আছে দিগন্তৰ সিপাৰলৈ। কপৌজনী উৰি আহি ঘৰৰ মুধত পৰিলহি। তাই নিজৰ মাত মাতিবলৈ ধৰিলে। কিবা যেন বিপদৰ আগমন জাই দিলেহি আৰু পুৱাৰ বাতৰি কঢ়িয়াই আনিছে। পূৱ দিগন্তত পোহৰ পোহৰ লাগিছে। কিন্তু আমাৰ মনবোৰ অন্ধকাৰৰ মাজতেই আছে।

আমাৰ পদুলিৰ মুখে মুখে থকা দদাই-দেউ হঁতৰ ঘৰলৈ মোৰ চকু পৰিল। তাতো



কেইবাজনো জোৱান আৰু সিহঁতৰ ঘৰৰ সকলোৱে বাহিৰৰ চোতালত বহি আছে। দদাইদেউৰ বুকুত বন্দুক ধৰি বৈ আছে এজন জোৱান। সচাঁকৈয়ে আমিনো কি অপৰাধ কৰিছো আমাৰ আগত তেনেদৰে বন্দুক টোৱাই থবলৈ।

পূব দিশত সুৰুযটোৰ ৰঙা মুখ খন দেখিলো। গছৰ ফাঁকে ফাঁকে আমালৈ জুমি জুমি চাইছে। বেজাৰমনে চোৱাৰ দৰে বেলি-টোৱে শেৱালী জোপাৰ সতে আমাৰ কথা কিবা পাতিছে। ভিতৰলৈ সোমাই যোৱা জোৱান দুজন ওলাই আহিল। মই সিহঁতৰ মুখলৈ চালো। সিহঁতৰ চকু দুটা ৰঙা ৰঙা। সম্ভৱ টোপনি খতি কৰাৰ বাবেই চকু ৰঙা হৈ গৈছে। বৰ খঙাল যেন লাগিল। আমি আটায়ে বাৰাণ্ডাতে আছো। জোৱান কেইজনে মোৰ দেউতাক একো সোধ পোচ্ছ কৰা নাই। বয়স হৈছে কাৰণেই সিহঁতে একো কৰা নাই যেন লাগিল। বাইদেউ আৰু ভাইটিৰ চকু হাললৈ মোৰ চকু পৰিল। জলজলীয়া হৈ আছে। কান্দো কান্দো কৰি থকাৰ দৰে। মোৰ দুগালে চকুলো বাগৰি আহিল।

পৃথিৱীখন মুকলি হৈ আহিছে। খং কৰিয়েই যেন পোহৰ কৰি তুলিছে। যাতে সমাজখন পোহৰ হয়। মোৰ মনৰ ভয়বোৰ আঁতৰি গ'ল। পুৱতি নিশাতেই মোৰ শৰীৰটো কঁপনি উঠিছিল। জোৱান কেইজন ঘৰৰ পৰা ওলাই আহিবলৈ ললে। মোৰ গাত বন্দুক ধৰি থকাজনে মোকো লগত লৈ ললে। মইও খোজ কাঢ়িবলৈ ধৰিলো। মোৰ মা আৰু দেউতাই কান্দি কান্দি দৌৰি আহি মোৰ বুকুত ধৰিলহি। চকুৰ দুধাৰী পৃথিৱীয়ে সাদৰেৰে গ্ৰহণ কৰিলে। মই মাৰ বুকুত সোমাই পৰিলো। জোৱান জনে মাৰ গাত গোৰ এটা মাৰি পেলায় দিলে। ধৰিত্ৰীৰ বুকুত মা পৰি গল। মই আৰু পাছলৈ ওভতি চাব নোৱাৰিলো।

মোক লৈ জোৱান কেইজন পদুলিমুখ পালেহি। মই বাটটোলৈ জলজলীয়া চকুযুৰিয়ে চালো। দীপেন, পবিত্ৰ, অনিলখুৰা, তুলখুৰা, পোণাকণখুৰা সকলো যুৱকক চিপাহীবোৰে উলিয়াই লৈ আহিছে। মোৰ মাৰ দৰে সিহঁতৰ মাক হঁতেও ছাগে কান্দি কান্দি বাউলি হৈ পৰিছে। অকলটো আমাৰ গাঁৱতে নহয়, সমগ্ৰ অসম দেশতে মাক, বাপেক বাই-ভনী ভাই-ককাই সকলোৱে সকলোৰ বাবে উচুপি উঠিব লগা হৈছে।

আমাক সকলোকে ৰাষ্টায়েদি লৈ গৈছিল। মোৰ কামনা আমাৰ সকলোকে জীয়াই থকাৰ দিনকেইটা অকনমান যদি শান্তিত থাকিবলৈ দিলেহেতেন। মিছা কথাত যাতে সমাজ খনক কোনো অপকাৰ নকৰে। বেলিটো লাহেকৈ ওপৰলৈ উঠি আহিছে।

এতিয়া বাৰু গৰুৰ গা, কণীযুজ আৰু ফুলাম বিহুৱানখন কেনেদৰে আছে? পুনৰ আগন্তুক বিহুবোৰ আনন্দ কৰি পঠিয়াব পাৰিম নে? খোজ কাঢ়ি যোৱাত বাটৰ শিলগুটি আৰু কাষৰ সেউজীয়া গছবোৰে অন্তৰত বৰ কষ্ট দিছিল। গাঁৱৰ মূৰৰ নাহৰ জোপাৰ পৰা কুলি আৰু কেতেকীৰ মাত শুনা গ'ল। ★

# "শেষ আশা"

— ৰিজুমণি সন্দিকৈ
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

জাননীখন পোৱাৰ লগে লগেই শ্ৰেণীটোত এক আনন্দৰ পৰিবেশ দেখা পোৱা গ'ল। যিহেতু আলোচনীত নাম ওলোৱাটো কম সৌভাগ্যৰ কথা নহয়নে ? সকলোৰে বাবে এইকণ সুবিধা পোৱাটো একমাত্ৰ ভগৱানৰ দয়াহে। অসমীয়া বিষয়ৰ ক্লাচটো কৰি শেষ হৈছেহে মাত্ৰ, কথাটো গম পাই সকলো আলোচনাত মগ্ন হৈ পৰিল। কোনোবাই গল্প কোনোবাই কবিতা, কোনোবাই প্ৰবন্ধ আৰু ক'ত যে কি লিখিব এইবোৰ আলোচনা কৰি থাকোতেই পাছৰ কেইটা ক্লাচ কৰা আৰু নহ'ল। সকলোৰে একমাত্ৰ আশা এই বছৰৰ আলোচনীখন কেনেকৈ সুন্দৰ ভাৱে প্ৰকাশ কৰিব পাৰি।

এইবোৰ আলোচনাৰ মাজতে মণিয়ে খপকৈ কৈ উঠিল ঐ, বুলু,— বিউতী, ময়ুৰী, হিমাদ্ৰী এইবাৰ ৰিজুৱে এটা ভাল গল্প লিখিব যিটো আলোচনীত প্ৰকাশ পাব। মই তাইক মানা কৰা সত্বেও তাই নুশুনিলে মোৰ কথা। মই লাজতে আৰু আনন্দত তলমুৰা হ'লো। শ্ৰেণীটোত সকলোৰে জানিলে যে মই গল্প লিখিম। যিহেতু এই বিষয়ে মই অজ্ঞাত মোৰ বৰ ভয় লাগিল যদিও ভাবিলো — এইবাৰ মই চেষ্টা কৰিবই লাগিব।

প্ৰথম বাৰৰ বাবে এই কাম কৰিবলৈ প্ৰস্তুত হৈছো যেতিয়া বেচ আনন্দ লাগিছে। কেনেকৈ সুন্দৰ ভাৱে এটা গল্প লিখিব পাৰো, যাতে প্ৰকাশৰ বাবে যোগ্য বুলি বিবেচিত হয়। এই চিন্তাই মোক উত্তাৱল কৰি তুলিলে। এই সকলো ভাবি ভাবি মই ঘৰ পালোহি। কলেজৰ পৰা আহি মুখ, হাত ধুই কিবা কেইটামান খাই অলপ জীৰাই ভাবিলো চাৰে কৰিবলৈ দিয়া "হোমওৱৰ্ক" কৰি গধুলি গল্প লিখিম। মোৰ এটা অভ্যাস আছে কলেজত পঢ়োৱাবোৰ ঘৰত এবাৰ উনুকিয়াই চোৱাতো। কিন্তু মোৰ পঢ়া নহ'ল। কেৱল গল্প লিখা কথাটোৱে মনত খুন্দীয়াবলৈ ধৰিলে। গল্প লিখিম বুলি স্থিৰ কৰি হাতত কলমটো লৈ ভাবিলো গল্প লিখিম আলোচনীত সকলোতকৈ "বেচট" বুলি নিৰ্বাচিত হব মোৰ গল্প সকলোৱে পঢ়িব আদি ভাবি থাকোতেই দেখোন সময় গ'ল। সকলোৱে মোৰ লিখিনি পঢ়ি প্ৰশংসা কৰিব আদি ভাবি থাকোতেই গধূলি হ'ল।

কিতাপৰ টেবুলত বহি ইংৰাজীৰ প্ৰথম পাঠটো মেলিছো মাত্ৰ হঠাৎ মনত পৰিল গল্পৰ কথা। লৰা-লৰিকৈ হাতত কলম ললো পুনৰ সেই একে ভাৱনাই মোক উত্তাৱল কৰি তুলিছে। কি লিখিম ? কি লিখিম, মই ক'ব নোৱাৰা হৈ পৰিলো। সদায় লিখিম লিখিম বুলি ভাবিও লিখিব নোৱাৰো।

চাওঁতে চাওঁতে মাত্ৰ এটা দিন বাকী যথাসময়লৈ। লগৰ আটাইবোৰে লেখনী জমা দিলে, কিন্তু মই ...। মই এইয়া কি কৰিছো, গল্প লিখিম লিখিম ভাবি সময়বোৰহে গ'ল। মাত্ৰ এটা ৰাতিৰ ভিতৰত মই কি কৰিব পাৰো। মই চিন্তাত অধীৰ হৈ পৰিলো। বান্ধৱীহঁতে যিখন উচ্ছাস-উদ্দীপনাৰে মোক গল্প লিখিবলৈ আগ্ৰহ কৰি তুলিছিল কিন্তু মই কি কৰিলো। মই নোৱাৰিলো।

যিমানেই লিখিবলৈ চেষ্টা কৰিছো, সিমানেই যেন মই একো ভাৱিব নোৱাৰা হৈ গৈছো। মোৰ মাত্ৰ লাগিছে ভয়। ক্লাচৰ কিতাপো পঢ়া হোৱা নাই, লগতে গল্পও, সকলোৱে জানিলে গল্প লিখিম বুলি কিন্তু মই কৰিছো কি ? ভয় আৰু লাজত মোৰ বুকু বেছিকৈ ধপ-ধপাবলৈ ধৰিলে। লগৰ সকলোৰে গল্প, কবিতা, প্ৰবন্ধ প্ৰকাশ পাব কিমানযে ফুৰ্ত্তি কৰিব। কিন্তু মই কি কৰিম ? এইবোৰ চিন্তাই মোক পাগল যেন কৰি তুলিলে। নিজকে মই ঘৃণাৰ ভাৱ অনুভৱ কৰিলো। যি প্ৰস্তাৱ মই হাতত লৈছিলো ইমান আনন্দৰে কিন্তু মোৰ এই আশা সকলো মিছা হ'ল। প্ৰথম বাৰৰ বাবে এই কাৰ্য্য হাতত লৈ মই পিচলি পৰা দৰে অনুভৱ কৰিলো। ধৰি ল'লো জীৱনত কেতিয়াও এনে লজ্জাজনক কাৰ্য্যত হাত নিদিওঁ।

মনত পৰিল মোৰ বন্ধু-বান্ধৱী হঁতলৈ। সকলোৱে ভাৱিছিল মই গল্প লিখিম বুলি কিন্তু মই এয়া কি কৰিলো। কেনেকৈ সিহঁতৰ আগত ওলাম আদি চিন্তাই মোৰ মনটো বেছি বলীয়াৰ দৰে কৰি তুলিলে। দুখতে মোৰ দুচকুৱে চকুলো বৈ আহিলে। কোনেও গম নোপোৱাকৈ মই হুক-হুকাই কান্দিবলৈ ধৰিলো। হঠাৎ কি হ'ল জানো মই চিঞৰী চিঞৰী কৈ কৈ কান্দিবলৈ ধৰিলো। "মই কি কৰিলো সকলো মিছা হল, মোৰ এই সোণালী আশা আশা হৈয়ে ৰল"। মই যেন কিবা অন্ধকাৰ, অন্ধকাৰ অনুভৱ কৰিলো। দেখিলো চাকি নুমাই গ'ল আৰু মই আন্ধাৰে মুন্ধাৰে কি কৰি আছো। অৱশেষত দুখৰ চকুলো মচি মচি মই বিচনাত ঢলি পৰিলো। ●

## মহৎ লোকৰ বাণী

★ "কিতাপেই মানুহক মহৎ কৰে, কিন্তু কিতাপেই মানুহক ধ্বংশও কৰে"।

— বিষ্ণু ৰাভা

★ "পোকে কোটা চোলা নষ্ট কৰাৰ নিচিনাকৈ ঈৰ্ষাই মানুহৰ জীৱন ধ্বংশ কৰে"।

— চেণ্ট ক্ৰাইচষ্টম

ক বি তা কা ন ন

## তোমাৰ উচল মুখ

— হেমন্ত বৰুৱা

যেতিয়া ভাহে
মন দাপোনত
তোমাৰ উচল মুখ
সযতনে সচা
বুকুৰ বেদনাবোৰ
পলকতে
কতনো হেৰায়।
এতিয়াও শুনো
পলৰীয়া লাজুকী জোনৰ
হাঁহি খিলখিল ;
ভাহি অহা
অন্তৰৰ পৰা
নিঃসংগ
কপৌৰ কন।
তুমি দিয়া
মুঠি মুঠি
শেৱালীৰ সুবাস
'জীৱন সুৰক্ষা'
নিঃসংগ
একক বেলাৰ।



## মোৰ অস্তিত্বৰ যান্ত্ৰণা

— ৰিমু হাজৰীকা
স্নাতক তৃতীয় বাৰ্ষিক

কাৰাগাৰৰ লৌহ কপাত চিঙি
বৈ আহিল মোৰ তেজ,
শানিত অস্ত্ৰৰ আগত মোৰ উত্তৰ পুৰুষৰ বীজ লৈ।
মোৰ তেজত মিহলি হৈ আছে বহুতো
অৱৰুদ্ধ নিশ্বাসৰ শব্দ। কনাই কনাই তাৰ
বৈ আহিছে সৃষ্টিশীল মানুহৰ উদ্দাম আবেগৰ
আক্ৰোশ।
আৰু
শতিকা জুৰি গোটখোৱা চকুলোৰ
পাৰভঙা বন্যাৰ লগত উটি আহিছে
এটা বিস্ফোৰণৰ আশঙ্কা,
এনেকৈয়ে তাৰ জন্ম হব।
মোৰ ধমনীত মই তাৰেই পদশব্দ শুনিছো।
সদ্য জন্মা শিশুৰ গাত লাগি থকা কেঁচা তেজৰ গন্ধই
সেইদিনা বৈ আহিব
মোৰ অস্তিত্বৰ যান্ত্ৰণা॥ ★



## মাথো তোমাৰ বাবে

**দীপক শইকীয়া**
স্নাতক দ্বিতীয় বাৰ্ষিক

বুকুৰ জ্বলা জুইকুৰা, ফুৰাই নিদিবা
সেইদৰে জ্বলি থাকিব দিয়া
জ্বলি থাকিব গপি গপি
আখৈ ফুটিব "আশাৰ"
ফিৰিঙতি হৈ ছিটিকি আহিব
দুই হাতে কাজলি পাতা,
জুইত ধানৰ আখৈ ফুটে যেনেকৈ
ঠিক তেনেকৈ
মোৰ প্ৰতিটো চিন্তা
তোমাৰ দুচকুত ভাষা
যাক দেখি
গোট মাৰে, চকুপানী খিনিয়েও হাঁহিব বিচাৰে
যেনেকৈ বেলিটোৱে হাঁহে
ৰাতি বুকু ভেদি অহা
হেঙুলি আভাৰে ঠিক তেনেকৈ ॥

## পৰাজয়

**নিত্যানন্দ দেউৰী**
স্নাতক প্ৰথম বাৰ্ষিক

জীৱনৰ প্ৰতিটো মুহূৰ্ততে
অনুভৱ কৰিছো মাথো বেদনাৰ
ক্লান্ত চকুযোৰে নামিছে
নিৰৱে শান্তিৰ বৃষ্টি।
প্ৰতিটো ভৱিষ্যতে আত্মঘাটি হৈ
উজুটি খাইছো বাৰে বাৰে
তথাপিতো আগ বাঢ়িছো আজি
এটি লক্ষ্যহীন বাটত।
নিষ্ঠুৰ বসন্তই বহুবাৰ
গছকি যায় মোৰ দেহত
অতীতৰ সকলো সংঘাট
লুকুৱাই ৰাখিছো হৃদয়ত।
জীৱন সংগ্ৰামৰ সতে যুজি
আজি হৈ পৰিছো ক্লান্ত
আজিও অজানিতে বুকুত
জীয়াই থকাৰ দুৰ্বাধ আশা ॥



## অনুভৱ

**ৰীতা কোঁৱৰ**
স্নাতক তৃতীয় বাৰ্ষিক

ভৰ শীতৰ সন্ধিয়া
যেতিয়া মই অনুভৱ কৰো
জাৰৰ কঁপনি!
হাড়ভগা জীৱনটোৰ
অভাৱৰ গধুৰ চাদৰ খনেৰে
মেৰিয়াই লওঁ মোৰ সৰ্বশৰীৰ
উম লোৱাৰ ক্ষীণ আশাৰে।
আৰু কেতিয়াবা
সেমেকি থকা ধুসৰ গধূলিত
জুপুকা লাগি বহি ৰওঁ
বেদনাত ছাটি ফুটি থকা
একুৰা তুঁহ জুইৰ কাষত
অকলশৰে দোভাগ নিশালৈ
উৰুখা ঘৰৰ মজিয়াত
ক্ৰন্দনী, নিশ্চল নিশাটোৰ
চকুপানী সৰি পৰে
ব্যথাতুৰা!
আকাশৰ তৰাৰ মুখত যেন
হুমুনিয়াত খহি পৰে
বকুলৰ সুগন্ধি পাহি! ★

## "বন্ধুত্ব"

**নিৰু বুঢ়াগোহাই**
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

হে' বন্ধু! কোন জীৱনৰ প্ৰতিশ্ৰুতি
থমকি ৰয় দেখো জীৱনৰ গতি
নপৰে মনত তোমাৰ সতে মোৰ
হঠাতে হলো কিন্তু আমি একেটি—
জীৱন পথত খোঁতে উজুটি
ধৰিছা আজি তুমিয়েই সাৰথি
ধন্য তোমাক (!) মোৰ জীৱনৰ
জীৱনে পালে তোমাৰ জেউতী!
প্ৰভাত যদি আহে কাহানিবা
তাৰো সুৰুয তুমিয়ে হ'বা
নতুন দিনৰ সেই প্ৰভাতত
প্ৰতিদান বাৰু তুমি কি লবা?
মৰম ভালপোৱা সিও বোলে ক্ষন্তেকীয়া
শেষ হব বন্ধুত্বও ভাঙিব যেতিয়া
তাৰেই এনাজৰী আজীৱন থকাৰে
বন্ধুত্ব হওক আমাৰ যুচিৰ গমীয়া !! ★



## এইখন মোৰ দেশ এইখন আমাৰ দেশ

— দীপক দত্ত
স্নাতক ১ম বাৰ্ষিক

তোমাৰ বন্দুকৰ গুলিয়ে মোৰ দেহ
থকা সৰকা কৰি নিঃশেষ কৰি পেলালেও
মই চিঞৰি, চিঞৰি কম
এইখন মোৰ দেশ,
এইখন আমাৰ দেশ।
প্ৰস্ফুটিত, সেউজী যৌৱনকো নেওচি
জীৱনৰ সোণালী সপোনবোৰো
বুঢ়ি আই হাঁচতি সামৰিত,
এচেৰেঙা ৰ'দালীৰ সন্ধানত,
বহুতো আজি ঘৰ এৰি, অঘৰী হ'ল
কেৱল দেশৰ বাবেই,
কাৰণ, এইখন মোৰ দেশ
এইখন আমাৰ দেশ।
বুকুৰ কলিজা ৰঙা তেজ দি
বহুতো অসমী আইৰ সন্তানে
দেশৰ অস্তিত্ব ৰক্ষাৰ কাৰণে
প্ৰাণ আহুতি দিলে,
সেই শ্বহীদৰ ৰঙা তেজ
আমি অথলে যাব দিব নোৱাৰো,
তেজৰ মূল্য আছে,
জীৱনৰ মূল্য আছে
হাজাৰ হাজাৰ মাতৃৰ চকুলোৰ মূল্য আছে,
সেই মূল্য আমি দিবলৈ আগবাঢ়ি যাব লাগিব,
কাৰণ, এইখন মোৰ দেশ
এইখন আমাৰ দেশ॥ ●

## ইমান নিষ্ঠুৰ সিহঁত

— চিন্ময়ী গগৈ
উঃ মাঃ ১ম বাৰ্ষিক

নিশাৰ পৱিধি ভাঙি
ভাঁহি আহে কাৰোবাৰ যন্ত্ৰণাকাতৰ উচুপনি।
হয়তো কোনোবা জননীৰ
কোনোবা ভগ্নীৰ
কোনোবা ন বোৱাৰীৰ।
চৌদিশে কেৱল আৰ্তনাদ
ত্ৰাসে বেঢ়ি ধৰে সমস্ত আকাশ
মোৰ বিষাক্ত বুকুতো
একেই উচুপনি
অসহ্য যন্ত্ৰণাত মই সাৰ পাই যাওঁ
প্ৰতিটো নিশাই।
সাৰ পাই দেখো
সেয়া নৰৰূপী এজাক
ৰক্ত পিপাসু দানৱ।
মোৰ মানস পটত অঙ্কিত হয়
সিহঁতৰ কামাতুৰ
ৰক্ত লোলুপ
ৰঙা চকুবোৰ
উঃ ইমান নিষ্ঠুৰ সিহঁত। ●



## 'তেজেৰে ধুৰাই নিম'

— মিনাক্ষী বড়া
স্নাতক ২য় বাৰ্ষিক

মোৰ মুখৰ পৰা হঠাতে
কেতিয়াবা ওলাই আহে
তেজেৰে বোল সনা কিছুমান
ভয়ানক শব্দ, যিবিলাকে
দেশদ্ৰোহী জনক কৰি তোলে বিদ্ৰোহী।
তেজেৰেই লিখি যাম মই
মোৰ জটিলতাপূৰ্ণ সমাজৰ
জটিলতাপূৰ্ণ জীৱনৰ
অবিৰল সঁচা কাহিনী।
ৰচনা কৰিম এখন ন পৃথিৱী
য'ত থাকিব কেৱল সুখ-শান্তি
ইতিহাসৰ সোণালী পাতত লিখিম
দেশৰ দুনীতি ভ্ৰষ্টাচাৰীসকলৰ ভণ্ডামি।
তেজেৰেই ধুৰাই নিম মই
সমাজৰ পাপ পঙ্কিলতা
আৰু ধোৱাই নিম
বিদ্ৰোহী শোষণকাৰী হওঁক।
তেতিয়াই ওলাই আহিব নিগৰি নিগৰি
মোৰ কলিজাৰ তপত তেজেদি
হাজাৰ হাজাৰ বীৰ শ্বহীদ। ●



## প্ৰেমৰ অস্তিত্ব এটি কবিতাত

— অনিল দত্ত
স্নাতক তৃতীয় বাৰ্ষিক

এইদৰেই মোৰ হৃদয়ৰ
প্ৰেমময় নদীবোৰ
মৰুময় হ'ল
মাথো তোমাৰ মৌনতাত।
এইদৰেই মোৰ হৃদয়
চুৰমাৰ হ'ল
তোমাৰ চৰম অৱহেলাত,
আৰু এইদৰেই মোৰ
প্ৰেমৰ অস্তিত্ব ৰয়
মাথো এটি ক্ষুদ্ৰ কবিতাত। ★

# জননী অসমী

— দিজুমণি ভুঞা
স্নাতক দ্বিতীয় বাৰ্ষিক

হে আই জননী অসমী
তুমি আজি নিপীড়ীতা
ধৰ্ষিতা
শোষিতা
লাঞ্চিতা।
তোমাৰ বুকুতে থকা দেশী বিদেশী
শোষকবোৰে
তোমাৰ বুকু শুদা কৰি
সকলো সম্পদ শুহি নিছে
তথাপিও, তুমি সহ্য কৰি আছা।
তোমাৰ সন্তানবোৰক
বন্দুকেৰে গুলিয়াই
লাঠিৰে কোবাই
কাৰোবাক হত্যা কৰিছে
কাৰোবাক পঙ্গু কৰিছে।
তথাপিও, তুমি সহ্য কৰি আছা।
হে আই জননী অসমী
তুমি আৰু কিমান দিন
তোমাৰ সন্তানৰ ৰং চাবা।
তোমাৰ সন্তানে
যিদিনালৈকে তুমি মুক্তি নোপোৱা
সেইদিনালৈকে তেজৰ নদী বোৱাই যাব।
হে আই জননী অসমী
তুমি তোমাৰ সন্তানক
সাহস দিয়া
তোমাৰ সন্তানে তোমাক এদিন
সোণৰ অসমী ৰূপে গঢ় দিবই॥ ★





# MEMBERS OF EDITORIAL BOARD



(From left to right)
***Sitting*** :- Sri Sudhir Kumar Das, (Prof-in-charge; English section) Sri Lohit Kumar Saikia, (President; St. Union) Sri Dambaru Dhar Neog (Principal) Mrs. Khira prabha Gogoi (Prof.-in-charge, Assamese Section)
***Standing*** :- Sri Mintu Buragohain, Sri Tapan Borgohain (General Secy.)



Miss Rekhamoni Dutta
Best Singer (1995-96)



Sri Kumud Dowrah
Best Literary Competitor
1995-96



Sri Sibananda Sarma
Badminton Champion (1995-96)

Not in the Photographs
Sri Tapan Borgohain — Best actor (1995-96)
Miss Manju Boruah — Best Actress (1995-96)

*With Regret—Magazine Secy.*

# STUDENTS' UNION (95-96)



Mr. Tapan Borgohain
General Secy.



Mr. Joyanta Lahon
Vice President



Mr. Pabitra Chetia
Asstt. Gen. Secy.



Mr. Dipranjan Boruah
Social Service Secy.



Mr. Anil Gogoi
*Sports Secy.*



Mr. Diju Bhuyan
*Magazine Secy.*



Miss Monika Gogoi
Girls' Common Room Secy.

Not in the Photographs

Mr. Ranjan Gogoi
Boys' Common Room Secy.

Mr. Pabitra Chetia
Music and Cultural Secy.

*With Regret—Magazine Secy.*



Mr. Nitul Gogoi
Games Secy.

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

চিৰ চেনেহী অসম মাতৃক উদ্ধাৰৰ হেতু যিসকল বীৰ-বীৰাঙ্গনাই প্ৰাণ আহুতি দি অসমী আইৰ বুকু শূণ্য কৰিলে, সেই বীৰ শ্বহীদ সকললৈ প্ৰতিবেদনৰ আৰম্ভণিতে আন্তৰিক অশ্ৰু-অঞ্জলি নিবেদিছোঁ। শ্বহীদৰ আত্মাই চিৰ শান্তি লাভ কৰক।

বুৰঞ্জীয়ে পৰশা শিৱসাগৰ জিলাৰ নিতাই পুখুৰীৰ উত্তৰ দিশত, অঞ্চলটোৰ একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়। এনে এখন মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদক হিচাপে এই অভাজনক নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সবাঙ্গীন উন্নতিৰহকে সেৱা আগবঢ়াবলৈ যি সুবিধা দিলে, তাৰ বাবে এই আপাহতে সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ অভিনন্দন জ্ঞাপন কৰিলোঁ। এনে এটি গুৰু দায়িত্ব লৈ কাৰ্য্য ক্ষেত্ৰত কিমান দূৰ আগবাঢ়িলো সেইয়া বিচাৰ্য্যৰ ভাৰ আপোনালোকৰ ওপৰত।

দায়িত্ব গ্ৰহণ: ২১/১১/৯৫ তাৰিখে আনুষ্ঠানিক ভাৱে সাধাৰণ সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰো। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ত বহু দিনৰে পৰা অনুভৱ কৰা অভাৱ সমূহৰ সম্পৰ্কে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত কেইটামান গুৰুত্ব পূৰ্ণ প্ৰস্তাৱ দাঙি ধৰিছিলোঁ।

প্ৰস্তাৱ সমূহ হ'ল:
১। মহাবিদ্যালয়ৰ চৌহদ বেৰাৰ ব্যৱস্থা কৰক।
২। চাইকেল ষ্টেণ্ডটো মহাবিদ্যালয়ৰ সন্মুখলৈ নিয়ক।
৩। মহাবিদ্যালয়ত এটি প্ৰেক্ষা গৃহ নিৰ্মাণ কৰক।
৪। ছাত্ৰ-ছাত্ৰী জিৰণী চ'ৰা ঘৰ উন্নত মানদণ্ডেৰে নিৰ্মাণ কৰক।
৫। পুথি ভঁৰালত কিতাপৰ সংখ্যা বৃদ্ধি কৰক।
৬। শ্ৰেণী কোঠা সমূহত বিজুলী বিচনীৰ ব্যৱস্থা কৰক।
৭। অনাৰ্চ (মেজৰ) ক্লাচ কম বৃদ্ধি কৰক।
৮। মহাবিদ্যালয়লৈ সোমাই অহা পথছোৱা পকীকৰণৰ ব্যৱস্থা কৰক।
৯। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ শ্ৰেণী কোঠাটোৰ মজিয়া পকী কৰণ কৰক।

এই অভাৱ সমূহৰ বিষয়ে আৰম্ভণিৰ পৰাই মহাবিদ্যালয় কৰ্তৃপক্ষক অৱগত কৰাইছিলোঁ। মোৰ কাৰ্য্যকালতে কৰ্তৃপক্ষই চাইকেল ষ্টেণ্ডটো মহাবিদ্যালয়ৰ সন্মুখ ভাগলৈ আনি ছাত্ৰ-ছাত্ৰী সকলৰ এটি অভাৱ দূৰ কৰিলে।

মহাবিদ্যালয় সপ্তাহ ঃ খেলা-ধূলা হ'ল শিক্ষাৰ এটা অবিচ্ছেদ্য অংগ। খেলা-ধূলাৰ যোগেদি আমাৰ শাৰিৰীক ও মানসিক উৎকৰ্ষ সাধন কৰিব পাৰে। বৰ্তমান সমাজত খেলা-ধূলা, গীত-মাত, সাহিত্য-চৰ্চা আদিৰ জনপ্ৰিয়তা দিনক দিনে বৃদ্ধি পাইছে। এনে বিলাক দিশত প্ৰতিভা সম্পন্ন ছাত্ৰ-ছাত্ৰী বিচাৰি উলিওৱাৰ এটি মাধ্যম হ'ল মহাবিদ্যালয় ক্ৰীড়া সপ্তাহ"। সেই উদ্দেশ্যকেই আগত ৰাখি, গতানুগতিক ভাৱে ৪/১২/৯৫ ৰ পৰা ৮/১২/৯৫ তাৰিখলৈকে মহাবিদ্যালয় ক্ৰীড়া সপ্তাহ পালন কৰা হয়। ক্ৰীড়া সপ্তাহৰ অন্তত ৯/১২/৯৫ তাৰিখে বঁটা বিতৰণী সভাখন অনুষ্ঠিত কৰা হয়।

সৰস্বতী পূজা ঃ আগৰে পৰা চলি অহা ৰীতি-নীতি অনুসৰি শ্ৰীশ্ৰীবাগেদৱী বীণাপাণি সৰস্বতী মাতৃৰ সন্তুষ্টিৰ অৰ্থে, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী অধ্যাপক/অধ্যাপিকা তথা কৰ্মচাৰীৰ সহযোগত জাক-জমকতাৰে পূজা পালন কৰা হয়।

নৱাগত আদৰণি সভা ঃ উচ্চ শিক্ষা গ্ৰহণৰ উদ্দেশ্য আগত ৰাখি মহাবিদ্যাললৈ আগমন হোৱা আলোক সন্ধানী নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনোৱাৰ উদ্দেশ্যে ৩০/৮/৯৬ তাৰিখে একত্ৰিশতম্ নৱাগত আদৰণি উৎসৱটি বেছ জাক-জমকতাৰে পালন কৰা হয়। কাৰ্য্যসূচী অনুসৰি পুৱা ৯ বজাত মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে কাৰ্য্যসূচী আৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাপতি শ্ৰীযুত লোহিত কুমাৰ শইকীয়া দেৱে। সভাত সভাপতিত্ব কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত ডম্বৰুধৰ নেওঁগ দেৱে। সভাত নিমন্ত্ৰিত বিশিষ্ট অতিথি হিচাপে থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° প্ৰহ্লাদ কুমাৰ বৰুৱা দেৱে। তেখেতৰ বহুমূলীয়া বক্তৃতাৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰে।

অভিৰুচি ক্ৰীড়া দিৱস ঃ ৩ চেপ্তেম্বৰত নিতাইপুখুৰী স্পটচ্ এচছিয়েচন আৰু নিতাইৰ পানীদিহিং আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত আমাৰ মহাবিদ্যালয়ত ১৩ তম্ অভিৰুচি ক্ৰীড়া দিৱস উদ্‌যাপন কৰা হয়।

মহাবিদ্যালয়ৰ আলোচনীখনৰ বিষয়ে ঃ ৯৫-৯৬ বৰ্ষৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ প্ৰকাশৰ দায়িত্ব সম্পূৰ্ণ ভাৱে লব-লগীয়া হৈছিল। আলোচনী বিভাগৰ সম্পাদক আছিল যদিও তেওঁৰ ব্যক্তিগত অসুবিধা হোৱাৰ বাবে মই ভাৰ প্ৰাপ্ত আলোচনী সম্পাদক হিচাপে কাৰ্য্য কৰিব লগা হৈছিল। যেই কি নহওক পলমকৈ হলেও যুটীয়া প্ৰচেষ্টাত আলোচনীখন আপোনালোকৰ হাতত দিবলৈ পাই নথৈ সুখী অনুভৱ কৰিছো।

কৃতজ্ঞতা ঃ মোৰ কাৰ্য্য কাল ছোৱাত গধুৰ দায়িত্ব পৰিচালনা কৰোতে বিভিন্ন দিহা পৰামৰ্শৰে সহায় আগবঢ়োৱা শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় শ্ৰীযুত ডম্বৰুধৰ নেওঁগ দেৱ, ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সভাপতি শ্ৰীযুত লোহিত কুমাৰ শইকীয়া দেৱলৈ আৰু মাননীয় শিক্ষাগুৰু



সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। কাৰ্য্য পৰিচালনা কৰোতে মোৰ গাৰ ছাঁৰ দৰে থকা নৱ, ৰঞ্জিত, দিপক, পঙ্কজ, দেবা, ভবেশ, দিজু, জয়ন্ত, বিকাশ, খগেন, নিতুল, পবিত্ৰ, মিণ্টু, দুলেন, দিপেন, ৰাতুল, মনোজ, নিত্যা, ৰঞ্জন, শিৱা, অনিল, দিপৰঞ্জন, আঙুৰ, হেমন্ত, দুলাল, জোনজোন, অজিত, মণিকা, ৰিজু, ৰিজু, ৰিজু, মঞ্জু, পুৰৱী, ৰশ্মি, পূৰ্ণলীমা, ভাৰতী, ৰুণজোন, মণিস্মিতা, বিনীতা, পল্লৱী, জোন, শিখা, সংগীতা, তুলুমণি, বৃষ্টি, প্ৰজ্ঞাজোনাক, জিনু, লাৱণ্য, সবিতা, সীমা, বন্তী, জুলী, হেমা, ৰেণুকা, ৰিপা চিনময়ী, লখিমি, আদি সকলোটিলৈ মোৰ আন্তৰিক অফুৰন্ত মৰম আৰু ধন্যবাদ জনালো। মোৰ প্ৰস্তাৱক শ্ৰীমতী ইন্দ্ৰাণী বড়া আৰু সমৰ্থক শ্ৰীমতী তৰুমণি চেতিয়ালৈ বিশেষ ভাৱে কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। অজানিতে কলমৰ আগত বৈ যোৱা সকললৈও হিয়াভৰা মৰম স্নেহ জনাই সামৰিছো।

সদৌ শেষত হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতি ও মঙ্গল কামনা কৰি আৰু নৱ-নিৰ্বাচিত ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকললৈ শুভেচ্ছা জনাই ইমানতে মোৰ চমু প্ৰতিবেদনৰ মোখনি মাৰিলো।

জয়তু হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়
ছাত্ৰ শক্তি এক হওঁক,
ছাত্ৰ শক্তি যুগজয়ী হওঁক।

ধন্যবাদ

তপন বৰগোঁহাই
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা ( ১৯৯৫-৯৬ )
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে নিতাই পুখুৰী হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯৫-৯৬ চনৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত কৰি আপোনালোকলৈ সাধাৰণ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াত সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সহকাৰী সাধাৰণ সম্পাদকৰ এই গুৰু দায়িত্ব বহন কৰি কিছু অসুবিধা অনুভৱ কৰিছিলো যদিও বন্ধু-বান্ধৱীৰ সহযোগত, সহজে অতিক্ৰম কৰিছিলো কাৰ্য্যক্ষেত্ৰত। এই কালছোৱাত কিমানখিনি সফলতা অৰ্জন কৰিছিলো সেইয়া আপোনালোকৰ বিচাৰ্য্য।

কাৰ্য্যভাৰ গ্ৰহণৰ কিছু দিনৰ পাছতে ত্ৰিংশতিতম্ মহাবিদ্যালয়ৰ ক্ৰীড়া সপ্তাহ ১৯৯৫ চনৰ ৪ ডিচেম্বৰ ৯৫'ৰ পৰা ৯ ডিচেম্বৰ ৯৫ লৈ ছয় দিনীয়া কাৰ্য্যসূচীৰে পালন কৰা হয়। তাৰ লগে লগে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ সপ্তাহৰ বিভাগীয় কাৰ্য্যসমূহত যিমান পাৰিছিলো সিমান সহায় কৰিছিলো। শ্ৰীশ্ৰীসৰস্বতী পূজা, নবাগত আদৰণি সভা ইত্যাদি প্ৰতিটো কাৰ্য্যসূচীতে বিভাগীয় সম্পাদক তথা সাধাৰণ সম্পাদকক সম্পূৰ্ণ সহযোগিতা আগবঢ়াই সাফল্যমণ্ডিত কৰাত সহায় কৰিছিলো। বিশেষকৈ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা ক্ৰীড়া সমাৰোহত নিজেই অংশ গ্ৰহণ কৰিছিলো। ইয়াৰ উপৰিও সাধাৰণ সম্পাদকক কিছুমান দিশত সহায় সহযোগ আগবঢ়াইছিলো।

মোৰ কাৰ্য্যকালত সকলো সময়তে দিহা পৰামৰ্শ দিয়াৰ বাবে অধ্যক্ষ মহোদয় শ্ৰীযুত ডম্বৰুধৰ নেওগ, শিক্ষাগুৰু অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত লোহিত শইকীয়া চাৰ আৰু অসমীয়া বিভাগৰ অধ্যাপিকা শ্ৰীযুক্তা ভদ্ৰাৱতী গগৈ বাইদেউলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। এইখিনিতে মোৰ প্ৰস্তাৱক শ্ৰীমতী সংগীতা শইকীয়া আৰু সমৰ্থক শ্ৰীমতী মীন ফুকনলৈ মৰম আৰু আন্তৰিক শুভেচ্ছা যাচিলো।

বিশেষ ভাৱে কৃতজ্ঞতা জনাইছোঁ :- স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰ বন্ধু খগেন, শিৱা, মিণ্টু, দিজু, নিতুল, দিপেন, দুলেন, প্ৰবিত্ৰ, জয়ন্ত, নিত্যা, জগন্নাথ, ভৰকান্ত, ৰাতুল, ফুলেশ্বৰ, দিলীপ, পৰাগ, ছাত্ৰী বান্ধৱী— ৰেখা, ৰিজু, স্বপ্না, পাপৰিকা, শিখামনি, শিখাৰাণী, চিনু, আইৰিণ, ৰূপালী, বয়েন্তী, মিনাক্ষী, তুতুমণি, মিণাক্ষী মণিকা লৈ।



স্নাতক দ্বিতীয় বাৰ্ষিকৰ :- তপন, বিনোদ, ৰঞ্জন, জ্ঞানেন্দ্ৰ, ৰঞ্জিত, নবীন, খিৰুদ, ভৰন — মিতালী, স্মৃতি, ৰিপা, ৰিজু, লাৱণ্য. মণিকা, বিনীতা. বঞ্জু, বন্তী, ৰশ্মীৰেখা লৈ।

স্নাতক ৩য় বাৰ্ষিকৰ ছাত্ৰ :- দুল্লৰ্ভ, জয়ন্ত, কেশৱ, নবীন, নৰলৈ বিজু, বিনীতা, মিনাক্ষী. বাসন্তী লৈ।

উচ্চতৰ মাধ্যমিক ১ ম বাৰ্ষিকৰ ছাত্ৰ :- বাবুল, পুতু, পলাশজ্যোতি, বিকাশ, ব্ৰজেন, সুৰজিত, নুৰ, ভুপেন, অনিল, দিপৰঞ্জন, প্ৰমোদলৈ। সংগীতা, মিনু, ৰুবী, বিজু, সোনতৰা, মুনমুন, ৰাজলক্ষী, ৰিজু, বিনা, ৰেখা, বিউতি, বৃষ্টিমা, মনি, মমী, ৰূপালৈ।

উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিকৰ ছাত্ৰ :- সুমন্ত, অজিত, ৰঞ্জন, মিণ্টুল, প্ৰশান্ত, দীপক, দিব্য, লুহিত, প্ৰমোদ, উমেশ, জীৱন, পূৰ্ণ, মুনিন, ইন্দ্ৰ, পংকজ, মনজিল, গৌতমলৈ। ছাত্ৰী— নিজৰা, ইনু, চিনু, মিনু, ৰিজু, পুৰৱী, দিপালী, ৰূপজ্যোতি, ইন্দ্ৰাণী, লিলি, ৰশ্মি তনুজা, অনুৰূপালৈ সকলোলৈকে আন্তৰিক অভিনন্দন শলাগৰ শৰাই আগবঢ়ালো। ইয়াৰ উপৰিও অজানিতে কলমৰ আগত বৈ যোৱা সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

সদৌ শেষত হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰি আৰু নৱ নিৰ্ব্বাচিত ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকললৈ শুভেচ্ছা জনাই সহকাৰী সম্পাদকৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয় আই অসম'

ধন্যবাদেৰে—

**শ্ৰীপ্ৰবিত্ৰ চেতিয়া**
সহকাৰী সাধাৰণ সম্পাদক
হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়
ছাত্ৰ একতা সভা

# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

ইতিহাসৰ বুকুতেই গঢ়ি উঠে ভৱিষ্যত আৰু বৰ্তমান। এই ইতিহাসে গৰকি যোৱা আমাৰ হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়খন ১৯৬৫ চনত স্থাপিত হৈছিল। যিসকল ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু আৰু অনান্য ব্যক্তিয়ে অশেষ শাৰিৰীক আৰু মানসিক কষ্ট কৰি মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত সফল কৰি তুলিলে তেওঁলোকলৈ মই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। উচ্চ শিক্ষাৰ মেৰুদণ্ড স্বৰূপ এই মহাবিদ্যালয়খন বিভিন্ন প্ৰান্তৰ পৰা অহা ছাত্ৰ-ছাত্ৰী সকলৰ মহান উদ্দেশ্য পূৰণ হোৱাতো কামনা কৰিছো।

সাংস্কৃতিক সম্পাদক হিচাপে কি কৰিলো কি কৰিব নোৱাৰিলো সেই বিষয়ে লিখাৰ আগেয়ে "হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ ১৯৯৫/৯৬ চনৰ ছাত্ৰ একতা সভাৰ" সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচন কৰি সেৱা আগবঢ়াবলৈ সুবিধাকন দিয়াৰ বাবে হেমচন্দ্ৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰা এসপ্তাহ মানৰ পাছতেই "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হোৱাত বিভিন্ন প্ৰতিযোগিতাৰ লগতে, সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

